www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সঁচা দোষখিনি দেখুৱাই দিলেই যদি শত্ৰু হ'ব লগা হয়, তেন্তে মিত্ৰ হৈ থকাতকৈ শত্ৰু হৈ থকা বৰং উপকাৰহে। -কমলাকান্ত ভট্টাচাৰ্য

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২১৫ | শনিবাৰ | ১৩ জুন, ২০২৬ চন | Volume/Year- I | Issue- 215 | Saturday | 13th June, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

## নিট ইউ জি পৰীক্ষাৰ সময়সীমা ১৯৫ মিনিটলৈ বৃদ্ধি

চাৰিখন পৃষ্ঠাৰ প্ৰশ্নকাকত; বাঁওহতীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ ব্যৱস্থা




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** অহা ২০২৬ চনৰ ২১ জুন তাৰিখে অনুষ্ঠিত হ'বলগীয়া নিট ইউ জি পৰীক্ষাৰ বাবে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই (এন টি এ) কেইটামান গুৰুত্বপূৰ্ণ সালসলনি ঘোষণা কৰিছে। এই পদক্ষেপসমূহৰ মূল উদ্দেশ্য হৈছে পৰীক্ষাটো অধিক নিকা, নিৰাপদ আৰু পৰীক্ষাৰ্থীৰ বাবে অনুকূল কৰি তোলা বুলি সংস্থাই স্পষ্টভাৱে উল্লেখ কৰে। ১২ জুন তাৰিখে প্ৰকাশ পোৱা চৰকাৰী জাননী অনুসৰি, বিগত বৰ্ষসমূহত পৰীক্ষাৰ্থী আৰু বিশেষজ্ঞৰ পৰা লাভ কৰা মতামতৰ ভিত্তিত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰথমতে, পৰীক্ষাৰ সময়সীমা বৃদ্ধি ৬ পৃষ্ঠাত

## প্ৰাক্তন অলিম্পিয়ান শ্যুটৰ যশপাল ৰাণাৰ বিয়োগ


মিউনিখ বিশ্বকাপৰ পৰা ঘূৰি অহাৰ পথত বিমানত হৃদৰোগ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** দেশৰ প্ৰাক্তন অলিম্পিয়ান, এছিয়ান গেমছৰ স্বৰ্ণ পদক বিজয়ী শ্যুটাৰ তথা ক্ৰীড়াবিদ যশপাল ৰাণা আৰু নাই। শুকুৰবাৰে দিনৰ ভাগত শেষ নিশ্বাস ত্যাগ কৰে ৰাণাই। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল মাত্ৰ ৪৯ বছৰ। জানিব পৰা মতে, মিউনিখত অনুষ্ঠিত বিশ্বকাপৰ পৰা ঘূৰি অহাৰ পথত বিমানত হৃদৰোগত আক্ৰান্ত হৈছিল ৰাণা। তাৰ পিছতে তেওঁক দিল্লীৰ মেক্স হাস্পতালত ভৰ্তি কৰোৱা হয়। এদল বিশেষজ্ঞ চিকিৎসকৰ তত্ত্বাৱধানত চিকিৎসা ৬ পৃষ্ঠাত

## ৰাজ্যত ১.০৭ লাখ কিশোৰীক HPV টিকাকৰণ

জৰায়ুৰ মুখৰ কৰ্কট ৰোগ প্ৰতিৰোধৰ লক্ষ্য




**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** ৰাজ্যৰ কন্যা আৰু কিশোৰীসকলৰ সুস্বাস্থ্য সুনিশ্চিত কৰাৰ দিশত অসম চৰকাৰে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনত হিউমেন পেপিল'মাভাইৰাছ শচণ্ড্ৰত্নদ্দগ্ন টিকাকৰণ কাৰ্যসূচী ক্ষিপ্ৰ গতিত আগবাঢ়িছে। জৰায়ুৰ মুখৰ কৰ্কট ৰোগ (চাৰ্ভাইকেল কেঞ্চাৰ) প্ৰতিৰোধৰ লক্ষ্যৰে আয়োজন কৰা এই বৃহৎ অভিযানৰ অধীনত ইতিমধ্যে ১.০৭ লাখতকৈও অধিক কিশোৰীক সফলতাৰে ভেকচিন প্ৰদান কৰা হৈছে। আজি (১২ জুন) এই কথা সদৰি কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ছচিয়েল মিডিয়া ৬ পৃষ্ঠাত

## জীৱনলৈ ভাবুকি! বিধায়ক অখিল গগৈৰ নিৰাপত্তা বৃদ্ধি

১১ গৰাকী নিৰাৰক্ষীৰ কটকটীয়া বেষ্টনী



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ জুন ঃ** কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত এতিয়াৰে পৰা থাকিব শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈ। বিধায়কগৰাকীৰ নিৰাপত্তা বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে ৰাজ্যৰ গৃহ বিভাগে। ৬ পৃষ্ঠাত

৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা বিদ্যালয় একত্ৰীকৰণৰ সিদ্ধান্ত শিক্ষা বিভাগৰ

# একত্ৰীকৰণ হ'ব সহস্ৰাধিক বিদ্যালয়



প্ৰাথমিক শিক্ষা সঞ্চালকৰ জৰুৰী পত্ৰ; নামভৰ্তি হ্ৰাসৰ পৰিপ্ৰেক্ষিতত চালি-জাৰি কৰা হ'ব আন্তঃগাঁথনি আৰু দূৰত্ব

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ জুন ঃ** ৰাজ্যৰ শিক্ষা বিভাগে ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা বিদ্যালয়সমূহ একত্ৰীকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শেহতীয়াকৈ শিক্ষাৰ্থীৰ নামভৰ্তি হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষা বিভাগে ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা বিদ্যালয়ক আন বিদ্যালয়ৰ সৈতে সংলগ্ন (একত্ৰীকৰণ) কৰাৰ সিদ্ধান্ত লয়। প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে এই সন্দৰ্ভত সকলো জিলা শিক্ষা বিষয়ালৈ জৰুৰী পত্ৰ প্ৰেৰণ কৰি বিদ্যালয় একত্ৰীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ নিৰ্দেশ দিছে। নিৰ্দেশনাত একত্ৰীকৰণৰ পূৰ্বে শিক্ষা সেতু প'ৰ্টেলত অন্তৰ্ভুক্ত কৰা প্ৰতিখন বিদ্যালয়ৰ অৱস্থা পৰীক্ষা কৰা হ'ব বুলি স্পষ্টকৈ উল্লেখ কৰা হৈছে। বিশেষকৈ নামভৰ্তিৰ হাৰ, বিদ্যালয়ৰ ৬ পৃষ্ঠাত

## ৭৫ গৰাকী ছাত্ৰী-শিক্ষয়িত্ৰীৰ অশ্লীল ফটো বনাই ভাইৰেল ছাত্ৰৰ

টেলিগ্ৰামত ধনৰ বিনিময়ত বিক্ৰী; ছাত্ৰ নিলম্বিত, POCSO অধীনত তদন্ত কমিটি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ জুন ঃ** মহানগৰীৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত সংঘটিত হৈছে এক ভয়ংকৰ কাণ্ড। বিদ্যালয়খনৰ এজন ছাত্ৰই ৭৫ গৰাকী ছাত্ৰী আৰু শিক্ষয়িত্ৰীৰ অশ্লীল ফটো প্ৰস্তুত কৰি সামাজিক মাধ্যমত ভাইৰেল কৰি তোলে। লগতে টেলিগ্ৰাম এপ্লিকেচনৰ জৰিয়তে ধনৰ বিনিময়ত সেই ফটোসমূহ বিক্ৰী কৰে বুলি জানিব পৰা গৈছে। সামাজিক মাধ্যমত কাণ্ডটো ভাইৰেল হৈ পৰাৰ পিছতে স্কুল কৰ্তৃপক্ষই কাৰ্য হাতত লয়। ৬ পৃষ্ঠাত

## অসম-নাগালেণ্ড সীমান্তত শক্তিৰ নতুন দুৱাৰ! ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ

অমিত শ্বাহ, হৰদীপ সিং পুৰী, হিমন্ত বিশ্ব শৰ্মা, নেইফিউ ৰিঅ'ৰ উপস্থিতিত স্বাক্ষৰিত চুক্তি

১, ০০০ বৰ্গ কিলোমিটাৰ অঞ্চলত অন্বেষণ আৰু উৎপাদনৰ সুবিধা




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** ভাৰতৰ শক্তি সুৰক্ষা বৃদ্ধি আৰু শক্তি খণ্ডত স্বাৱলম্বিতা অৰ্জনৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা হৈছে। বৃহস্পতিবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী, নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত শক্তি অনুসন্ধান আৰু নিষ্কাশনৰ বাবে এক ত্ৰিপাক্ষিক ৬পৃষ্ঠাত

## কৃষকৰ সমস্যা বুজিবলৈ ডিমৰীয়াৰ পথাৰত কৃষিমন্ত্ৰী পীযুষ হাজৰীকা

জলসিঞ্চন আৰু উৎপাদন বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব



**ষ্টাফ ৰিপ'ৰ্টাৰ, সোণাপুৰ, ১২ জুন ঃ** শুকুৰবাৰে পথাৰত নামিল কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰীকা। কৃষিখণ্ডৰ সৰ্বাংগীণ উন্নয়ন আৰু কৃষকসকলৰ সমস্যাৰ বুজ ল'বলৈ মন্ত্ৰীগৰাকীয়ে পোনপটীয়াকৈ ডিমৰীয়া সমষ্টিৰ মালয়বাৰীৰ কৃষি পথাৰত উপস্থিত হয়। তাত গৈ তেওঁ সমগ্ৰ পৰিস্থিতি পৰ্যবেক্ষণ কৰে। পথাৰত ৬ পৃষ্ঠাত

## দিহিং পাটকাইত তেল খননৰ অনুমতিৰ তীব্ৰ বিৰোধিতা কাজিৰঙা ৱাইল্ডলাইফ ছ'চাইটিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ জুন ঃ** তিনিচুকীয়া জিলাৰ দিহিং সংৰক্ষিত বনাঞ্চলত অইল ইণ্ডিয়া লিমিটেডক হাইড্ৰ'কাৰ্বন খননৰ অনুমতি দিয়াৰ তীব্ৰ বিৰোধিতা কৰিছে কাজিৰঙা ৱাইল্ডলাইফ ছ'চাইটিয়ে। জৈৱ বৈচিত্ৰ্যৰে ভৰা এই বনাঞ্চলসমূহক সকলো ধৰণৰ খনন কাৰ্যৰ পৰা সম্পূৰ্ণৰূপে মুক্ত ৰাখিবলৈ ৰাজ্যৰ এই পুৰণি বেচৰকাৰী সংস্থাটোৱে দাবী জনাইছে। সংস্থাটোৱে এক বিবৃতিত কয় যে দিহিং পাটকাই অসমৰ একমাত্ৰ বৰ্ষাৰণ্য। কয়লা খনন, তেল খনন, বেদখল আৰু অবৈধ গছ কটাৰ দৰে কাৰ্যই এই বনাঞ্চলৰ বিস্তৰ ক্ষতি সাধন কৰিছে। এনে স্পৰ্শকাতৰ পৰিৱেশত পুনৰ প্ৰদূষণকাৰী উদ্যোগ স্থাপনৰ অনুমতি দিলে বৰ্ষাৰণ্যসমূহ ধ্বংসৰ মুখত পৰিব, যাৰ ফল ভয়াবহ আৰু অপূৰণীয় হ'ব বুলি ছ'চাইটিয়ে সতৰ্ক কৰি দিয়ে। ১৯৮০ চনৰ বন (সংৰক্ষণ) আইনৰ অধীনত ডিগবৈ বন সংমণ্ডলৰ প্ৰায় ৪.৯ হেক্টৰ বনভূমি এই প্ৰকল্পৰ বাবে ব্যৱহাৰ কৰাৰ অনুমতি দিয়া হৈছে। প্ৰস্তাৱিত স্থানটো দিহিং পাটকাই হাতী সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত, যি বন্যহস্তীৰ ৬ পৃষ্ঠাত

## মীনাক্ষী নটৰাজনৰ মনোনয়ন বাতিলক লৈ যন্তৰ-মন্তৰত কংগ্ৰেছৰ 'সত্যাগ্ৰহ'

নিৰ্বাচন আয়োগৰ বিৰুদ্ধে 'ভোট চুৰি, আসন চুৰি' শ্লোগান



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** মধ্যপ্ৰদেশৰ ৰাজ্যসভা নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী মীনাক্ষী নটৰাজনৰ মনোনয়ন-পত্ৰ বাতিল কৰাৰ প্ৰতিবাদত শুকুৰবাৰে দিল্লীৰ যন্তৰ-মন্তৰত সত্যাগ্ৰহ কাৰ্যসূচী পালন কৰে কংগ্ৰেছে। প্ৰতিবাদকাৰীসকলে হাতত বেনাৰ লৈ 'প্ৰথমে ভোট চুৰি, এতিয়া আসন চুৰি আৰু তাৰ পিছত নিৰ্বাচন আয়োগৰ নিৰ্লজ্জ স্বেচ্ছাচাৰী' সুলেখিত শ্লোগান দিয়ে। মীনাক্ষী নটৰাজনৰ মনোনয়ন অগণতান্ত্ৰিক আৰু অন্যায়ভাৱে বাতিল কৰাৰ অভিযোগ উত্থাপন কৰি কংগ্ৰেছে এই সত্যাগ্ৰহৰ আয়োজন কৰে। দলটোৱে ভাৰতীয় নিৰ্বাচন আয়োগৰ সন্মুখত প্ৰতিবাদ জাননি দি মুক্ত, ন্যায্য আৰু গণতান্ত্ৰিক নিৰ্বাচনী প্ৰক্ৰিয়াৰ নীতিসমূহ ৰক্ষা কৰাৰ প্ৰয়াস কৰে। মধ্যপ্ৰদেশ বিধানসভাৰ বিৰোধী দলৰ নেতা উমাং সিংহাৰে কয়, "দেশৰ গণতন্ত্ৰ ৰক্ষাৰ বাবে উচ্চতম ন্যায়ালয়ে এনে ৰায় দিয়ক, যি দেশবাসীৰ সন্মুখত এক নজিৰ সৃষ্টি কৰে। যদি উচ্চতম ন্যায়ালয়ে এই ৬ পৃষ্ঠাত

## সত্ৰৰ ভূমি বেদখল থাকিলে উচ্ছেদ অব্যাহত থাকিব ঃ অধ্যক্ষ ৰণজিৎ কুমাৰ দাস

শংকৰদেৱৰ চাৰ্কিটৰ আৰ্হিত মাধৱদেৱৰ চাৰ্কিট আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰীলৈ আহ্বান



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ জুন ঃ** শংকৰদেৱৰ চাৰ্কিটৰ আৰ্হিত মাধৱদেৱৰ চাৰ্কিট আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আহ্বান জনাইছে অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে। বটদ্ৰৱা, বৰপেটা, মধুপুৰ সত্ৰকে ধৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৬ পৃষ্ঠাত

## ৬ জুলাইৰ পৰা বিধানসভাৰ বাজেট অধিৱেশন

বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই দাখিল কৰিব বাজেট

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই জাৰি কৰিলে অধিসূচনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ জুন ঃ** অহা ৬ জুলাইৰ পৰা আৰম্ভ হ'ব যোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন। ইয়াৰ বাবে প্ৰয়োজনীয় অধিসূচনা জাৰি কৰিছে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। ৰাজ্যপালে জাৰি কৰা অধিসূচনাত কোৱা হৈছে, "অদ্যাৱধি সংশোধিত ৬পৃষ্ঠাত

## আধুনিক চিন্তাধাৰাই ভাৰতক নতুন দিগন্ত দিছে ঃ সৰ্বানন্দ সোণোৱাল

**বিজেপি চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ উপলক্ষে ডিব্ৰুগড়ত সোণোৱালৰ সংবাদমেল**

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ জুন ঃ** চলিত বৰ্ষৰ ১০ জুনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত বিজেপি চৰকাৰে ১২ বছৰ সম্পূৰ্ণ কৰে। ২০১৪ চনৰ পৰা ধাৰাবাহিকভাৱে তৃতীয়বাৰলৈ প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীয়ে দেশক নেতৃত্ব দি আহিছে। এই উপলক্ষে শুকুৰবাৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়স্থিত বিজেপিৰ মাণ্ডলিক ৬ পৃষ্ঠাত

## ফিফা বিশ্বকাপ ২০২৬ৰ উদ্বোধনীত মেক্সিকোৰ জয়



দক্ষিণ আফ্ৰিকাক পৰাস্ত; দক্ষিণ কোৰিয়াৰ চেক গণৰাজ্যক পৰাজয়

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ জুন ঃ** দুটা গ'ল, তিনিটা ৰেড কাৰ্ড-এয়ে ২০২৬ চনৰ ফিফা বিশ্বকাপৰ উদ্বোধনী খেলৰ কাহিনী। মেক্সিকোৰ এষ্টাডিঅ' এজটেকা ষ্টেডিয়ামত অনুষ্ঠিত এই খেলখনত ঘৰুৱা দল মেক্সিকোৱে দক্ষিণ আফ্ৰিকাক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। বিভিন্ন তাৰকাৰ সমাৱেশৰে গীত-নৃত্যৰ মনোমোহা অনুষ্ঠানৰ পাছত আৰম্ভ হয় বিশ্ব ফুটবলৰ এই মহাৰণ। উদ্বোধনী মেচখনত মেক্সিকোৱে অধিক জনপ্ৰিয়তা আৰু সমৰ্থন লাভ কৰে। কাৰণ গেলাৰীত উপস্থিত ৮০, ৮২৪জন সমৰ্থক আছিল ঘৰুৱা। লগতে ষ্টেডিয়ামখন মেক্সিকোৰ ঘৰুৱা মাটি। মেক্সিকো চহৰৰ এই ষ্টেডিয়ামখন প্ৰায় ৭,৩০০ ফুট উচ্চতাত নিৰ্মাণ কৰা হৈছে। ঘৰুৱা দলটোৰ ৬ পৃষ্ঠাত



# বিশিষ্ট সমাজকৰ্মী, অৱসৰী কৃতী শিক্ষক তথা ভাষা সেনানী ইন্দ্ৰ শৰ্মা শিৱাকোটিৰ মৃত্যু; শোকস্তব্ধ ওদালগুৰি

**অসম বাৰ্তা, গোৰেশ্বৰ, ১২ জুন ঃ** তামোলপুৰ জিলাৰ সীমান্তৱৰ্তী ওদালগুৰি জিলাৰ শুক্লাই অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, অৱসৰী কৃতী শিক্ষক তথা ভাষা সেনানী ইন্দ্ৰ শৰ্মা শিৱাকোটিৰ মৃত্যুত আজি সমগ্ৰ ওদালগুৰি জিলাত শোকৰ ছাঁ পৰিছে। ১৯৪২ চনত অবিভক্ত দৰং জিলাৰ শিঙৰীত জন্মগ্ৰহণ কৰা ইন্দ্ৰ শৰ্মা শিৱাকোটীয়ে পৰৱৰ্তী সময়ত ওদালগুৰি জিলাৰ শুক্লাইত স্থায়ীভাৱে বসবাস কৰি আহিছিল। শিক্ষকতা জীৱনত তেওঁ শুক্লাইখুঁটি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কৰ্মৰত থাকি অঞ্চলটোত এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁ শিক্ষকতা জীৱনত অসামান্য অৱদানৰ বাবে 'কৃতী শিক্ষক' সন্মানেৰে সন্মানিত হৈছিল। সমগ্ৰ অঞ্চলটোত এগৰাকী বিশিষ্ট সমাজকৰ্মী হিচাপে পৰিচিত ইন্দ্ৰ শৰ্মা শিৱাকোটিয়ে শুক্লাই সেৱক সংঘ, শুক্লাই সমবায় সমিতি আৰু শুক্লাই নেহৰু মেম'ৰিয়েল হাইস্কুল স্থাপনৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰিছিল। তেওঁ এগৰাকী সুদক্ষ নাট্যকৰ্মী হিচাপেও সুপৰিচিত আছিল। বিশেষকৈ ১৯৬৫-৬৬ চনত শুক্লাই অঞ্চলত নাট্য আন্দোলনৰ আগধৰোঁতা হিচাপে বিভিন্ন নাটকত অভিনয় কৰি সাংস্কৃতিক ক্ষেত্ৰখনক সমৃদ্ধ কৰিছিল। এসময়ত ভাষা আন্দোলনত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি ছিকিম, দাৰ্জিলিং আৰু দিল্লীলৈ গৈ আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত আগভাগ লৈছিল। গোৰ্খা সমাজৰ সংগঠনমূলক কাম-কাজতো ওতপ্ৰোতভাৱে জড়িত হোৱা ইন্দ্ৰ শৰ্মা শিৱাকোটিয়ে অসম গোৰ্খা সন্মিলনৰ ওদালগুৰি জিলা সমিতিৰ সৈতে দীৰ্ঘ সময় ধৰি জড়িত থকাৰ পিছত অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় উপ-সভাপতি হিচাপেও দায়িত্ব পালন কৰিছিল। ৰাজনৈতিক ক্ষেত্ৰতো তেওঁৰ উল্লেখযোগ্য অৱদান আছিল। এসময়ত অসম গণ পৰিষদৰ সংগঠন শক্তিশালী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰা শিৱাকোটীয়ে পৰৱৰ্তী সময়ত বিটিচি অঞ্চলৰ প্ৰধান আঞ্চলিক দল বিপিএফৰ সৈতে জড়িত হৈ সমাজৰ উন্নয়নৰ স্বাৰ্থত বিভিন্ন কাম কৰিছিল। যোৱা কেইমাহমান ধৰি অসুস্থতাত ভুগি চিকিৎসাধীন অৱস্থাত আজি তেওঁৰ নিজ বাসগৃহতে পৰলোকপ্ৰাপ্তি ঘটে। আজি পাঁচ শতাধিক লোকৰ উপস্থিতিত তেওঁক শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। তেওঁৰ বিয়োগে শুক্লাই তথা সমগ্ৰ ওদালগুৰি জিলাৰ সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক ক্ষেত্ৰত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে। ইপিনে, তেওঁৰ মৃত্যুত অসম গোৰ্খা সন্মিলন, অসম নেপালী সাহিত্য সভা, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, ডিমাকুছি স্বৰ্ণ সাহিত্য সভা, ডিমাকুছি শাখা ছাত্ৰ সন্থা, শুক্লাই ব্যৱসায়ী সন্থা, ডিমাকুছি প্ৰেছ ক্লাব, আৰ্য সমাজ আৰু শুক্লাই প্ৰাথমিক শিক্ষক সন্মিলনকে ধৰি অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# ৰঙিয়াত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠীৰ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, ৰঙিয়া, ১২ জুন ঃ** ৰঙিয়া নগৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত বৃদ্ধি পোৱা ড্ৰাগছৰ ব্যৱসায়, জুৱা আদি অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবীত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলন, ৰঙিয়া জিলা সমিতিয়ে আজি ৰঙিয়া সম-জিলা আয়ুক্তৰ জৰিয়তে চৰকাৰলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত উল্লেখ কৰা অনুসৰি, বৰ্তমান সময়ত ৰঙিয়া নগৰকে ধৰি বিভিন্ন অঞ্চলত চুৰি-ডকাইতি, নিচাযুক্ত সামগ্ৰীৰ প্ৰচলন আদি বিভিন্ন অপৰাধমূলক কাৰ্যকলাপ বৃদ্ধি পাইছে। ইয়াৰ ফলত সাধাৰণ লোকৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা বিঘ্নিত হোৱাৰ লগতে সামাজিক পৰিৱেশো ক্ৰমাৎ অৱনতি ঘটিছে। সন্মিলনে অভিযোগ কৰে যে, অবাধভাৱে চলি থকা মদ, ভাং, ড্ৰাগছ আৰু জুৱাৰ দৰে কাৰ্যকলাপে যুৱ সমাজক বিপথে পৰিচালিত কৰাৰ উপৰিও সামাজিক স্থিতিশীলতালৈ ভাবুকি কঢ়িয়াই আনিছে। বাহিৰাগত কিছুমান লোকৰ জড়িত হোৱাৰ ফলত এই সমস্যা অধিক জটিল কৰি তুলিছে বুলিও স্মাৰক পত্ৰখনত উল্লেখ কৰা হৈছে। এই পৰিস্থিতিত অঞ্চলটোৰ শান্তি-শৃংখলা আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ স্বাৰ্থত জড়িত ব্যক্তিসকলৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে প্ৰশাসনক দাবী জনায় সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলন, ৰঙিয়া জিলা সমিতিয়ে। উল্লেখ্য যে, সংগঠনটোৰ সভাপতি ৰাজেন কলিতা আৰু সাধাৰণ সম্পাদক কুলদীপ লহকৰে স্মাৰক পত্ৰখনত স্বাক্ষৰ কৰে।

# ডুমডুমাত "ৰূপকোঁৱৰৰ দিৱস" উদ্‌যাপনৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১২ জুন ঃ** অসমৰ মহান শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম দিৱসটি অহা ১৭ জুন বুধবাৰে অনুষ্ঠিত কৰাৰ আয়োজন কৰিছে। বিগত বছৰবোৰৰ দৰে এই বছৰো ১৭ জুন তাৰিখে শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণ শিশু উন্নয়ন পুঁজিৰ উদ্যোগত আৰু ডুমডুমা মইনা পাৰিজাতৰ সহযোগত তিনিচুকীয়া জিলাৰ ডুমডুমাস্থিত ডুমডুমা দিপ্তী নৃত্যালয়ৰ প্ৰাঙ্গনত দিনযোৱা কাৰ্যসূচীৰে ৰূপকোঁৱৰ দিৱস উদযাপন কৰিবলৈ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে- "জন্ম আৰু মৃত্যুৰ মাজত যি দৰে আনন্দ আৰু শোক প্ৰকাশ পায়, সেই অনুভূতিৰেই শ্ৰদ্ধাৰ ব্যক্তিসকলৰ স্মৃতি গ্ৰহণ কৰা উচিত।" এই বাক্যশাৰীক সাৰোগত কৰি অসমৰ এগৰাকী বিশিষ্ট শিশু সেৱক, শিল্পী, লেখক শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ লগতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰো মৃত্যু দিৱস উদযাপন কৰাৰ বিপৰীতে জন্ম দিৱস বিস্তৃত কাৰ্যসূচীৰে ২০১৪ চনৰে পৰা নিজা উদ্যোগত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সহযোগত পালন কৰি আহিছে। ১৪ বছৰৰ অনুৰ্ধ্ব শিশুসকলৰ দ্বাৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা, তেখেতৰ গীতৰ আধাৰত সৃষ্টিশীল নৃত্য আদি পৰিবেশন হ'বলগীয়া উক্ত "ৰূপকোঁৱৰৰ দিৱস" উদ্‌যাপনৰ কাৰ্যসূচীত সাংস্কৃতিকপ্ৰেমী ৰাইজৰ উপস্থিতি একান্তই কামনা কৰিছে আয়োজক সমিতিয়ে।

## মেৰামতিৰ দাবীৰে ৰে'ল কৰ্তৃপক্ষ-বিধায়কক স্থানীয় ৰাইজ-ব্যৱসায়ীৰ স্মাৰকপত্ৰ

# চাপৰমুখ ৰে'ল জংচনলৈ যোৱা পথৰ দুৰৱস্থা

**অসম বাৰ্তা, ৰহা, ১২ জুন ঃ** উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং ডিভিজনৰ অন্তৰ্গত চাপৰমুখ ৰে'ল জংচন পথৰ চাপৰমুখ টাউন বজাৰ তিনিআলিৰ পৰা দুই নং প্লেটফৰ্ম সংযোগী পথৰ দুৰৱস্থাই ৰে'ল যাত্ৰী তথা স্থানীয় ৰাইজক চৰম হাৰাশাস্তি সন্মুখীন হৈছে। অভিযোগ অনুসৰি জানিব পৰা গৈছে যে ৰে'ল বিভাগে ৰে'ল ষ্টেচনসমূহৰ আধুনিকীকৰণ আৰু সৌন্দৰ্যবৰ্ধনৰ নামতে কোটি কোটি টকা খৰচ কৰিছে যদিও ৰে'ল যাত্ৰীসকলৰ ন্যূনতম সা-সুবিধাখিনিৰ প্ৰতি সদায় অৱহেলা কৰি আহিছে। তাৰ উদাহৰণ হিছাপে চাপৰমুখ ৰে'ল জংচনেৰে দুই নং প্লেটফৰ্মলৈ যোৱা সামান্য পথটোৱেই আজিলৈকে ৰে'ল বিভাগে মেৰামতি কৰিবলৈ সমৰ্থ নহ'ল। চাপৰমুখ তিনিআলিৰ পৰা দুই নং প্লেটফৰ্মলৈ যোৱা এই পথছোৱা কেইবাবছৰ ধৰি পুনৰ্নিৰ্মাণ বা মেৰামতিৰ কোনো ব্যৱস্থা



নকৰাত বৰ্তমান এই পথছোৱাত বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱাৰ ফলত আৰু বৰষুণ দিলেই গাঁতবোৰত পানী জমা হৈ থকা বাবে বোকা-পানীৰ মাজেৰেই বছৰ বছৰ ধৰি ৰে'ল যাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজে এই পথেৰে বহু কষ্টৰে আহ-যাহ কৰিবলগীয়া হৈছে। আনহাতে পথছোৱাত পানী ওলাই যাব পৰাকৈ কোনো নলাৰো ব্যৱস্থা নথকাত বৰষুণৰ পানী বহুদিনলৈকে জমা হৈ থকাৰ ফলত পথৰ কাষৰ বাসিন্দা, ব্যৱসায়ীসকল-দৈনন্দিন কাম-কাজৰ লগতে ব্যৱসায়ৰ ক্ষেত্ৰতো ভীষণ অসুবিধাৰ সন্মুখীন হৈ আহিছে। এই পথছোৱা কিছু ওখ কৰি নলাৰ সু-ব্যৱস্থা কৰি পুনৰ মেৰামতি কৰাৰ বাবে ৰাইজে বিভাগক বহু আবেদন জনাইছে যদিও ৰে'ল বিভাগে আজিলৈকে ৰাইজ আৰু ৰে'ল যাত্ৰীৰ সমস্যাৰ প্ৰতি গুৰুত্ব নিদিলে। পথছোৱাৰ অৱস্থা দিনক দিনে শোচনীয় হৈ পৰাত কালি স্থানীয় ৰাইজ আৰু ব্যৱসায়ীসকলে মিলি ৰহাৰ স্থানীয় বিধায়ক শশীকান্ত দাসৰ লগতে ৰে'ল বিভাগৰ লামডিং ডিভিজনেল ৰে'লৱে মেনেজাৰক লগ ধৰি এখন স্মাৰকপত্ৰৰ জৰিয়তে জৰাজীৰ্ণ পথছোৱা অতি শীঘ্ৰে মেৰামতি কৰাৰ দাবী জনায়। ৰাইজ তথা ব্যৱসায়ীসকলৰ সাক্ষাতৰ সময়ত প্ৰতিনিধিৰ দলটোক ৰে'ল বিভাগৰ ডিভিজনেল মেনেজাৰগৰাকীয়ে বিষয়টো গুৰুত্বসহকাৰে লৈ অতিশীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়া বুলি জানিব পৰা গৈছে। আনহাতে বিধায়কগৰাকীয়েও এই বিষয়টোত গুৰুত্ব সহকাৰে লৈ এই অসুবিধা দূৰ কৰা আশ্বাস প্ৰদান কৰিছে।

# শিশু আলোচনী জোনাকী মেল আৰু উন্নাভৰ পাঁচখনকৈ গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১২ জুন ঃ** যোৱা ৮-০৬-২০২৬ তাৰিখে অসমীয়া ভাষা সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ স্বাৰ্থত যুগসাপেক্ষ স্থিতিত ডিজিটেল প্ৰকাশন 'ত্ৰাতৃ'ৰ মাধ্যমেৰে গ্ৰন্থ প্ৰকাশেৰে আত্মপৰিচয় গঢ়ি তোলা এক সাহিত্য গোষ্ঠী 'উন্নাভ'ৰ উদ্যোগত ছয়খনকৈ গ্ৰন্থ উন্মোচন হয়। ড° প্ৰান্তিকা শৰ্মাৰ দ্বাৰা সঞ্চালিত, অনলাইন মাধ্যমেৰে হোৱা এই অনুষ্ঠানত উন্নাভৰ মুখ্য উপদেষ্টা, জলপাইগুড়ি দুৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী বিষয়া মৃদুল শৰ্মাই প্ৰস্তাৱিক ভাষণ আগবঢ়ায়। 'উন্নাভ'ৰ প্ৰধান সম্পাদক মৃদুস্মিতা শৰ্মাৰ সম্পাদনাত প্ৰকাশিত শিশু আলোচনী 'জোনাকী মেল'ৰ তৃতীয় বৰ্ষৰ প্ৰথম সংখ্যাটি উন্মোচন কৰে বিজ্ঞান সাহিত্যক জনপ্ৰিয় কৰণৰ বাবে ৰাষ্ট্ৰীয় বঁটা প্ৰাপক লেখক অভিজিত শৰ্মা বৰুৱাই। প্ৰহেলিকা কৌশিকৰ সম্পাদনাত প্ৰকাশিত পদ্মশ্ৰী মহিম বৰা বিশেষ উন্নাভ নগাঁও সংখ্যাটি উন্মোচন কৰে অসম চৰকাৰৰ উচ্চ পদস্থ আৰক্ষী বিষয়া তথা বৰেণ্য সাহিত্যিক ড° নন্দ সিং বৰকলাই। তেখেতে ভাষণ প্ৰসংগত অসমৰ নমস্য সাহিত্যিক সকলৰ ৰচনাৰাজিৰ ই-সংকলন কৰাৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত অসমৰ অগ্ৰণী পৰিৱেশ কৰ্মী লেখক অনুবাদক গিৰিমল্লিকা শইকীয়াই উন্মোচন কৰে পাপৰি দেৱী আৰু কল্পনা দেৱী সম্পাদিত উন্নাভ নলবাৰীৰ পৰা প্ৰকাশিত পৰিৱেশ্য কলা বিষয়ক সংখ্যাটি। অসম সাহিত্য সভাৰ বৰ্তমানৰ উপ সভাপতি পদুম ৰাজখুৱাই বৰ্ণালী গোস্বামী সম্পাদিত উন্নাভ ডুলীয়াজান, ৰঙালী বিহু বিশেষ সংখ্যাটি উন্মোচন কৰে। বিশিষ্ট সাহিত্য সংগঠক ৰাজখোৱাদেৱে অন্তৰস্পৰ্শী বক্তব্যৰে অসমৰ সুৰীয়া মাতৰ বিপন্নতা তথা অসমীয়া জাতীয় কৃষ্টি সংস্কৃতিৰ বিপদজনক স্থিতি সম্পৰ্কে সকলোকে সচেতন কৰি তোলে। যোৰহাটৰ পৰা প্ৰকাশিত উন্নাভৰ কাব্য সংকলন 'যুগান্তৰ' উন্মোচন কৰে বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ত্ৰিদিব কুমাৰ গোস্বামীয়ে। গোস্বামীদেৱে উন্নাভৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ সমূহৰ সমালোচনাত্মক বিশ্লেষণ হোৱাৰ বাবে আৰু সেইসমূহ 'ত্ৰাতৃ'ৰ জৰিয়তে প্ৰযুক্তিগতভাৱে সংৰক্ষিত হোৱাৰ ব্যৱস্থাৰ বাবে ত্ৰাতৃৰ স্বত্বাধিকাৰী ত্ৰিদিপ বৰুৱা আৰু উন্নাভৰ মুখ্য সম্পাদক মৃদুস্মিতা শৰ্মাক আহ্বান জনায়। এই অনুষ্ঠানতেই মৃদুস্মিতা শৰ্মাৰ সম্পাদনাত প্ৰকাশিত বিশ্ব কবিতা দিৱস উপলক্ষে আয়োজিত কবিতা প্ৰতিযোগিতাৰ সংগৃহীত কবিতাৰ সংকলন 'স্পন্দিত কলৰোল' উন্মোচন কৰে উন্নাভৰ মুখ্য উপদেষ্টা মৃদুল শৰ্মাই। ছয়খনকৈ পুথি উন্মোচনৰ এই অনুপম অনুষ্ঠানত ত্ৰাতৃৰ স্বত্বাধিকাৰী ত্ৰিদিপ বৰুৱাই অসমীয়া ভাষা সাহিত্যৰ প্ৰযুক্তিগত আন্দোলনত ডিজিটেল প্ৰকাশন আৰু ই বুক প্লেটফৰ্মৰ যুগসাপেক্ষে পদক্ষেপৰ গুৰুত্ব সম্পৰ্কে প্ৰয়োজনীয় বক্তব্য আগবঢ়াই। অনুষ্ঠানটিত নিৰ্মিতা বৰগোহাঁই, প্ৰণামিকা শৰ্মা, তোযেশ্বৰ মিৰি আগৰৱালা, হিমাক্ষী ডেকা, দৰ্শনা গোস্বামী, মণিৰূপা মিশ্ৰ, গায়ত্ৰী দেৱী বৰঠাকুৰ, ৰীতা কোঁৱৰ, পূৰৱী হাজৰিকা, আঞ্জুম আৰা হোছেইন, নৱনীতা শৰ্মা, মাধন ভূঞা, ড° ভাৰতী দত্ত, মনীষা শৰ্মা, ৰুলী গোঁহাই. নীলাঞ্জনা দেৱী বৰুৱা, প্ৰীতম বৰ্মন, দীপা শইকীয়া, বুবুল কুমাৰ শৰ্মা, ড° মঞ্জু হালৈ, নজৰুল ইছলাম, শেৱালি বৰ্মন, জয়ন্ত দাস, কল্পনা দত্ত, দিলীপ ভট্টাচাৰ্য, মুন শৰ্মা, নলিনী কুমাৰ মজুমদাৰ, দীপজ্যোতি দাস, অলকা বৰঠাকুৰ, অমিয়া গোস্বামী, মাধন ভূঞা, ড° অঞ্জনা গোস্বামী, দীপশিখা হাজৰিকা বৰা, প্ৰণৱ কুমাৰ শৰ্মা, লখিমী মহন্ত, বন্তি বৰা আদি ভালেসংখ্যক সাহিত্যপ্ৰেমী উপস্থিত থকা অনুষ্ঠানটি শান্তি মন্ত্ৰেৰে অন্ত পৰে।

# গৌৰীপুৰৰ মহামায়া খেলপথাৰৰ পৰা ছাগলীয়ালৈকে সহস্ৰাধিক দলীয় কাৰ্যকৰ্তাৰ বাইক ৰেলী

**অসম বাৰ্তা, গৌৰীপুৰ, ১২ জুন ঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব। শৰ্মাৰ মন্ত্ৰী সভাত কেবিনেট মন্ত্ৰী হিচাপে গোলকগঞ্জ বিধানসভা সমষ্টিৰ বিধায়ক অশ্বিনী ৰায় সৰকাৰে অন্তৰ্ভুক্ত পাছতে নিজ সমষ্টিৰ অন্তৰ্গত গৌৰীপুৰত উপস্থিত হয় মন্ত্ৰী গৰাকীয়ে। বিজেপি গৌৰীপুৰ মণ্ডল কমিটিৰ লগতে বিভিন্ন দল-সংগঠনে উষ্ম আদৰণি জনায় মন্ত্ৰী গৰাকীক। মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে পোনে পোনে ঐতিহ্য মণ্ডিত গৌৰীপুৰ চহৰত উপস্থিত হৈ গৌৰীপুৰ চহৰস্থিত গণেশ মন্দিৰত উপস্থিত হৈ শ্ৰী গণেশ দেৱক সেৱা জনাই গৌৰীপুৰ মহামায়া খেলপথাৰত উপস্থিত হয় আৰু তাৰ পাছতে গৃহস্থান ছাগলীয়া লৈ ৰাওনা হয় আৰু তাৰ লগে লগে দলীয় কৰ্মকৰ্তা সকলে বাইক ৰেলী কৰি মন্ত্ৰী গৰাকীৰ গৃহলৈ ৰাওনা হয়। আৰু ৰাস্তাৰ ঠায়ে ঠায়ে গোলকগঞ্জ সমষ্টিবাসী দলীয় কৰ্মকৰ্তাৰ লগতে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰ সকলে সম্বৰ্ধনা জনায়।

## জুইত জাহ গ'ল ১০ লক্ষাধিক টকাৰ মটৰ পাৰ্টচৰ দোকান

# হেলেনৰ গো-শালাত বিধ্বংসী অগ্নিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ১২ জুন ঃ** হেলেম আৰক্ষী থানাৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্তৱৰ্তী কাৰিবিল বঙালীৰ গো-শালাত আজি পুৱা প্ৰায় ৭-৫০ বজাত সংঘটিত হয় এক বিধবংসী অগ্নিকাণ্ড। উক্ত অগ্নিকাণ্ডৰ ফলত নিৰ্মল বিশ্বকৰ্মা নামৰ ব্যৱসায়ী জনৰ "আৰোছ আৰোহি মৰ্টছ" নামৰ ট্ৰেক্টৰ আৰু মটৰ চাইকেলৰ মটৰ পাৰ্টচৰ দোকানখন নিমিষতে ভস্মীভূত হয়। উক্ত অগ্নিকাণ্ডৰ ফলত নিৰ্মল বিশ্বকৰ্মাৰ উক্ত ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰায় ১০/১২ লক্ষাধিক টকাৰ বিভিন্ন প্ৰকাৰৰ মটৰ পাৰ্টচ জ্বলি ভস্মীভূত হয়। তদুপৰি উক্ত ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে লাগি থকা পুনম বিশ্বকৰ্মাৰ "আৰোছ এণ্টাৰ প্ৰাইজ" নামৰ কাপোৰৰ বিপনীখনতো জুইৰ সূত্ৰপাত হয়। ফলত উক্ত কাপোৰৰ দোকানখনৰ প্ৰায় এক-ডেৰলাখ টকাৰ কাপোৰ জুইত জাহ যায়। স্থানীয় ৰাইজে জুই নিৰ্বাপনৰ চেষ্টা কৰে যদিও নিৰ্মল বিশ্বকৰ্মাৰ মটৰ পাৰ্টচৰ দোকানখন ৰক্ষা কৰিব নোৱাৰিলে যদিও পুনম বিশ্বকৰ্মাৰ কাপোৰৰ দোকানখন স্থানীয় ৰাইজৰ তৎপৰতাত কিছু ৰক্ষা পৰে। পলমকৈ আহি অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি ঘটনাস্থলীত উপস্থিত হৈ তৎপৰতা প্ৰদৰ্শন কৰে যদিও তেতিয়ালৈকে মটৰ পাৰ্টচৰ দোকানখন সম্পূৰ্ণৰূপে জুইত জাহ যায়। উল্লেখ্য যে-ব্যৱসায়ী নিৰ্মল বিশ্বকৰ্মাই বন্ধন বেংকৰ মিছামাৰী শাখাৰ পৰা লোন লৈ উক্ত মটৰ পাৰ্টচৰ দোকানখন স্থাপন কৰিছিল। অতি দুৰ্ভাগ্যজনকভাৱে আজি পুৱা তেওঁৰ মটৰ পাৰ্টচৰ দোকানখন সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ ফলত এতিয়া লোনৰ কিস্তি পৰিশোধ কৰাৰ ক্ষেত্ৰত ভীষণ সমস্যাত পৰিছে তেওঁ। এইক্ষেত্ৰত স্থানীয় ৰাইজে নিৰ্মল বিশ্বকৰ্মাৰ উক্ত লোন ৰেহাই দিয়াৰ ব্যৱস্থা কৰিবলৈ বেংক কৰ্তৃপক্ষৰ ওচৰত আহ্বান জনাইছে। বৈদ্যুতিক চৰ্ট চাৰ্কিটৰ ফলতে উক্ত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে। উক্ত ব্যৱসায়ী দুগৰাকীক চৰকাৰীভাৱে উপযুক্ত ক্ষতিপূৰণৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ-প্ৰশাসনৰ ওচৰত স্থানীয় ৰাইজে দাবী জনাইছে।

# অনুশাসন উলংঘাৰ গুৰুতৰ অভিযোগত মৰিগাঁও জিলা তিৱা ছাত্ৰ সন্থা ভংগ

## সভাপতিসহ তিনি নেতাক বহিষ্কাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ মৰিগাঁও, ১২ জুন ঃ** সদৌ তিৱা ছাত্ৰ সন্থা চমুকৈ এটছুৰ সংবিধান, নীতি-আদৰ্শ আৰু শৃংখলা ভংগ কৰাৰ গুৰুতৰ অভিযোগত মৰিগাঁও জিলা তিৱা ছাত্ৰ সন্থাৰ পূৰ্ণাংগ সমিতিখন আজি ভংগ কৰি দিয়াৰ লগতে তিনিগৰাকী শীৰ্ষ নেতাক সংগঠনৰ পৰা তাৎক্ষণিকভাৱে বহিষ্কাৰ কৰিছে সদৌ তিৱা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে। আজি প্ৰকাশ কৰা এক বিবৃতিযোগে কেন্দ্ৰীয় সমিতিৰ সভাপতি বিমান প্ৰতিম মাছৰেং আৰু সাধাৰণ সম্পাদক প্ৰমোদ ছাগ্ৰাই এই কঠোৰ সাংগঠনিক সিদ্ধান্তৰ কথা সদৰী কৰিছে। উল্লেখ্য যে যোৱা ৯ জুনত নগাঁও জিলাৰ কঠীয়াতলিৰ মা মনসা ভৱন প্ৰাংগনত সদৌ তিৱা ছাত্ৰ সন্থাৰ এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হৈছিল। সংগঠনৰ স্বাৰ্থ, আভ্যন্তৰীণ শৃংখলা আৰু সংবিধান সুৰক্ষাৰ উদ্দেশ্যে অনুষ্ঠিত এই জৰুৰী সভাতে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈছিল। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখনৰ সিদ্ধান্ত অনুসৰি, যোৱা ৬ জুনত মৰিগাঁও জিলা তিৱা ছাত্ৰ সন্থাৰ সভাপতি দীপংকৰ মাছলাইয়ে সংগঠনৰ বাহিৰৰ একাংশ ব্যক্তিক লগত লৈ জিলাখনৰ নেলী পঞ্চায়ত প্ৰেক্ষাগৃহত এখন সংবাদমেল অনুষ্ঠিত কৰি কেন্দ্ৰীয় সমিতিক 'অবৈধ' বুলি মন্তব্য কৰাৰ লগতে সন্থাই ঘোষণা কৰা প্ৰতিবাদী মানৱ শৃংখল কাৰ্যসূচীৰ তীব্ৰ বিৰোধিতা কৰিছিল। আনহাতে যোৱা ৮ জুনত সদৌ তিৱা ছাত্ৰ সন্থা আৰু সহযোগী জাতীয় সংগঠনসমূহৰ উদ্যোগত এক প্ৰতিবাদী মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। উক্ত কাৰ্যসূচী সমাপ্ত হোৱাৰ পিছতে মৰিগাঁও জিলা সমিতিৰ সভাপতি দীপংকৰ পাটৰ আৰু উপ-সভাপতি ভৃগু বৰদলৈয়ে বহিষ্কৃত নেতা দীপংকৰ মাছলাইৰ সহযোগত এক গোপন অভিসন্ধিত লিপ্ত হৈছিল। সহযোগী জাতীয় সংগঠনসমূহ আৰু খিলঞ্জীয়া ৰাইজক সম্পূৰ্ণ অন্ধকাৰত ৰাখি তেওঁলোকে মন্ত্ৰী পীযুষ হাজৰিকাৰ সৈতে প্ৰস্তাৱিত জাগীৰোড উপগ্ৰহীয় চহৰ (Satellite Township) সন্দৰ্ভত এক গোপন বৈঠকত মিলিত হৈছিল। উক্ত বৈঠকত সংগঠনৰ আভ্যন্তৰীণ তথা গোপন বিষয়সমূহ মন্ত্ৰীৰ আগত প্ৰকাশ কৰা হৈছিল। ইয়াৰ জৰিয়তে চলি থকা গণ আন্দোলন আৰু খিলঞ্জীয়াৰ সংগ্ৰামক দুৰ্বল কৰাৰ এক অপচেষ্টা চলোৱা হৈছিল। এই কাৰ্যক সংগঠনৰ নীতি আৰু শৃংখলাৰ সম্পূৰ্ণ পৰিপন্থী বুলি বিবেচনা কৰি এটছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাই দীপংকৰ পাটৰ আৰু ভৃগু বৰদলৈকো সংগঠনৰ প্ৰাথমিক সদস্যপদৰ পৰা তাৎক্ষণিকভাৱে বহিষ্কাৰ কৰাৰ সিদ্ধান্ত লয়। আটছুৰ কেন্দ্ৰীয় সভাপতি বিমান প্ৰতিম মাছৰেং আৰু সাধাৰণ সম্পাদক প্ৰমোদ ছাগ্ৰাই স্পষ্ট কৰি দিয়ে যে, সংগঠনৰ সংবিধান, শৃংখলা আৰু গণ আন্দোলনৰ স্বাৰ্থৰ বিৰুদ্ধে যোৱা কোনো কাৰ্যই কোনো পৰিস্থিতিতে সহ্য কৰা নহ'ব। সংগঠনৰ ঐক্য অটুট ৰখাৰ লগতে তিৱা জনগোষ্ঠী আৰু ভূমিপুত্ৰ-খিলঞ্জীয়া জনগণৰ ন্যায্য অধিকাৰ সুৰক্ষাৰ স্বাৰ্থত ভৱিষ্যতেও এনে কঠোৰ সাংগঠনিক ব্যৱস্থা গ্ৰহণ কৰি যোৱা হ'ব বুলি বিবৃতিটোত স্পষ্ট ভাৱে উল্লেখ কৰে।

# মাকুম খেতুগুটিবাৰীত বন্যহস্তীৰ উপদ্ৰৱ

**অসম বাৰ্তা, মাকুম, ১২ জুন ঃ** মাকুম ধূলিজান অঞ্চলৰ খেতুগুটিবাৰী গাঁৱত পুৱতি নিশা বন্যহস্তীয়ে পুনৰ উপদ্ৰৱ চলাই এজন লোকৰ বাসগৃহ আৰু কৃষিজাত শস্য আদি ব্যাপক ক্ষতিসাধন কৰি থৈ যায়। তথ্য অনুসৰি গাঁওখনৰ নিবাসী কল্যাণজ্যোতি মৰাণৰ বাসগৃহত বন্যহস্তীয়ে প্ৰৱেশ কৰি বাসগৃহ লণ্ডভণ্ড কৰাৰ লগতে বাৰীত থকা তামোল-পাণ, কলগছ, শাক-পাচলি আদি বিভিন্ন কৃষিজাত শস্য গছকি নষ্ট কৰি ব্যাপক ক্ষতি সাধন কৰে। বন্যহস্তীয়ে বাস গৃহটো লণ্ডভণ্ড কৰাৰ সময়ত পৰিয়ালটো কথমপী ৰক্ষা পৰে। উল্লেখ্যযোগ্য যে, দীৰ্ঘদিন ধৰি নগাজান, বজালনী নগাঁও, ডিমৰুহোলা, ধূলিজান আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত আছে। নিশা হ'লেই জনবসতিপূৰ্ণ অঞ্চলত প্ৰৱেশ কৰি ঘৰ-বাৰী আৰু খেতিপথাৰৰ ক্ষতি সাধন কৰাত স্থানীয় ৰাইজ উদ্বিগ্ন হৈ পৰিছে। ইপিনে, বন্যহস্তীৰ উপদ্ৰৱ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বন বিভাগৰ তৰফৰ পৰা কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই বুলি অভিযোগ উত্থাপন কৰি শীঘ্ৰে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰি জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# পশ্চিম মঙলদৈ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত প্ৰকল্প উপস্থাপন প্ৰতিযোগিতাৰ সামৰণি

## তিনিটা প্ৰকল্প জিলা পৰ্যায়লৈ বাছনি

**অসম বাৰ্তা, মঙলদৈ, ১২ জুন ঃ** অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অধীনত বিজ্ঞান অনুসন্ধান: শিশু বিজ্ঞান সমাৰোহ তথা ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযানৰ অধীনত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ পশ্চিম মঙলদৈ খণ্ডৰ সৌজন্যত বুধবাৰে পিএমশ্ৰী মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞানভিত্তিক প্ৰকল্প উপস্থাপন প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। প্ৰতিযোগিতাৰ আৰম্ভণিতে বিশিষ্ট গণিতজ্ঞ আৰ্যভট্টৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিনটোৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক হিৰণ্য কুমাৰ নাথে আৰু জনতা ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ মুকুল কলিতাই বিচাৰক হিচাপে থাকি জিলা পৰ্যায়লৈ তিনিটা প্ৰকল্প বাছনি কৰে। আৰম্ভণিতে হিৰণ্য কুমাৰ নাথে প্ৰকল্প প্ৰস্তুত কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলৰ কি কি দক্ষতাৰ বিকাশ ঘটে সেই সম্পৰ্কে চমুকৈ আলোকপাত কৰে, লগতে প্ৰকল্প আৰু মডেলৰ মাজত থকা পাৰ্থক্য সম্পৰ্কেও স্পষ্ট কৰি দিয়ে। এই প্ৰতিযোগিতাত মুঠ দহটা প্ৰকল্প উপস্থাপন হয়। খণ্ড সমন্বয়ক পুষ্প কলিতাই উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতে মঙলদৈ গাৰ্লছ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অৱসৰী শিক্ষক মহেশ্বৰ নাথ আৰু মুকুল কলিতাই অংশগ্ৰহণকাৰীসকলৰ উদ্দেশ্যে বক্তব্য আগবঢ়ায়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ পৰা সমন্বয়কৰ লগতে ছিপাঝাৰ কেন্দ্ৰৰ সমন্বয়ক শ্ৰীমন্ত বৰুৱা, সদস্য ৰঞ্জন শৰ্মা উপস্থিত থাকে। ছাত্ৰী আৰু গাইড শিক্ষকসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। আজি বাছনি হোৱা বিদ্যালয়সমূহৰ শ্ৰেষ্ঠ তিনিটা প্ৰকল্প জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

# গোলাঘাটৰ চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীৰ বাবে বিশেষ যাতায়ত সেৱাৰ শুভাৰম্ভ

## জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ অনন্য পদক্ষেপ

**অসম বাৰ্তা, দেৰগাঁও, ১১ জুন ঃ** গোলাঘাট জিলাৰ চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীসকলৰ সুৰক্ষিত আৰু নিয়মীয়া বিদ্যালয় গমন নিশ্চিত কৰাৰ উদ্দেশ্যে গোলাঘাট জিলা প্ৰশাসন তথা শিক্ষা বিভাগৰ উদ্যোগত এক বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। সমগ্ৰ শিক্ষা অভিযানৰ অধীনত চলিত বৰ্ষত জিলাখনৰ ১১খন বিদ্যালয়ৰ বাবে এক বিশেষ বিনামূলীয়া যাতায়ত সেৱাৰ ব্যৱস্থা কৰা হৈছে। আজি এক আনুষ্ঠানিক কাৰ্যসূচীৰ জৰিয়তে এই যাতায়ত সেৱাৰ শুভ উদ্বোধন সম্পন্ন কৰা হয়। এই বিশেষ আঁচনিৰ অধীনত জিলাখনৰ প্ৰায় ২৫খন চাহ বাগিচাক সাঙুৰি লৈ মুঠ ১১খন বিদ্যালয়ৰ ৪৮০ গৰাকী শিক্ষাৰ্থীক সম্পূৰ্ণ বিনামূলীয়া যাতায়ত সেৱা প্ৰদান কৰা হ'ব, যাতে দূৰ-দূৰণিৰ ছাত্ৰ-ছাত্ৰীসকলে কোনো বাধা নোহোৱাকৈ সুৰক্ষিতভাৱে ঘৰৰ পৰা বিদ্যালয়লৈ অনা-নিয়া কৰিব পাৰে। জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ এই যোগাত্মক পদক্ষেপে শিক্ষাৰ্থীসকলৰ বিদ্যালয় আধাতে এৰা সমস্যা হ্ৰাস কৰাৰ লগতে তেওঁলোকৰ নিয়মীয়া উপস্থিতি বৃদ্ধি কৰাত বিশেষ ভূমিকা পালন কৰিব।

# সমাজকৰ্মী শ্যামাচৰণ ৰায়ৰ পৰলোকপ্ৰাপ্তি শোকবাৰ্তা; ৰঘুনাথ বিগ্ৰহ মন্দিৰ পৰিচালনা সমতিৰ

**অসম বাৰ্তা, সৃজনগ্ৰাম, ১২ জুন ঃ** বঙাইগাঁও জিলাৰ বটগুৰী অঞ্চলৰ ২ নং হুৰামাৰা নিবাসী সমাজকৰ্মী, জগদ্ধাত্ৰী মন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি শ্যামাচৰণ ৰায়ৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে শ্ৰীশ্ৰী ৰঘুনাথ বিগ্ৰহ মন্দিৰ, সত্ৰ পৰিচালনা সমিতিয়ে। যোৱা ২৬ মে'ত ইহসংসাৰ ত্যাগ কৰে বিশিষ্ট সমাজকৰ্মী শ্যামাচৰণ ৰায়ে। এক শোক বাৰ্তাত সত্ৰ পৰিচালনা সমিতিয়ে উল্লেখ কৰি কয় যে বটগুৰী আঞ্চলিক শ্ৰীশ্ৰী জগদ্ধাত্ৰী মন্দিৰ পৰিচালনা সমিতিৰ একাধাৰে কেইবাবছৰো সভাপতিৰ পদ অলংকৃত কৰা প্ৰয়াত ৰায়ে পাছলৈ সমিতিৰ অন্যতম উপদেষ্টা হিচাপে থাকিও অঞ্চলটোৰ সামাজিক দিশত যথেষ্ট অৱদান আগবঢ়াইছে। তেওঁৰ অতুলনীয় সামাজিক অৱদান স্মৰণীয় হৈ ৰ'ব অঞ্চলত। এসময়ৰ সৃজনগ্ৰামৰ ৰঘুনাথ বিগ্ৰহ মন্দিৰ, সত্ৰ পৰিচালনা সমিতিৰো সক্ৰিয় সদস্য ৰায়ে শেহতীয়াকৈ বঙাইগাঁৱত বসবাস কৰিও অঞ্চলটোৰ লগত সুসম্পৰ্ক বোজাই ৰাখি সত্ৰৰ বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়াই মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। তেওঁৰ মৃত্যু সমাজৰ এক অপূৰণীয় ক্ষতি হিচাপে অভিহিত কৰিছে সত্ৰ পৰিচালনা সমিতিয়ে। তেওঁক গভীৰ স্মৰণ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে ৰঘুনাথ বিগ্ৰহ মন্দিৰ, সত্ৰ পৰিচালনা সমিতিয়ে।

■ ৫খন অবৈধ ফাৰ্মাচী ছীল ■

# গৰৈমাৰীত ড্ৰাগছ পৰিদৰ্শকৰ বৃহৎ অভিযান

**অসম বাৰ্তা, গৰৈমাৰী, ১২ জুন ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী অডঞ্চলত আজি জিলা ঔষধ পৰিদৰ্শক বিভাগে এক বৃহৎ অভিযান চলাই ৫খনকৈ অনুজ্ঞাপত্ৰ বিহীন (লাইচেন্স নথকা) অবৈধ ফাৰ্মাচী ছীল কৰে। উল্লেখ যোগ্যযে দীৰ্ঘদিন ধৰি অঞ্চলটোত একাংশ অসাধু ব্যৱসায়ীয়ে প্ৰশাসনক অংগুষ্ঠ দেখুৱাই অবৈধ ফাৰ্মাচী চলাই আহিছিল। জানিব পৰামতে কামৰূপ জিলা ঔষধ পৰিদৰ্শকৰ দলৰ লগতে গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু স্থানীয় আৰক্ষীৰ সহযোগত আজি অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে যুটীয়া অভিযান চলায়। দলটোৱে গৰৈমাৰী বজাৰ, টুক্ৰাপাৰা, কানহাৰা আদি অঞ্চলত দীৰ্ঘদিন ধৰি চৰকাৰী নীতি-নিৰ্দেশনা উলংঘা কৰি চলাই থকা ঔষধৰ দোকানসমূহত অতৰ্কিতে অভিযান চলায়। অভিযানত প্ৰয়োজনীয় বৈধ নথিপত্ৰ তথা অনুজ্ঞাপত্ৰ দেখুৱাবলৈ অসমৰ্থ হোৱা ৫খনকৈ ফাৰ্মাচী ছীল কৰে। অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে চলোৱা অভিযানত কামৰূপ জিলা ঔষধ পৰিদৰ্শক ডাঃ এছ নাথ, সহকাৰী বিষয়া ধীৰেণ চৌধুৰী, গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কাশ্যপী কাশ্যপ, গৰৈমাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আব্দুল মোমিন অংশগ্ৰহণ কৰে। ইপিনে অনাগত দিনতো ভুৱা আৰু অনুজ্ঞাপত্ৰ বিহীন ফাৰ্মাচীৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব বুলি দলটোৱে জানিবলৈ দিয়ে।

# বকোত পুনৰ বকো কোচিং একাডেমীত প্ৰশিক্ষণ শুভাৰম্ভ

**অসম বাৰ্তা, বকো, ১১ জুন ঃ** কামৰূপ জিলাৰ বকো-ছয়গাঁও বিধানসভা সমষ্টিতৰ অন্তৰ্গত বকোৰ দ'দানপুৰ (ডন বস্কো)ৰ সমিপত সোমবাৰে পৰা পুনৰ শুভাৰম্ভ কৰা হৈছে বকো কোচিং একাডেমীত শিক্ষা দান। উল্লেখ্য যে বকোৰ উচ্চ শিক্ষিত যুৱক তথা অধ্যাপক ৰঞ্জন ৰাভাৰ একক প্ৰচেষ্টাত স্থাপন কৰা কোচিং একাডেমীখন এক আকস্মিক অগ্নিকাণ্ডত জ্বলি ভষ্মিভূত হৈছিল আৰু প্ৰশিক্ষণ কেন্দ্ৰটো কিছুদিন বন্ধ আছিল যদিও সেই কোচিং একাডেমীখন পুনৰ মুকলি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে ৰঞ্জন ৰাভাই। এই ক্ষেত্ৰত বহু সংখ্যক বৃহত্তৰ অঞ্চলটোৰ বহু বৌদ্ধিক সামাজিক লোকৰ লগত আলাপ আলোচনা কৰি কোচিং একাডেমীখন পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু আজি আনুষ্ঠানিকভাৱে মুকলি কৰে। আজি এক মাংগলিক পৰম্পৰাৰে বকো কোচিং একাডেমীখন শুভাৰম্ভ কৰে বকোৰ বিশিষ্ট শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীকান্ত শৰ্মাই। শিক্ষা প্ৰতিষ্ঠান খনৰ সঞ্চালক ৰঞ্জন ৰাভাই আঁত ধৰা অনুষ্ঠানত কোচিং একাডেমীৰ আৱশ্যকীয়তাৰ ওপৰত আলোকপাত কৰে লক্ষ্মীকান্ত শৰ্মাই। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী ৰমেন বৰা, যুৱ শিক্ষিত ছাত্ৰ কৰ্মী অবিনাশ বড়ো, বিজয় ৰাভা, দিবাকৰ ৰাভা, অন্যন্যা দাসৰ উপৰিও বহু প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ইফালে আজিৰ পৰা উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু এপিএছচি আৰু এডিআৰইৰ পাঠ্যক্ৰমৰ প্ৰশিক্ষণ শুভাৰম্ভ কৰা হৈছে বুলি জানিব দিয়ে সঞ্চালক ৰঞ্জন ৰাভাই।

# মঙলদৈত জাপানী এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ; আক্ৰান্ত এজন

**অসম বাৰ্তা, মঙলদৈ, ১২ জুন ঃ** দৰং জিলাত প্ৰায় প্ৰতি বছৰে বাৰিষা আগমনৰ লগে লগে প্ৰাদুৰ্ভাৱ ঘটে জাপানী এনকেফেলাইটিছ সদৃশ ৰোগৰ। চলিত বৰ্ষতো মঙলদৈ সমষ্টিৰ দুৰ্গা গাঁও, কমাৰপাৰাত এগৰাকী মহিলাৰ গাত ধৰা পৰে জাপানী এনকেফেলাইটিছ ৰোগ। মঙলদৈৰ দুৰ্গা গাঁও উপ-স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত ঔতলা কমাৰপাৰা গাঁৱত মানুহ এগৰাকীৰ গাত জাপানী এনকেফেলাইটিছ ওলাইছে। মহিলাগৰাকী প্ৰসৱকালীন কাৰণত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ গৈছিল। যোৱাৰ সময়ত তেওঁৰ জাপানী এনকেফেলাইটিছ সম্পৰ্কীয় একো সমস্যা নাছিল। মানুহগৰাকী যোৱা মে' মাহত ১৮ তাৰিখে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ গৈছিল আৰু দুদিন পিছত ২০ তাৰিখে তেওঁৰ এটি সন্তান জন্ম হয়। কিন্তু সন্তানটোৰ কিছু শাৰীৰিক অসুস্থতাৰ বাবে আই চি অ'ত ৰাখিব লগা হয়। সন্তানৰ লগতে মাকজনীও থাকিবলগীয়া হয়। জুন মাহৰ ৩ তাৰিখে মানুহগৰাকীৰ জ্বৰ উঠে আৰু তেজৰ পৰীক্ষা কৰোঁতে জাপানী এনকেফেলাইটিছ ধৰা পৰে। অৱশ্যে পৰৱৰ্তী সময়ত মানুহগৰাকীৰ স্বাস্থ্য ভাল হয়, সন্তানটোৱেও আৰোগ্য লাভ কৰে। খবৰ পোৱা অনুসৰি মানুহগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা আজি ছুটী দিয়াৰ প্ৰস্তুতি কৰিছে। উল্লেখ্য যে যোৱা বছৰটোত জিলাখনত ২১গৰাকী লোকৰ দেহত ধৰা পৰিছিল এনকেফেলাইটিছ ৰোগ। তাৰে ৪ গৰাকী ব্যক্তি মৃত্যুমুখত পৰিছিল। ইতিমধ্যে জিলাখনত জাপানী এনকেফেলাইটিছ ৰোগ যাতে হ'ব নোৱাৰে তাৰ বাবে জিলা স্বাস্থ্য বিভাগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ দিল্লী ৰাম অধিকাৰীয়ে জানিব দিয়ে। আঁঠুৰাত ঔষধ প্ৰয়োগ কৰা, ধোঁৱা দিয়া আদি কাম কৰাৰ লগতে বিভিন্ন স্তৰত সজাগতাৰ বাবেও কাম কৰি থকা বুলি জনায় জিলা স্বাস্থ্য বিষয়াগৰাকীয়ে। কোনো লোকৰ গাত এনে ধৰণৰ ৰোগৰ লক্ষণ যেনে জ্বৰ, মূৰৰ বিষ, ভ্ৰম আদি হ'লে ততাতৈয়াকৈ স্বাস্থ্য বিভাগৰ পৰামৰ্শ ল'বলৈ আহ্বান জনায় যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ দিল্লী ৰাম অধিকাৰীয়ে। ইফালে জিলা স্বাস্থ্য বিভাগ এনে ৰোগৰ চিকিৎসা বাবে সম্পূৰ্ণ সাজু হৈ আছে, মঙলদৈ অসামৰিক চিকিৎসালয়ত আছুতীয়াকৈ কোঠা আৰু বিছনা সাজু কৰি ৰখাৰ লগতে সকলো ধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে সাজু জিলা স্বাস্থ্য বিভাগ বুলি ডাঃ অধিকাৰীয়ে জানিবলৈ দিয়ে। দৰং জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ দিল্লী ৰাম অধিকাৰীয়ে ৰাইজক আহ্বান জনায়, যাতে জ্বৰ হোৱা মাত্ৰকে চিকিৎসকৰ ওচৰলৈ আহি পৰামৰ্শ লয়।

# সামাজিক-প্ৰকৃতিপ্ৰেমী অনুষ্ঠান সেৱাৰ ৰূপালী জয়ন্তী; ১৪ জুনত ৰাজহুৱা সভা

**অসম বাৰ্তা, নিমাতীঘাট, ১২ জুন ঃ** ২০০২ চনত প্ৰতিষ্ঠা হোৱা যোৰহাটৰ অগ্ৰণী প্ৰকৃতিপ্ৰেমী আৰু সামাজিক অনুষ্ঠান সেৱাই চলিত বৰ্ষত ৰূপালী জয়ন্তী বৰ্ষত উপনীত হ'ব। অনুষ্ঠানটোৱে বিগত বৰ্ষসমূহত সমাজৰ আৰ্তসকললৈ বিভিন্ন অনুষ্ঠানৰ সহযোগত হুইল চেয়াৰ, ট্ৰাই চাইকেল, শ্ৰৱণ যন্ত্ৰ আদি প্ৰদানৰ লগতে শতাধিক লোকক বিনামূলীয়াকৈ চকু পৰীক্ষা, অস্ত্ৰোপচাৰ আদি কৰি দিছিল। তদুপৰি এছিয়াৰ ভিতৰতে প্ৰথমবাৰৰ বাবে ব্ৰহ্মপুত্ৰৰ কাষৰীয়া অঞ্চলত পক্ষী মহোৎসৱ অনুষ্ঠিত কৰাৰ লগতে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত সমাজত সজাগতাৰ সৃষ্টি কৰি আহিছে। সমাজ সেৱা আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নতুন দিশ আৰু চিন্তাৰ উন্মেষ ঘটাই সবল সামাজিক অনুষ্ঠান ৰূপে সমাজত পৰিচয় দিবলৈ সক্ষম হোৱা "সামাজিক পাৰিপাৰ্শ্বিক আৰু স্বাস্থ্য কল্যাণকামী অনুষ্ঠান"(সেৱা)ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ বাবে সমিতি গঠন আৰু বৰ্ষজোৰা কাৰ্যসূচীৰ বিষয়ে ৰাইজৰ দিহা-পৰামৰ্শ বিচাৰি ১৪ জুনৰ দিনৰ ২-০০ বজাৰ পৰা প্ৰতিষ্ঠা হোৱা স্থান বাহনা উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত এখন ৰাজহুৱা সভাৰ আয়োজন কৰিছে। মানৱ সেৱা আৰু প্ৰকৃতি সেৱাক মূল উদ্দেশ্য ৰূপে লৈ সমাজলৈ বৰঙণি আগবঢ়োৱা অনুষ্ঠানটোৰ উক্ত সভাত ৰাইজৰ উপস্থিতি সেৱাৰ প্ৰধান সম্পাদক প্ৰণৱজ্যোতি শইকীয়া আৰু সম্পাদক ৰাজীৱ কুমাৰ নাজিৰে কামনা কৰিছে।

অসম সাহিত্য সভাৰ উদ্যোগত গীতৰত্ন নগেন বৰাৰ স্মৃতিদিৱস পালন

# নগেন বৰাৰ চিন্তা-চেতনা ভাৱীকালৰ সাধকৰ বাবে অনুকৰণীয় ঃ ড° বসন্তকুমাৰ গোস্বামী



**অসম বাৰ্তা, সোণাপুৰ, ১২ জুন ঃ** "নগেন বৰাৰ চিন্তা-চেতনা ভাৱীকালৰ সাধকসকলৰ বাবে অনুকৰণীয়। তেওঁৰ গীতত মানুহৰ বাবে মানুহৰ ধাৰণাৰ ছবি স্পষ্ট।"- অসম সাহিত্য সভাৰ উদ্যোগত আৰু যোৰহাট জিলা সাহিত্য সভাৰ সহযোগত কালি দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ প্ৰেক্ষাগৃহত অসমৰ এগৰাকী যশস্বী গীতিকাৰ; 'আকৌ যদি যাব লাগে শৰাইঘাটলৈ', 'মই লাচিতে কৈছোঁ'-ৰ দৰেঅমৰ গীতৰ স্ৰষ্টা, যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গীতৰত্ন নগেন বৰাৰ স্মৃতি দিৱসত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত ড° বসন্তকুমাৰ গোস্বামীয়ে নগেন বৰাক এগৰাকী প্ৰকৃত শিল্পী হিচাপে অভিহিত কৰে আৰু গীতিকাৰগৰাকীৰ সহধৰ্মিণী প্ৰয়াত ৰেণু বৰাৰ পূৰ্বৰ অনুৰোধ ৰক্ষা কৰি অসম সাহিত্য সভাই নগেন বৰাৰ নিৰ্বাচিত গীতৰ এটি সংকলন প্ৰকাশ কৰি উলিওৱাৰ বিষয়ে জানিবলৈ দিয়ে। সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই। তেওঁৰ বক্তব্যত তিনিহাজাৰৰো অধিক গীতৰ ৰচয়িতা নগেন বৰাই গীতৰ জৰিয়তে অসমবাসীক একতাৰ ডোলেৰে বান্ধি এক মহান জাতীয় দায়িত্ব পালন কৰা বুলি মত প্ৰকাশ কৰে আৰু অসমীয়া গীতি-সাহিত্যলৈ অৱদান আগবঢ়োৱা গীতিকাৰসকলক সন্মান প্ৰদান কৰাৰ উদ্দেশ্য আগত ৰাখি সভাই এই দিৱসৰ আয়োজন কৰা বুলি মন্তব্য আগবঢ়ায়। সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে যোৰহাট মহানগৰ কবি সন্মিলন আৰু যোৰহাট জিলা সাহিত্য সভাৰ শিল্পীসকলে পৰিৱেশন কৰা 'চিৰ চেনেহী মোৰ ভাষা জননী' গীত পৰিৱেশন কৰে। যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰনাথ হাজৰিকাই গীতৰত্ন গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে আৰু উপসভাপতি মাধৱ মহন্তই স্মৃতি তৰ্পণেৰে শ্ৰদ্ধা নিবেদন কৰে। সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ সম্পাদক, ভাষা-সাহিত্যৰ গৱেষক ড° জ্যোতিৰেখা হাজৰিকাই সম্পাদনা কৰা 'নগেন বৰাৰ নিৰ্বাচিত গীত' গ্ৰন্থখনি এই অনুষ্ঠানতে ড° বসন্তকুমাৰ গোস্বামীয়ে উন্মোচন কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখুৱাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি নিজা বক্তব্যত নগেন বৰাৰ সৃষ্টিৰাজিয়ে তেওঁৰ নাম অসমীয়া গীতি-সাহিত্যত অম্লান কৰি ৰাখিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানৰ আমন্ত্ৰিত বক্তা, ভূপেন হাজৰিকা আন্তৰ্জাতিক ফাউণ্ডেশ্যনৰ সচিব ৰঞ্জন কুমাৰ দত্তই 'অসমীয়া গীতি-সাহিত্যলৈ নগেন বৰাৰ অৱদান' বিষয়ত বক্তৃতা প্ৰদান কৰি সাংস্কৃতিক মহাসভা, অসমৰ দ্বাৰা 'গীতৰত্ন' উপাধিৰে বিভূষিত অসমৰ স্বনামধন্য গীতিকাৰ নগেন বৰাৰ সান্নিধ্য, গীতৰ শৈলী, আবেদন, গীতসমূহত সমাজ-চেতনাৰ প্ৰতিফলন আদি বিভিন্ন দিশত আলোকপাত কৰি গীতিকাৰগৰাকীক 'সুৰীয়া শব্দৰ সমদল' বুলি অভিহিত কৰে। বিশিষ্ট সুৰকাৰ, কণ্ঠশিল্পী প্ৰসেনজিৎ লাহনৰ ব্যৱস্থাপনাত, ড° স্মৃতিৰেখা বৰুৱাৰ কণ্ঠত বাণীবদ্ধ কৰা নগেন বৰাৰ 'সৰাফুল' গীতটি একেটা অনুষ্ঠানতে শিল্পী জয়ন্ত নাথে মুকলি কৰে। এই গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানটিত অসমৰ চাৰিগৰাকী বিশিষ্ট গীতিকাৰ, সংগীতশিল্পী সন্ধ্যা দেৱী, মীনু বৰুৱা, জয়ন্ত নাথ আৰু জেতবন বৰুৱাক ২০২৬ খ্ৰীষ্টাব্দৰ গীতৰত্ন নগেন বৰা স্মাৰক সন্মানেৰে সন্মানীত কৰা হয়। যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মিতালী শইকীয়াই শলাগ জ্ঞাপন কৰা এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক প্ৰতাপ চন্দ্ৰ বৰুৱা, সভাৰ ধনভঁৰালী মণিৰাম লাহন, অসম সাহিত্য সভা মুক্তশিক্ষা সংসদৰ কাৰ্য্যকৰী সভাপতি ড° মালিনী আৰু আহ্বায়ক তুফেল জিলানী, আইন উপদেষ্টা জয়ন্ত দেৱশৰ্মা, প্ৰধান সচিব অশোক কুমাৰ সেনাপতি, যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয় নলিনীবালা হাজৰিকা আৰু ড° ৰাতুল চন্দ্ৰ বৰা, ছৈয়দ মাৰুফ হুছেইন, যোৰহাট জিলা কবি সন্মিলনৰ সভাপতি ড° পৰাণ বৰুৱা, কেপ্টেইন বিপিন চন্দ্ৰ হাজৰিকা, বিশিষ্ট কবি-আবৃত্তিকাৰ যোগানন্দ বৰা, অসম শৈক্ষিক কেন্দ্ৰৰ সচিব ৰমেন গগৈ, সাহিত্যসেৱী ডাঃ গোলাপ চন্দ্ৰ ডেকা, ব্ৰজেন কটকী প্ৰমুখ্যে যোৰহাটৰ শিক্ষা-সাহিত্য-সংস্কৃতি ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি আৰু নগেন বৰাৰ গুণমুগ্ধসকল, যোৰহাট জিলা সাহিত্য সভা আৰু শাখা সভাসমূহৰ বিষয়ববীয়াসকল, নগেন বৰাৰ পুত্ৰ নীলাভ্ৰ বৰা, বোৱাৰী আৰু নাতি-নাতিনী, সংবাদকৰ্মীসকল সমন্বিতে দুই শতাধিক লোক উপস্থিত থাকে।

সেৱাৰ মনোভাৱেৰে কাম কৰিবলৈ চিকিৎসকসকললৈ বিধায়ক গোৱালাৰ আহ্বান

# ডুমডুমা এফআৰইউ চিকিৎসালয়ৰ পৰিচালনা সমিতিৰ সভা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১২ জুন ঃ** ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ৰ পৰিচালনা সমিতিৰ এখন সভা আজি চিকিৎসালয়ত সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপেশ গোৱালাৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। আৰম্ভণিতে ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া তথা সমিতিৰ পদেন সচিব ডাঃ সুধীন শৰ্মাই সমিতিৰ সভাপতি তথা বিধায়ক ৰূপেশ গোৱালাক এখনি ফুলাম গামোচাৰে আদৰণি জনায়। আজিৰ সভাত আন্তঃগাঁথনিকে ধৰি চিকিৎসালয়খনৰ সৰ্বাংগীণ উন্নয়ন সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰা হয় আৰু কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে বৰ্তমান চিকিৎসালয়খনত দুগৰাকী স্ত্ৰীৰোগ বিশেষজ্ঞ, এগৰাকী শিশু ৰোগ বিশেষজ্ঞ, এগৰাকী মেডিচিনৰ বিশেষজ্ঞ সহ মুঠ আঠগৰাকী চিকিৎসক আছে আৰু চিকিৎসালয়খনৰ লেবৰেটৰীত বৰ্তমান প্ৰায় সকলোবোৰ পৰীক্ষাই বিনামূলীয়াকৈ হয়। আজিৰ সভাত সভাপতি তথা বিধায়ক ৰূপেশ গোৱালাই সেৱাৰ মনোভাৱেৰে কৰ্তব্য সম্পাদন কৰিবলৈ চিকিৎসালয়খনৰ চিকিৎসকসকলক আহ্বান জনায়। আজিৰ সভাত পৰিচালনা সমিতিৰ সদস্যসকল ক্ৰমে ডাঃ প্ৰণৱজ্যোতি ডেকা, মহম্মদ অলিপ খান, দীনেশ গোয়েল, দিলীপ প্ৰসাদ, অভিজিৎ খাটনিয়াৰ, সমীৰণ গগৈ আৰু বিধান নন্দৰ লগতে চিকিৎসালয়খনৰ কেইবাগৰাকীও চিকিৎসক আৰু কৰ্মচাৰী উপস্থিত আছিল। সভাৰ অন্তত পৰিচালনা সমিতিৰ সভাপতি ৰূপেশ গোৱালা আৰু সদস্যসকলে চিকিৎসালয়খনৰ বিভিন্ন বিভাগ পৰিদৰ্শন কৰি কাম-কাজৰ লগতে অভাৱ-অভিযোগৰ বুজ লয়।

# ধুবুৰী ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন অসম চৰকাৰৰ মন্ত্ৰী তথা ধুবুৰীৰ অভিভাৱক মন্ত্ৰী অশোক সিংঘালৰ

**অসম বাৰ্তা, গোলকগঞ্জ, ১২ জুন ঃ** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ কাইটীয়া তাৰৰ ভিতৰত এটি গাঁও যাৰ নাম হ'ল ভোগদাংগা। ভোগদাংগা গাঁৱখনৰ তিনিওফালে বাংলাদেশ তাৰে মাজত এখন ভাৰতৰ গাঁও, যাৰ নাম হ'ল ভোগদাংগা। এই ভোগদাংগা গাঁওখন হিন্দু প্ৰধান গাঁৱ যত ঘৰ ১৫৫টা আৰু জনসংখ্যা ৬৬০জন পুৰুষ-মহিলা বসবাস কৰে য'ত অধিকাংশ হিন্দু লোক। গাঁওখনৰ ৰাইজৰ সৈতে মত বিনিময় কৰাৰ লগতে এই গাঁওখনৰ ৰাইজে ভুগি থকা সমস্যাৰ বুজ লয় মন্ত্ৰী অশোক সিংঘালে। ইয়াৰ লগতে সীমান্তৰ কাইটীয়া তাৰ ফেনছিং লাইনৰ বিষয়টোৰো বুজ লয় মন্ত্ৰী গৰাকী। অত্ৰ অঞ্চলৰ ৰাইজে ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী লগ পাই অতিকৈ আনন্দিত হৈছে।

# কাকৈজানা বেলতলীত নৱনিৰ্বাচিত বিধায়ক ভূপেন ৰায়ক সম্বৰ্ধনা




**অসম বাৰ্তা, উত্তৰ শালমাৰা, ১২ জুন ঃ** যোৱা ৩জুন তাৰিখে অসম গণ পৰিষদৰ কাকৈজানা আঞ্চলিক সমিতি আৰু বেলতলী আঞ্চলিক লক্ষ্মী পূজা সমিতিৰ উদ্যোগত কাকৈজানা বেলতলীত লক্ষ্মী মন্দিৰ প্ৰাংগনত ১৬নং অভয়াপুৰী বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ভূপেন ৰায় দেৱক সম্বৰ্ধনা জনোৱা হয়। সভাত সভাপতিত্ব কৰে বিশিষ্ট সাহিত্যিক, কবি আৰু সমাজ সেৱাক অমৃতভূষণ ফৌজদাৰ দেৱে। উক্ত সভাত অগপৰ কাকৈজানা আঞ্চলিক সমিতিৰ সভাপতি গোবিন্দ বৰ্মন সম্পাদক দিলীপ ৰায় অগপ কৰ্মী কুঞ্জ দেৱ ৰায়, ৰাজকিংকৰ ৰায়, হৰেন ৰায়, অগপৰ কাকৈজানা আঞ্চলিক যুৱ পৰিষদৰ সভাপতি সনাতন ৰায় সম্পাদক দিলজিৎ ৰায়, চক্ৰভৌম জিলা পৰিষদৰ সদস্যা জানকী ৰায়, কাকৈজানা গাঁও পঞ্চায়তৰ সভানেত্ৰী দৈৱকী ৰায়, কাকৈজানা গাঁও পঞ্চায়তৰ উপ সভাপতি অমৃত সিংহ, কাকৈজানা আঞ্চলিক পঞ্চায়তৰ সদস্য উত্তম বৰ্মন, যুৱ নেতা তন্ময় ৰায়, টুলুঙীয়া ১ম খণ্ডৰ সদস্যা পদুমী ৰায়, কাকৈজানা ১ম খণ্ডৰ সদস্যা কহিনী ৰায় আৰু কৈমাৰী লহৰাপাৰাৰ পঞ্চায়ত সদস্যা পটেশ্বৰী ৰায় আদি। সভাত নৱ-নিৰ্বাচিত বিধায়ক ভূপেন ৰায়ে সদ্য সমাপ্ত বিধান সভা নিৰ্বাচনত তেওঁক বিপুল ভোটত জয়যুক্ত কৰাৰ বাবে সমষ্টি বাসীৰ লগতে কাকৈজানা গাঁও পঞ্চায়তৰ ৰাইজৰ ধন্যবাদ জ্ঞাপন কৰে আৰু অনাগত দিনত ৰাস্তা ঘাটৰ লগতে সিদলসতী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চাৰিবেৰ নিৰ্মাণ আৰু বিদ্যালয় সমূহৰ আন্ত গাঁথনিৰ ওপৰত কাম কৰি যাবলৈ চেষ্টা চলাই যাব বুলি মন্তব্য কৰে।

# দৰং জিলা ক্ৰীড়া বিভাগৰ নিৰ্বাণ যোগ কেন্দ্ৰৰ এমহীয়া যোগ প্ৰশিক্ষণ শিবিৰ

**অসম বাৰ্তা, মঙলদৈ, ১২ জুন ঃ** দৰং জিলা ক্ৰীড়া বিভাগৰ অধীনৰ নিৰ্বাণ যোগ কেন্দ্ৰৰ উদ্যোগত মঙলবাৰৰ পৰা মঙলদৈ সোণালীপামস্থিত ৰজা ধৰ্ম নাৰায়ণ ক্ৰীড়া প্ৰকল্পত এমহীয়া এটি যোগ আৰু প্ৰাণায়াম প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। শিবিৰটিত অঞ্চলটিৰ অৰ্ধ শতাধিক পুৰুষ-মহিলাৰ লগতে ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰে। জিলা ক্ৰীড়া বিভাগৰ শাৰীৰিক শিক্ষা নিৰ্দেশক, ক্ৰীড়া সংগঠক কুমুদ কুমাৰ বৰাই আঁত ধৰা শিবিৰটিৰ উদ্বোধনী অনুষ্ঠানত গান্ধী স্মৃতি উচ্চতৰ মাধমিক বিদ্যালয়ৰ উপাধ্যক্ষ হৰেন কলিতাই বন্তি প্ৰজ্বলনৰে শিবিৰটি উদ্বোধন কৰে। উদ্বোধনী ভাষণ প্ৰসংগত কলিতাই সাম্প্ৰতিক সময়ত মানুহৰ মাজত দেখা দিয়া বিভিন্ন শাৰীৰিক মানসিক সমস্যাৰ সমাধানত যোগ প্ৰাণায়ামৰ ভূমিকাৰ কথা উল্লেখ কৰি শিবিৰটি আয়োজন কৰা বাবে জিলা ক্ৰীড়া কাৰ্যালয় লগতে জিলা ক্ৰীড়া বিষয়া বিষ্ণুজ্যোতি কলিতাক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে ক্ৰীড়া সংগঠক ঠগেশ্বৰ বৰুৱা, অৱসৰপ্ৰাপ্ত বেংক বিষয়া ৰনেনজিৎ দত্ত, সমাজসেৱক শৰৎ শৰ্মা, বিশিষ্টা মহিলা অনুপমা বৰুৱা আৰু ভদ্ৰ ৰয়। শিবিৰটিত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকি অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে বিশিষ্ট যোগ প্ৰশিক্ষক ননী কলিতা আৰু জিতু মহন্তই। উল্লেখযোগ্য যে আন্তৰ্জাতিক যোগ দিৱসৰ লগত সংগতি ৰাখি অহা জুলাই মাহতো ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক মানসিক স্বাস্থ্যৰ সজাগতাৰ বাবে নিৰ্বাণ কেন্দ্ৰৰ উদ্যোগত যোগ প্ৰশিক্ষণ শিবিৰ আয়োজন কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

# জোৰশিমুলীত ড্ৰাগছ-সহ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**অসম বাৰ্তা, গৰৈমাৰী, ১২ জুন ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত জোৰশিমুলীত আজি আৰক্ষীয়ে খেদি খেদি ড্ৰাগছসহ সৰবৰাহকাৰী এটাক গ্ৰেপ্তাৰ কৰে। জানিব পৰামতে জোৰশিমুলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অঞ্জনজ্যোতি শৰ্মাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই গোপন খবৰৰ ভিত্তিত আজি দুপৰীয়া অতৰ্কিতভাৱে জোৰশিমুলীত অভিযান। অভিযানত ড্ৰাগছ সৰবৰাহকাৰী জোৰশিমুলী গাঁৱৰ ওমৰ আলীৰ পুত্ৰ আমিনুল আলী (৩২)ক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীটোৰ পৰা আৰক্ষীয়ে এটা চাবোনৰ বাকচত থকা ৮গ্ৰাম ড্ৰাগছৰ সৈতে ৮৩টা খালী কণ্টেইনাৰ উদ্ধাৰ কৰে। ধৃত সৰবৰাহকাৰীটো জোৰশিমুলী আৰক্ষীৰ জিম্মাত ৰাখি সোধা-পোছা অব্যাহত ৰাখিছে।

# শিমলাগুৰি আৰক্ষীৰ বৃহৎ সফলতা; হিৰইনসহ গ্ৰেপ্তাৰ দুই সৰবৰাহকাৰী

**অসম বাৰ্তা, বৰপেটাৰোড, ১২ জুন ঃ** ৰাজ্যত অব্যাহত থকা ড্ৰাগছ বিৰোধী অভিযানৰ অংশ হিচাপে বাঁ জিলাৰ শিমলাগুৰি আৰক্ষীয়ে এক বৃহৎ সফলতা লাভ কৰিছে। এক গোপন সূত্ৰৰ পম খেদি চলোৱা অভিযানত আৰক্ষীৰ এটা দলে বৃহৎ পৰিমাণৰ মাৰাত্মক হিৰোইন জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত বাতৰি অনুসৰি, বৰপেটাৰোডৰ সমীপৱৰ্তী ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ হটাপাৰাত শিমলাগুৰি আৰক্ষীয়ে এই অতৰ্কিত অভিযান চলায়। ড্ৰাগছ সৰবৰাহকাৰীৰ এটা দলে এখন অল্টো K10 বাহনেৰে (নম্বৰ AS 24 E 0037) ড্ৰাগছখিনি কঢ়িয়াই অনাৰ খবৰ লাভ কৰি আৰক্ষীয়ে বাহনখনত তালাচী চলায়। তালাচীৰ সময়ত বাহনখনৰ পৰা ৭টা চাবোনৰ বাকচ ভৰ্তি হিৰোইন উদ্ধাৰ কৰা হয়। এই অবৈধ ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে গোবৰ্ধনাৰ ছাদ্দাম হুছেইন আৰু শ্বহিদুল হুছেইন নামৰ দুই যুৱকক গ্ৰেপ্তাৰ কৰিছে। জব্দকৃত হিৰোইনখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য কেইবা লাখ টকা হ'ব বুলি ধাৰণা কৰা হৈছে। বৰ্তমান শিমলাগুৰি আৰক্ষীয়ে ধৃত সৰবৰাহকাৰী দুজনক অধিক তথ্যৰ বাবে সোধা-পোছা অব্যাহত ৰাখিছে। এই চক্ৰটোৰ সৈতে আন কোনো লোক জড়িত আছে নেকি, সেই দিশটোও আৰক্ষীয়ে তদন্ত কৰি আছে। আৰক্ষীৰ এই তৎপৰতাক সচেতন ৰাইজে আদৰণি জনাইছে।

# মুকলি নহ'ল কোটি টকা ব্যয়েৰে নিৰ্মিত গোসাঁইগাঁৱৰ অনাথ আশ্ৰম গৃহ, গৰু গোহালি আৰু মদৰ আড্ডাত পৰিণত

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১২ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ধাউলীগুৰী গাঁৱত কোটি টকা চৰকাৰী ধন ব্যয় কৰি নিৰ্মাণ কৰা শিশু সকলৰ বাবে অনাথ আশ্ৰম গৃহটো সম্পূৰ্ণ হোৱাৰ পিছতো আজিলৈকে মুকলি নোহোৱাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। উল্লেখ্য যে, চৰকাৰী আঁচনিৰ অধীনত নিৰ্মাণ কৰা আশ্ৰম গৃহটো বহু বছৰ ধৰি ব্যৱহাৰৰ অভাৱত পৰিত্যক্ত অৱস্থাত পৰি আছে। মুকলি নোহোৱাৰ ফলত বৰ্তমানে গৃহটো গৰু গোহালিত পৰিণত হোৱাৰ লগতে অসামাজিক কাৰ্যকলাপৰ কেন্দ্ৰস্থল তথা মদৰ আড্ডালৈও ৰূপান্তৰিত হোৱা বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, আশ্ৰম গৃহটোৰ চাৰিওফালে হাবি-জংগলে আৱৰি ধৰাৰ ফলত ঘৰটোৰ বিভিন্ন অংশ জহি-খহি যোৱাৰ উপক্ৰম হৈছে। কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা গুৰুত্বপূৰ্ণ এই আন্তঃগাঁথনিটো ব্যৱহাৰৰ অভাৱত ধ্বংসৰ মুখলৈ আগবাঢ়ি যোৱাত উদ্বেগ প্ৰকাশ কৰিছে সচেতন মহলে। সেয়েহে, স্থানীয় ৰাইজে অতি শীঘ্ৰে অনাথ আশ্ৰম গৃহটো পুনৰ মেৰামতি কৰি আনুষ্ঠানিকভাৱে মুকলি কৰাৰ লগতে ইয়াক শিশু কল্যাণমূলক কাৰ্যসূচীৰ বাবে ব্যৱহাৰযোগ্য কৰি তুলিবলৈ অসম চৰকাৰ আৰু সংশ্লিষ্ট বিভাগৰ ওচৰত জোৰ দাবী জনাইছে।

# মৰিয়নিৰ মন্দিৰৰ প্ৰায় ৮-৯ লাখ টকাৰ ৰূপৰ সামগ্ৰী চুৰি

**অসম বাৰ্তা, মৰিয়নি, ১২ জুন ঃ** শুক্ৰবাৰে পুৱতি নিশা মৰিয়নি নগৰৰ মাজমজিয়াত অৱস্থিত লক্ষ্মী নাৰায়ণ মন্দিৰত পুনৰ সংঘটিত হৈছে এক চাঞ্চল্যকৰ চোৰিকাণ্ড। বৃহস্পতিবাৰে নিশা চোৰে মন্দিৰত প্ৰৱেশ কৰি তলা ভাঙি কেইবাটাও মূল্যবান ৰূপৰ পূজাৰ সামগ্ৰী আৰু ৰূপৰ অলংকাৰ চোৰ কৰি নিয়ে। প্ৰাথমিক তথ্য অনুসৰি, চোৰে মন্দিৰৰ তলা ভাঙি প্ৰায় ৮ৰ পৰা ৯ লাখ টকা মূল্যৰ ৰূপৰ সামগ্ৰী আৰু অলংকাৰ লৈ উধাও হয়। পুৱা ঘটনাটো পোহৰলৈ অহাৰ পিছতে স্থানীয় লোকৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। খবৰ পোৱাৰ লগে লগে মৰিয়নি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে চোৰক চিনাক্ত কৰাৰ লগতে চোৰি হোৱা সামগ্ৰী উদ্ধাৰৰ বাবে বিভিন্ন দিশত অনুসন্ধান অব্যাহত ৰাখিছে। উল্লেখ্য যে, এই মন্দিৰত পূৰ্বেও চোৰিৰ ঘটনা সংঘটিত হৈছিল বুলি জানিব পৰা গৈছে। পুনৰ এনে ঘটনাই মন্দিৰৰ সুৰক্ষা ব্যৱস্থাক লৈ বিভিন্ন মহলত প্ৰশ্নৰ উদ্ভৱ ঘটাইছে। মৰিয়নি আৰক্ষীয়ে ঘটনাৰ অধিক তদন্ত অব্যাহত আছে।

## সম্পাদকীয়

# নতুন নিয়ম ঃ পৰীক্ষাৰ্থীৰ বাবে স্বস্তি নে প্ৰত্যাহ্বান


২০২৬ চনৰ ২১ জুনত অনুষ্ঠিত হ'বলগীয়া নিট ইউ জি পৰীক্ষাৰ বাবে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই (এন টি এ) যি কেইটামান সালসলনিৰ ঘোষণা কৰিছে, সেয়া পৰীক্ষাৰ্থী মহলত এক আশাৰ বতাহ লৈ আহিছে। ১২ জুনৰ চৰকাৰী জাননী অনুসৰি, বিগত বছৰৰ পৰীক্ষাৰ্থী আৰু বিশেষজ্ঞৰ মতামতৰ ভিত্তিত এই সিদ্ধান্ত লোৱা হৈছে। উদ্দেশ্য- পৰীক্ষাক অধিক নিকা, নিৰাপদ আৰু পৰীক্ষাৰ্থীৰ বাবে অনুকূল কৰি তোলা।

প্ৰথম গুৰুত্বপূৰ্ণ পৰিৱৰ্তন হৈছে পৰীক্ষাৰ সময়সীমা। আগৰ ৩ ঘণ্টাৰ ঠাইত এতিয়া পৰীক্ষা চলিব ৩ ঘণ্টা ১৫ মিনিট (১৯৫ মিনিট)। অৰ্থাৎ পৰীক্ষা দিনৰ ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ। এই অতিৰিক্ত ১৫ মিনিট উপস্থিতিৰ কাকতত স্বাক্ষৰ, পৰীক্ষকৰ নিৰ্দেশনামূলক পৰীক্ষণ আদি প্ৰশাসনিক কামৰ বাবে ব্যৱহাৰ কৰা হ'ব। ফলত ছাত্ৰ-ছাত্ৰীয়ে পূৰ্বৰ দৰে লিখাৰ সময়ত কোনো ধৰণৰ বাধা নেপাব। এই পদক্ষেপ অতি যুক্তিসংগত- কাৰণ প্ৰায়েই দেখা গৈছিল যে প্ৰশ্নকাকত মুকলি কৰাৰ পিছতো নানা নিয়ম-কানুনত ছাত্ৰৰ মূল্যবান সময় নষ্ট হৈছিল। দ্বিতীয় আৰু অধিক আলোচিত পৰিৱৰ্তনটো হৈছে প্ৰশ্নকাকতত হিচাপ-অংক কৰিবলৈ দিয়া ঠাইৰ পৰিমাণ আৰু তাৰ বিন্যাস। আগতে য'ত মাত্ৰ দুখন পৃষ্ঠা দিয়া হৈছিল, এতিয়া দিয়া হ'ব চাৰিখন পৃষ্ঠা। ইয়াৰে দুখন পৃষ্ঠা নিৰ্দেশনাৰ ঠিক পিছতে থাকিব আৰু বাকী দুখন পৃষ্ঠা শেষৰ ফালে থাকিব। পূৰ্বৰ ব্যৱস্থাটোত হিচাপৰ পৃষ্ঠা কেৱল কাকতৰ শেষত দিয়া হৈছিল, যাৰ ফলত বহু পৰীক্ষাৰ্থী, বিশেষকৈ বাঁওহতীয়া ছাত্ৰ-ছাত্ৰীয়ে অসুবিধা পাইছিল। তেওঁলোকে নিজৰ হাতৰ আৰাম অনুসৰি পৃষ্ঠা ব্যৱহাৰ কৰাত বাধাৰ সন্মুখীন হৈছিল। নতুন বিন্যাসে সেই সমস্যা সমাধান কৰিছে। ইংৰাজী আৰু আঞ্চলিক ভাষাৰ (অসমীয়া, বাংলা, হিন্দী আদি) দুয়োখন প্ৰশ্নকাকতে এই ব্যৱস্থা প্ৰয়োগ হ'ব, যি বৈচিত্ৰ্যক সন্মান জনোৱাৰ চানেকি।

এই সালসলনিবোৰ নিঃসন্দেহে প্ৰশংসনীয়। তথাপি এন টি এৰ প্ৰতি আমাৰ কেইটামান সজাগ দৃষ্টি আছে। প্ৰথমতে, ৩ ঘণ্টা ১৫ মিনিট দীঘল পৰীক্ষা কিশোৰ-কিশোৰীসকলৰ বাবে মানসিক আৰু শাৰীৰিকভাৱে অতি ক্লান্তিকৰ হৈ পৰিব পাৰে। দ্বিতীয়তে, প্ৰশ্নকাকতত চাৰি পৃষ্ঠা হিচাপৰ ঠাই দিলে মুঠ কাকতৰ পৃষ্ঠা সংখ্যা বাঢ়িব। ইয়াৰ ফলত প্ৰিণ্টিং, পৰিবহণ আৰু পৰীক্ষা কেন্দ্ৰত কাকত বিতৰণৰ লজিষ্টিক সমস্যা সৃষ্টি হ'ব পাৰে। পূৰ্বৰ বছৰবোৰত কেতিয়াবা প্ৰশ্নকাকতত ভুল ছপা হোৱা বা পৃষ্ঠা নাইকিয়া হোৱাৰ অভিযোগ উঠিছিল। সেয়ে এন টি এই এইক্ষেত্ৰত অতি সতৰ্কতা অৱলম্বন কৰা উচিত। তৃতীয়তে, পৰীক্ষাৰ 'নিকা' আৰু 'নিৰাপদ' পৰিৱেশৰ বাবে এন টি এৰ যি প্ৰতিশ্ৰুতি, তাৰ বাবে কঠোৰভাৱে কাম কৰিব লাগিব। বিগত বছৰবোৰত নিটৰ দৰে পৰীক্ষাত পেপাৰ লিক, ভুৱা প্ৰাৰ্থী দৰে অনিয়মৰ অভিযোগ আহিছিল। নতুন সময়সূচী আৰু সুবিধাই যদি নিৰাপত্তা ব্যৱস্থাত কোনো শিথিলতা আনে, তেন্তে সেয়া অমাৰ্জনীয় ভুল হ'ব। পৰীক্ষাৰ্থীসকলক প্ৰৱেশ পত্ৰ আৰু তথ্য পুস্তিকা ভালদৰে পঢ়িবলৈ অনুৰোধ কৰাৰ লগতে পৰীক্ষা কেন্দ্ৰৰ কৰ্মচাৰীসকলকো সঠিক প্ৰশিক্ষণ দিয়া জৰুৰী।

শেষত, এই পৰিৱৰ্তনবোৰক আমি স্বাগতম জনাইছো। কাৰণ ই প্ৰমাণ কৰে যে এন টি এ পৰীক্ষাৰ্থীৰ মাত শুনিবলৈ সাজু। তথাপি আমি এয়া নিশ্চিত কৰিব লাগিব যে নতুন ব্যৱস্থা বাস্তৱত কাৰ্যকৰী হয়। কোনো প্ৰশ্ন বা সমস্যাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে ৯১-১১-৪০৭৫৯০০০ নম্বৰ বা ntaneetug2026@nta.ac.in ইমেইলত যোগাযোগ কৰিব পাৰে। আশাকৰোঁ, ২০২৬ চনৰ ২১ জুনত অনুষ্ঠিত হ'বলগীয়া এই পৰীক্ষা সঁচা অৰ্থত নিকা, নিৰাপদ আৰু পৰীক্ষাৰ্থীৰ বাবে অনুকূল হৈ উঠিব। তেতিয়াহে এই পদক্ষেপ সাৰ্থক হ'ব।

# প্ৰগতি নে বিপথগামিতা ঃ আধুনিকতাৰ সোঁতত যুৱ-প্ৰজন্ম



নলিনী ৰঞ্জন ভূঞা

*গোলকীকৰণৰ এই যুগত অসমৰ পিছপৰা গাঁৱৰ যুৱক-যুৱতীয়েও আজি তথ্য প্ৰযুক্তিৰ জৰিয়তে বিশ্ব বজাৰৰ সৈতে ফেৰ মাৰিবলৈ সক্ষম হৈছে। কিন্তু ইয়াৰ বিপৰীতে এই প্ৰযুক্তিৰ অতিমাত্ৰা ব্যৱহাৰে যুৱ সমাজক এক গভীৰ মানসিক সংকটৰ দিশলৈয়ো ঠেলি দিছে। বৰ্তমান সময়ত সামাজিক মাধ্যমৰ নিচাত বুৰ গৈ বহু যুৱক-যুৱতীয়ে নিজৰ অমূল্য সময় নষ্ট কৰিছে। বাস্তৱ পৃথিৱীখনতকৈ ভাৰ্চুৱেল পৃথিৱীখনহে তেওঁলোকৰ বাবে অধিক আপোন হৈ পৰিছে। ইয়াৰ ফলত তেওঁলোকৰ মাজত একাকিত্ব, মানসিক অৱসাদ আৰু হীনমন্যতাৰ দৰে গুৰুতৰ সমস্যাই দেখা দিছে। বিভিন্ন সমীক্ষাত প্ৰকাশ পাইছে যে দৈনিক পাঁচ ঘণ্টাতকৈ অধিক সময় সামাজিক মাধ্যমত কটোৱা যুৱক-যুৱতীসকলৰ মাজত মনোযোগহীনতা আৰু অনিদ্ৰাৰ বেমাৰ বৃদ্ধি পাইছে।*

সময়ৰ গতিশীলতাই মানৱ সভ্যতাক পৰিৱৰ্তনৰ এক নতুন দিগন্তলৈ আগবঢ়াই নিয়ে। এই পৰিৱৰ্তনেই হ'ল, আধুনিকতাৰ মূল চালিকাশক্তি, যাৰ প্ৰভাৱত সমাজ, সংস্কৃতি আৰু জীৱনধাৰাই ক্ৰমাগতভাৱে নতুন ৰূপ ধাৰণ কৰে। একবিংশ শতিকাৰ এই উত্তৰণকালত সমগ্ৰ বিশ্বৰ লগতে আমাৰ অসমীয়া সমাজখনতো গভীৰ আৰু ব্যাপক পৰিৱৰ্তনৰ সোঁত প্ৰৱাহিত হৈছে। বিজ্ঞান-প্ৰযুক্তিৰ অভূতপূৰ্ব অগ্ৰগতি, বিশ্বায়ন আৰু আধুনিক জীৱনশৈলীৰ প্ৰভাৱে সমাজৰ চিন্তা-চৰ্চা, মূল্যবোধ আৰু আচৰণত এক নতুন অধ্যায়ৰ সূচনা কৰি পৰিৱৰ্তনৰ দিশে গতি কৰিছে। এই পৰিৱৰ্তনৰ প্ৰভাৱ সবাটোকৈ বেছি পৰিছে আমাৰ ভৱিষ্যতৰ কৰ্ণধাৰ স্বৰূপ যুৱ সমাজৰ ওপৰত। আজিৰ যুৱ প্ৰজন্মৰ চিন্তা-চেতনা, সাজ-পোছাক, কথা-বতৰা আৰু জীৱনশৈলীত আধুনিকতাৰ স্পষ্ট সাঁচ দেখিবলৈ পোৱা গৈছে। কিন্তু এই আধুনিকতাই যুৱ সমাজক প্ৰগতিৰ দিশলৈ লৈ গৈছেনে নে এক গভীৰ অন্ধকাৰ গহ্বৰলৈ ঠেলি দিছে, তাক লৈ বৰ্তমান সময়ত সমাজত ব্যাপক মতবিৰোধৰ সৃষ্টি হৈছে। একাংশ জ্যেষ্ঠ তথা ৰক্ষণশীল ব্যক্তিৰ মতে, আজিৰ আধুনিকতা হৈছে যুৱ সমাজ বিপথে যোৱাৰ অন্যতম নামান্তৰ। আনহাতে, যুৱ প্ৰজন্মৰ মতে, ই হৈছে সময়ৰ আহ্বান আৰু প্ৰগতিৰ এক অপৰিহাৰ্য অংশ।

সামাজিক পৰিৱৰ্তনৰ এই সন্ধিক্ষণত পুৰণি প্ৰজন্মৰ অভিজ্ঞতা আৰু নতুন প্ৰজন্মৰ গতিশীলতাৰ মাজত এক স্পষ্ট বিপৰীত ছবি ফুটি উঠিছে। এই দুই বিপৰীতমুখী ধাৰণাৰ মাজত সোমাই থকা প্ৰকৃত সত্যটোক উদঘাটন কৰাটো বৰ্তমান সময়ত এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। সমাজবিজ্ঞানী সকলৰ মতে, যিকোনো উত্তৰণৰ কালছোৱাতে সমাজত এক ধৰণৰ মানসিক সংঘাতৰ সৃষ্টি হয়, য'ত প্ৰমূল্যবোধৰ পৰিৱৰ্তনক একাংশই স্খলন বুলি গণ্য কৰে।

আধুনিকতা কি-এই বিষয়ে আমাৰ সমাজত এক স্পষ্ট ধাৰণাৰ অভাৱ থকা যেন অনুভৱ হয়। বহুতে কেৱল বাহ্যিক ৰূপ সলনি কৰা, দামী আৰু চুটি কাপোৰ পিন্ধা, বিদেশী ভাষা ক'ব পৰা বা হাতত এটা দামী মোবাইল ফোন লৈ ঘূৰি ফুৰাটোকে আধুনিকতা বুলি ভুল কৰে। কিন্তু প্ৰকৃত অৰ্থত আধুনিকতা কেৱল এক বাহ্যিক আৱৰণ নহয়, ই হৈছে এক মানসিক প্ৰক্ৰিয়া। অন্ধবিশ্বাস, কুসংস্কাৰ, সংকীৰ্ণতা আৰু পুৰণি জড়তাক বিসৰ্জন দি যুক্তিবাদী চিন্তা, বিজ্ঞানমনস্কতা আৰু উদাৰ দৃষ্টিভংগীক আদৰি লোৱাটোৱেই হৈছে প্ৰকৃত আধুনিকতা। যেতিয়া এজন ব্যক্তিয়ে জাত-পাত, ধৰ্ম বা লিংগৰ ভেদাভেদ পাহৰি মানৱতাৰ জয়গান গাবলৈ শিকে, তেতিয়াহে তেওঁ প্ৰকৃত অৰ্থত আধুনিক হৈ পৰে। ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পঞ্চদশ শতিকাতে যি উদাৰ, জাতিভেদহীন সমাজৰ ভেটি ৰচনা কৰিছিল, সেয়া আছিল প্ৰকৃত আধুনিকতাৰ প্ৰথম খোজ। একেদৰে পৰৱৰ্তী সময়ত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা বা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই কৃষ্টিৰ যি বিশ্বজনীন ৰূপ আমাক দেখুৱাই থৈ গৈছে, তাত আধুনিকতাৰ সাৰমৰ্ম লুকাই আছিল। যুৱ সমাজে এই কথা বুজি পোৱাটো প্ৰয়োজন যে আধুনিক হ'বলৈ নিজৰ শিপাডাল কাটি পেলাব নালাগে, বৰঞ্চ শিপাডাল মজবুতকৈ ধৰি ৰাখি বিশ্বৰ জ্ঞান-বিজ্ঞানক গ্ৰহণ কৰাটোহে প্ৰকৃত আধুনিকতাৰ লক্ষণ।

আধুনিকতাৰ আটাইতকৈ ডাঙৰ বাহক হৈছে তথ্য প্ৰযুক্তিৰ অভূতপূৰ্ব বিকাশ। কম্পিউটাৰ, ইণ্টাৰনেট আৰু সামাজিক মাধ্যমসমূহে আজিৰ যুৱ সমাজৰ জীৱন সম্পূৰ্ণ সলনি কৰি পেলাইছে। বিশ্বৰ যিকোনো প্ৰান্তৰ জ্ঞান আজিকালি যুৱ প্ৰজন্মৰ আঙুলিৰ মূৰত উপলব্ধ। ইয়াৰ ফলত তেওঁলোকৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পাইছে আৰু তেওঁলোকে বিশ্বৰ দৰবাৰত নিজক প্ৰতিষ্ঠা কৰাৰ সুযোগ লাভ কৰিছে। গোলকীকৰণৰ এই যুগত অসমৰ পিছপৰা গাঁৱৰ যুৱক-যুৱতীয়েও আজি তথ্য প্ৰযুক্তিৰ জৰিয়তে বিশ্ব বজাৰৰ সৈতে ফেৰ মাৰিবলৈ সক্ষম হৈছে। কিন্তু ইয়াৰ বিপৰীতে এই প্ৰযুক্তিৰ অতিমাত্ৰা ব্যৱহাৰে যুৱ সমাজক এক গভীৰ মানসিক সংকটৰ দিশলৈয়ো ঠেলি দিছে। বৰ্তমান সময়ত সামাজিক মাধ্যমৰ নিচাত বুৰ গৈ বহু যুৱক-যুৱতীয়ে নিজৰ অমূল্য সময় নষ্ট কৰিছে। বাস্তৱ পৃথিৱীখনতকৈ ভাৰ্চুৱেল পৃথিৱীখনহে তেওঁলোকৰ বাবে অধিক আপোন হৈ পৰিছে। ইয়াৰ ফলত তেওঁলোকৰ মাজত একাকিত্ব, মানসিক অৱসাদ আৰু হীনমন্যতাৰ দৰে গুৰুতৰ সমস্যাই দেখা দিছে। বিভিন্ন সমীক্ষাত প্ৰকাশ পাইছে যে দৈনিক পাঁচ ঘণ্টাতকৈ অধিক সময় সামাজিক মাধ্যমত কটোৱা যুৱক-যুৱতীসকলৰ মাজত মনোযোগহীনতা আৰু অনিদ্ৰাৰ বেমাৰ বৃদ্ধি পাইছে। সামাজিক মাধ্যমত আনৰ কৃত্ৰিম সুখী জীৱনৰ ছবি বা আড়ম্বৰপূৰ্ণ ভিডিঅ' চাই নিজৰ বাস্তৱ জীৱনক তুচ্ছ জ্ঞান কৰাৰ এক বিপজ্জনক প্ৰৱণতা যুৱ সমাজৰ মাজত গঢ়ি উঠিছে। ইয়াৰ উপৰিও ছাইবাৰ অপৰাধ, অনলাইন জুৱা আৰু ডিজিটেল আসক্তিয়ে বহু সম্ভাৱনাপূৰ্ণ যুৱকৰ জীৱন ধ্বংসৰ মুখলৈ লৈ গৈছে। প্ৰযুক্তিৰ এই অপব্যৱহাৰে যুৱ সমাজক প্ৰগতিৰ পথৰ পৰা আঁতৰাই নি মানসিক বিপথগামিতাৰ দিশলৈ লৈ যোৱাটো সঁচাকৈয়ে এক গভীৰ উদ্বেগৰ বিষয় হৈ পৰিছে।

আধুনিকতাৰ নামত বৰ্তমান যুৱ সমাজৰ মাজত পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণ এক ভয়াবহ ব্যাধিৰ দৰে বিয়পি পৰিছে। নিজৰ চহকী ভাষা, সংস্কৃতি আৰু পৰম্পৰাক হীন চকুৰে চাই বিদেশী চাল-চলনক উচ্চ বুলি ভাবিবলৈ লোৱাটো কোনো কাৰণতে আধুনিকতা হ'ব নোৱাৰে। অসমীয়া সমাজৰ নিজস্ব এক স্বকীয়তা, শালীনতা আৰু মৰ্যাদা আছে। কিন্তু আজিৰ বহু যুৱক-যুৱতীয়ে নিজৰ সংস্কৃতি একাষে থৈ বিদেশী সংস্কৃতিৰ প্ৰতিহে আকৃষ্ট হোৱা দেখা গৈছে। পোছাক-পৰিচ্ছদ আৰু সাজ-সজ্জাৰ ক্ষেত্ৰতো শালীনতাৰ সীমা চেৰাই যোৱা দেখা গৈছে। বৰ্তমান সামাজিক মাধ্যম ইয়াৰ এক জ্বলন্ত উদাহৰণ। অৱশ্যে পোছাক পিন্ধাটো কাৰোবাৰ ব্যক্তিগত স্বাধীনতা হ'ব পাৰে, কিন্তু সেই পোছাকে যদি নিজৰ সমাজৰ সুস্থ পৰিৱেশ বিনষ্ট কৰে বা সংস্কৃতিৰ বিকৃতকৰণ কৰে, তেন্তে তাক আধুনিকতা বুলিব নোৱাৰি। আনহাতে সংগীত আৰু নৃত্যৰ নামত যি তৰল সংস্কৃতিৰ পয়োভৰ ঘটিছে, সি যুৱ মনক উচ্চ আৰু ইতিবাচক চিন্তাৰ পৰা আঁতৰাই কেৱল ক্ষন্তেকীয়া আমোদৰ দিশলৈ লৈ গৈছে। এই অন্ধ অনুকৰণে আমাৰ যুৱ প্ৰজন্মক নিজৰ পৰিচয়হীনতাৰ দিশলৈ ঠেলি দিছে, যিটোৱে বিপথে যোৱাৰ এক স্পষ্ট ইঙ্গিত বহন কৰিছে।

ইয়াৰ উপৰিও আধুনিক জীৱনশৈলীয়ে মানুহক অধিক ব্যক্তিকেন্দ্ৰিক কৰি তুলিছে। অৰ্থনৈতিক প্ৰতিযোগিতা আৰু নগৰীকৰণৰ ফলত পূৰ্বৰ যৌথ পৰিয়াল ব্যৱস্থা ভাঙি গৈ একক পৰিয়ালৰ সৃষ্টি হৈছে। ইয়াৰ আটাইতকৈ বেয়া প্ৰভাৱ পৰিছে যুৱ প্ৰজন্মৰ ওপৰত। আজিকালি পৰিয়ালৰ সদস্যসকলৰ মাজত আন্তৰিকতা আৰু কথা-বতৰা হোৱাৰ সুযোগ কমি আহিছে। একেখন ঘৰতে থাকিও সকলোৱে নিজৰ নিজৰ মোবাইল ফোনটোলৈ ব্যস্ত থাকে। ইয়াৰ ফলত যুৱক-যুৱতীসকলে জ্যেষ্ঠসকলৰ পৰা লাভ কৰিবলগীয়া নৈতিক শিক্ষা, লোক-সংস্কৃতিৰ জ্ঞান আৰু মানৱীয় মূল্যবোধৰ পৰা বঞ্চিত হৈছে। সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ ভাবো যুৱ সমাজৰ মাজত হ্ৰাস পাই অহা দেখা গৈছে। কেৱল মই আৰু মোৰ সুখ'-এই চৰম স্বাৰ্থপৰতা আৰু ভোগবাদী সংস্কৃতিয়ে যুৱ সমাজক সমাজবিচ্ছিন্ন কৰি তুলিছে। পূৰ্বতে গাঁৱৰ বা চুবুৰীৰ যিকোনো সামাজিক কামত যুৱক-যুৱতীসকলে যি স্বতঃস্ফূৰ্ত অংশগ্ৰহণ কৰিছিল, আজিকালি সেই দৃশ্য বিৰল হৈ পৰিছে। যেতিয়া এজন যুৱক বা যুৱতীয়ে সমাজৰ দুখ-কষ্টক উপলব্ধি কৰিব নোৱাৰে, তেতিয়া তেওঁলোকৰ মনত সহানুভূতি, সহনশীলতা আৰু দয়াৰ দৰে পবিত্ৰ গুণসমূহ লোপ পায়। পৰিয়াল আৰু সমাজৰ পৰা এই আত্মকেন্দ্ৰিক দূৰত্বই তেওঁলোকক অপৰাধমূলক দিশলৈ ধাৱিত হোৱাত ইন্ধন যোগাইছে।

আধুনিকতাৰ আটাইতকৈ ক'লা অধ্যায়টো হ'ল যুৱ সমাজৰ মাজত ঘটা চৰম নৈতিক অৱক্ষয় আৰু নিচাযুক্ত দ্ৰব্যৰ বহুল প্ৰচলন। আজিকালি একাংশ যুৱক-যুৱতীৰ বাবে সুৰাপান, ভাং বা অন্যান্য মাৰাত্মক ৰাসায়নিক ড্ৰাগছ গ্ৰহণ কৰাটো এক আধুনিক ফেশ্বন বা মৰ্যাদাৰ প্ৰতীক হৈ পৰিছে। বন্ধু-বান্ধৱীৰ মাজত নিজক 'আধুনিক' বা 'উন্নত' বুলি দেখুৱাবলৈ গৈ বহুতে প্ৰথমতে কৌতূহলবশতঃ আৰু পিছলৈ অভ্যাসগতভাৱে এই মৰণফান্দত ভৰি দিয়ে। এই নিচাই কেৱল এজন যুৱকৰ স্বাস্থ্যই নষ্ট কৰা নাই, বৰঞ্চ সমগ্ৰ পৰিয়ালটোলৈ মানসিক আৰু আৰ্থিক অন্ধকাৰ নমাই আনিছে। নিচাৰ পইচা যোগাৰ কৰিবলৈ গৈ যুৱ প্ৰজন্মই চুৰি, ডকাইতিকে ধৰি বাটে-ঘাটে অপৰাধমূলক কাৰ্যৰ দৰে জঘন্য অপৰাধত লিপ্ত হ'বলৈকো কুণ্ঠাবোধ কৰা নাই। ইয়াৰ উপৰিও, গুৰু-জনলৈ শ্ৰদ্ধা-ভক্তি হ্ৰাস পোৱা, জ্যেষ্ঠক অৱমাননা কৰা আৰু নৈতিক আদৰ্শ বিসৰ্জন দি চুটি পথেৰে ধনী বা প্ৰতিষ্ঠিত হোৱাৰ প্ৰৱণতা জীৱনশৈলীৰ অংশ কৰি লৈ যুৱ সমাজ সম্পূৰ্ণৰূপে ধ্বংসৰ গৰাহলৈ গতি কৰিছে। ইয়াক যদি আধুনিকতা বুলি কোৱা হয়, তেন্তে সেই আধুনিকতা সমাজৰ বাবে এক ডাঙৰ অভিশাপ বুলি ক'ব লাগিব।

আজিৰ শিক্ষা ব্যৱস্থাও কেৱল নম্বৰ কেন্দ্ৰিক, পৰীক্ষামুখী আৰু চৰম ব্যৱসায়িক হৈ পৰিছে। ইয়াত পুথিগত জ্ঞান আৰু কাৰিকৰী দক্ষতাক যিমান গুৰুত্ব দিয়া হয়, নৈতিক, আধ্যাত্মিক আৰু মানৱীয় মূল্যবোধৰ শিক্ষাক সিমান গুৰুত্ব দিয়া নহয়। ফলস্বৰূপে, ডিগ্ৰীধাৰী শিক্ষিত যুৱক এজন শিক্ষানুষ্ঠানৰ পৰা ওলাই আহে ঠিকেই, কিন্তু তেওঁ সমাজৰ বাবে এজন সংবেদনশীল সুনাগৰিক হৈ উঠিব নোৱাৰে। আনহাতে, বৰ্তমান অৰ্থনৈতিক বজাৰত চলি থকা তীব্ৰ প্ৰতিযোগিতা আৰু দক্ষতা অনুযায়ী নিযুক্তিহীনতাৰ বাবে যুৱ প্ৰজন্মই এক ভয়াৱহ মানসিক চাপৰ মাজত জীৱন অতিবাহিত কৰিবলগীয়া হয়। অভিভাৱকসকলৰ অতিমাত্ৰা প্ৰত্যাশা আৰু সমাজৰ হেঁচা পূৰণ কৰিব নোৱাৰি বহু মেধাৱী যুৱক-যুৱতীয়ে হতাশাত ভোগে। এই তীব্ৰ মানসিক হতাশাৰ পৰা পৰিত্ৰাণ পাবলৈকে তেওঁলোকে বহু সময়ত ড্ৰাগছৰ আশ্ৰয় লয় বা আত্মহত্যাৰ দৰে চৰম পথ বাছি লয়। গতিকে, সমাজৰ এই ত্ৰুটিপূৰ্ণ গাঁথনি আৰু সংবেদনহীনতায়ো যুৱ সমাজক বিপথে যোৱাত পৰোক্ষভাৱে সহায় কৰিছে।

প্ৰতিটো মুদ্ৰাৰে যেনেকৈ দুটা পিঠি থাকে, ঠিক তেনেকৈ আধুনিকতাৰো এটা অতি উজ্জ্বল, আশাব্যঞ্জক আৰু ইতিবাচক দিশ আছে। সমাজৰ সকলো যুৱক-যুৱতীয়েই বিপথে যোৱা নাই, বৰঞ্চ তেওঁলোকৰ এটা বৃহৎ অংশই আধুনিকতাক এক ধনাত্মক শক্তি হিচাপে ব্যৱহাৰ কৰিছে। বৰ্তমান সময়ত আমাৰ অসমতে এনে বহু যুৱক-যুৱতী ওলাই আহিছে, যি সকলে আধুনিক কাৰিকৰী শিক্ষা আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি কৃষি, মীনপালন বা তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত নতুন নতুন অভিনৱ উদ্যোগ স্থাপন কৰিছে। ইয়াৰ ফলত কেৱল তেওঁলোকেই স্বাৱলম্বী হোৱা নাই, বৰঞ্চ অন্য শ শ নিবনুৱা যুৱক-যুৱতীৰ বাবেও কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে। বিজ্ঞান, ক্ৰীড়া, সাহিত্য, চিকিৎসা আৰু কলা-সংস্কৃতিৰ ক্ষেত্ৰত আমাৰ যুৱ প্ৰজন্মই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ নাম উজ্জ্বলাই তুলিছে। তেওঁলোকে পুৰণি কুসংস্কাৰ, ডাইনী হত্যা বা লিংগ বৈষম্যৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে তীব্ৰ জনমত গঢ়ি তুলিছে। পৰিৱেশ সংৰক্ষণ, গোলকীয় উষ্ণতা বৃদ্ধিৰ বিৰুদ্ধে সজাগতা আৰু বানপীড়িত ৰাইজক সহায় কৰাৰ বাবে যুৱ সমাজে যিধৰণে আগভাগ লৈছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। এয়াও আধুনিকতাৰে এক শ্ৰেষ্ঠ স্বৰূপ। এই ইতিবাচক শক্তিক আমি কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰো। তেওঁলোকে প্ৰমাণ কৰিছে যে আধুনিকতা মানেই বিপথে যোৱা নহয়, বৰঞ্চ ই হৈছে দেশ আৰু জাতিক প্ৰগতিৰ দিশত আগুৱাই নিয়াৰ এক শক্তিশালী মাধ্যম।

দৰাচলতে যুৱ সমাজক বিপথে যোৱাৰ পৰা ৰক্ষা কৰি আধুনিকতাৰ সঠিক পথেৰে পৰিচালিত কৰিবলৈ হ'লে সমাজৰ প্ৰতিটো স্তৰৰ পৰা এক সন্মিলিত আৰু দীৰ্ঘম্যাদী প্ৰচেষ্টাৰ প্ৰয়োজন। ইয়াত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব পৰিয়ালে। অভিভাৱকসকলে সন্তানক কেৱল ভৌতিক বা বস্তুগত সুখ-সুবিধা আৰু পইচা দিলেই নহ'ব, তেওঁলোকক পৰ্যাপ্ত সময় দিব লাগিব। সন্তানৰ লগত বন্ধুৰ দৰে ব্যৱহাৰ কৰি তেওঁলোকৰ মনৰ কথা, সমস্যা বা সংশয়সমূহ বুজিবলৈ চেষ্টা কৰিব লাগিব আৰু সৰুৰে পৰা সমাজৰ প্ৰতি আদৰ্শবান হোৱাৰ নৈতিক শিক্ষা প্ৰদান কৰিব লাগিব। আমাৰ শিক্ষানুষ্ঠানসমূহেও কেৱল নম্বৰৰ পিছত দৌৰাৰ যান্ত্ৰিক প্ৰৱণতা সলাই ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু আধ্যাত্মিক বিকাশৰ ওপৰত গুৰুত্ব দিব লাগিব। পাঠ্যক্ৰমত মূল্যবোধৰ শিক্ষা, সমাজসেৱা আৰু যোগ বা ধ্যানৰ দৰে মানসিক উৎকৰ্ষ সাধন কৰা বিষয় বাধ্যতামূলকভাৱে অন্তৰ্ভুক্ত কৰিব লাগে। সমাজেও যুৱ প্ৰজন্মক কেৱল অন্ধ সমালোচনা বা তিৰস্কাৰ কৰাৰ পৰিৱৰ্তন কৰি তেওঁলোকৰ মাজত থকা সুপ্ত প্ৰতিভা বিকাশৰ বাবে ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক অনুষ্ঠানৰে এক সুস্থ পৰিৱেশ গঢ়ি তুলিব লাগিব। নিচাযুক্ত দ্ৰব্যৰ অবৈধ ব্যৱসায় কৰা সমাজবিৰোধী চক্ৰসমূহৰ বিৰুদ্ধে প্ৰশাসন আৰু আৰক্ষীয়ে চৰম কঠোৰ স্থিতি গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী।

পৰিশেষত ক'ব পাৰি যে, আধুনিকতা নিজেই কোনো পাপ, অপৰাধ বা অভিশাপ নহয়। ই হৈছে নদীৰ চিৰপ্ৰবাহী সোঁতৰ দৰে, যাক কোনো কৃত্ৰিম বান্ধেৰে ভেটি ৰাখিব নোৱাৰি। সময়ৰ পৰিৱৰ্তনৰ লগত খোজ মিলাই নিজক উন্নীত কৰাটোৱেই হৈছে জীৱনৰ চিৰন্তন নিয়ম। কিন্তু সেই সোঁতত উটি গৈ যদি নিজৰ ভাষা, কৃষ্টি আৰু জাতীয় পৰিচয় বিলীন হৈ যায়, তেন্তে সেই তথাকথিত প্ৰগতিৰ কোনো মূল্য নাই। যুৱ সমাজে গভীৰভাৱে বুজিব লাগিব যে, আধুনিক হোৱাৰ অৰ্থ পুৰণি সজ্জনতা, সততা আৰু সমাজপ্ৰিয়তাক বিসৰ্জন দিয়া নহয়। আমাৰ ভৱিষ্যতৰ মূল মন্ত্ৰ হ'ব লাগে- 'ঐতিহ্যৰ সুদৃঢ় ভেটিত আধুনিকতাৰ নৱ প্ৰাসাদ নিৰ্মাণ কৰা।' অৰ্থাৎ আমাৰ চহকী অসমীয়া সংস্কৃতি, শংকৰী সংস্কৃতিৰ উদাৰতা, চুফী সাধক আজান ফকীৰৰ সমন্বয়বাদী চিন্তা আৰু পূৰ্বপুৰুষৰ নৈতিক মূল্যবোধক হৃদয়ত অক্ষুণ্ণ ৰাখি বিশ্বৰ বিজ্ঞান, প্ৰযুক্তি আৰু আধুনিক জ্ঞানক আদৰি ল'ব লাগিব। যেতিয়া আমাৰ যুৱ সমাজে এই সুন্দৰ সমন্বয় ৰক্ষা কৰি জীৱন পথত আগবাঢ়িব পাৰিব, তেতিয়া আধুনিকতা বিপথে যোৱাৰ নামান্তৰ নহৈ মানৱ সভ্যতা আৰু আমাৰ অসমীয়া সমাজৰ উত্তৰণৰ এক সোণালী খোজত পৰিণত হ'ব। আজিৰ যুৱ প্ৰজন্মই নিজৰ বিবেক আৰু আত্মশক্তিক জাগ্ৰত কৰি এই ঐতিহাসিক সত্যক উপলব্ধি কৰাটোৱেই হ'ল বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজন।

# বিশ্বকাপ ফুটবলত ভাৰত ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা

ললিত নাথ

প্ৰতি চাৰি বছৰৰ মূৰে মূৰে সমগ্ৰ বিশ্বই যেতিয়া ফুটবলৰ আটাইতকৈ ডাঙৰ উৎসৱত মতলীয়া হয়, তেতিয়া ১৪০ কোটি জনসংখ্যাৰ এই বিশাল ভাৰতবৰ্ষখনো এক অভূতপূৰ্ব ক্ৰীড়া আৱেগত বুৰ যায়। ব্ৰাজিল, আৰ্জেণ্টিনা, জাৰ্মানী, ফ্ৰান্স আদি প্ৰিয় দলসমূহৰ জাৰ্চি পিন্ধি, পতাকা উৰুৱাই ভাৰতীয় খেলপ্ৰেমীসকলে যি আনন্দ আৰু উল্লাস প্ৰদৰ্শন কৰে, সি সঁচাকৈয়ে চাবলগীয়া।

কিন্তু এই উল্লাস, ফুটবলক লৈ কৰা চৰ্চা আৰু কোটি কোটি অনুৰাগীৰ উজাগৰী নিশাৰ মাজতো এটা ডাঙৰ প্ৰশ্নই প্ৰতিজন ভাৰতীয়ৰ মন জোকাৰি যায়। প্ৰশ্নটো হৈছে- বিশ্বৰ আটাইতকৈ জনপ্ৰিয় খেলখনৰ এই ডাঙৰ মঞ্চত আমাৰ নিজৰ দেশখনক আমি কেতিয়া দেখিবলৈ পাম?

আজিৰ ভাৰতবৰ্ষই অৰ্থনীতি, প্ৰযুক্তি আৰু অন্যান্য খেলৰ ক্ষেত্ৰত বিশ্বৰ বুকুত ডাঙৰ সফলতা অৰ্জন কৰিছে। গতিকে, তেনে এখন দেশৰ বাবে ফুটবলৰ মূল মঞ্চত স্থান পোৱাটো এতিয়া কেৱল এটা সপোন হৈ থকা নাই, বৰঞ্চ ই আমাৰ এক অনিবাৰ্য লক্ষ্য হৈ পৰিছে। ইতিহাস চালে দেখা যায় যে ভাৰতীয় ফুটবলৰ ভেটিটো এসময়ত অতি মজবুত আছিল। কুৰি শতিকাৰ মাজভাগত ভাৰতীয় ফুটবলে এক সোণালী যুগৰ সূচনা কৰিছিল। ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত ইউৰোপৰ শক্তিশালী দলসমূহৰ বিৰুদ্ধে ভাৰতীয় দলে যি সাহসেৰে যুঁজিছিল, সি আজিও আমাৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ আছে। তাতকৈও ডাঙৰ কথাটো হ'ল, ১৯৫০ চনৰ ব্ৰাজিল বিশ্বকাপত খেলিবলৈ ভাৰতীয় দলে সুযোগ পাইছিল। এছিয়াৰ আন কেইবাটাও দলে নাম প্ৰত্যাহাৰ কৰাৰ বাবে ভাৰতে এই সুযোগ লাভ কৰিছিল। কিন্তু কিছুমান কাৰিকৰী অসুবিধা, আৰ্থিক নাটনি আৰু দীৰ্ঘদিনীয়া ভ্ৰমণৰ সমস্যাৰ বাবে সেইবাৰ ভাৰতৰ অংশগ্ৰহণ কৰা সম্ভৱ নহ'ল। তথাপিও ১৯৫১ আৰু ১৯৬২ চনৰ এছিয়ান গেমছত স্বৰ্ণ পদক জিকি ভাৰতে নিজৰ দক্ষতা প্ৰমাণ কৰিছিল। অতীতৰ সেই শক্তিশালী দিনবোৰেই আমাক আজিও মনত পেলাই দিয়ে যে আমাৰ মাজত ফুটবলৰ প্ৰতিভা আৰু সম্ভাৱনাৰ কোনো অভাৱ নাই।

অৱশ্যে, যোৱা কেইটামান দশকত বিশ্ব ফুটবলৰ গঢ়গতি বহুত সলনি হ'ল। তাৰ সৈতে খোজ মিলাবলৈ আমাকো এক নতুন আৰু আধুনিক খেল সংস্কৃতিৰ প্ৰয়োজন হৈ পৰিছে। পৃথিৱীৰ আগশাৰীৰ ফুটবল খেলা দেশবোৰত সৰুৰে পৰাই ল'ৰা-ছোৱালীক বৈজ্ঞানিক পদ্ধতিৰে প্ৰশিক্ষণ দিয়া হয়। আমাৰ দেশতো এতিয়া সেই দিশত খোজ পেলোৱা হৈছে। তৃণমূল পৰ্যায়ৰ খেলুৱৈসকলক আগবঢ়াই আনিবলৈ আৰু খেলপথাৰৰ সা-সুবিধা উন্নত কৰিবলৈ সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন আৰু বিভিন্ন ৰাজ্যিক সংস্থাসমূহে এতিয়া নতুন নতুন আঁচনি হাতত লৈছে। খেলুৱৈসকলক শাৰীৰিক, মানসিক আৰু কৌশলগত দিশত শক্তিশালী কৰি তুলিবলৈ উন্নত প্ৰশিক্ষণ আৰু প্ৰযুক্তিৰ ব্যৱহাৰ এতিয়া লাহে লাহে বাঢ়ি আহিছে। ই আমাৰ ফুটবলৰ ভৱিষ্যতৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই আনিছে।

ইণ্ডিয়ান ছুপাৰ লীগ আৰু নতুন প্ৰজন্মৰ সজাগতা শেহতীয়া বছৰবোৰত ভাৰতীয় ফুটবলৰ পৰিৱেশ আৰু চিন্তাধাৰাত এক ডাঙৰ ইতিবাচক পৰিৱৰ্তন দেখা গৈছে। 'ইণ্ডিয়ান ছুপাৰ লীগ'ৰ দৰে পেচাদাৰী প্ৰতিযোগিতাই দেশৰ যুৱ প্ৰতিভাসমূহক এক আন্তঃৰাষ্ট্ৰীয় মানৰ খেলপথাৰ উপহাৰ দিছে। বিদেশী প্ৰশিক্ষক আৰু বিশ্বমানৰ খেলুৱৈৰ সৈতে একেলগে খেলিবলৈ পোৱাৰ বাবে আমাৰ থলুৱা খেলুৱৈসকলৰ আত্মবিশ্বাস বহুখিনি বৃদ্ধি পাইছে। ক্ৰিকেটৰ দৰেই ফুটবলকো এতিয়া এটা সুৰক্ষিত আৰু ভাল কেৰিয়াৰ হিচাপে গঢ়ি তুলিব পৰা পৰিৱেশ এটা সৃষ্টি হৈছে। ইয়াৰ ফলত নতুন প্ৰজন্মৰ পিতৃ-মাতৃসকলেও সন্তানক ফুটবল খেলিবলৈ উৎসাহিত কৰিবলৈ লৈছে। ভাৰতীয় ফুটবলৰ প্ৰধান কেন্দ্ৰস্বৰূপ আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে কেৰালা, গোৱা আৰু পশ্চিম বংগৰ দৰে ৰাজ্যসমূহৰ পৰা অহা প্ৰতিভাৱান যুৱকসকলে ৰাষ্ট্ৰীয় দলটোক এক নতুন শক্তি প্ৰদান কৰিছে। ফিফা বিশ্বকাপত খেলিব পৰা দলৰ সংখ্যা ৪৮টালৈ বৃদ্ধি কৰাৰ বাবে এতিয়া এছিয়া মহাদেশৰ পৰা যোগ্যতা অৰ্জন কৰাৰ পথ বহুখিনি সহজ হৈ পৰিছে। এই সুযোগ গ্ৰহণ কৰিবলৈ হ'লে আমাক এতিয়া এটা সুন্দৰ আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰয়োজন। স্কুল পৰ্যায়ৰ পৰাই ফুটবলক খেল-ধেমালিৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি নতুন প্ৰতিভা বিচাৰি উলিওৱাৰ প্ৰক্ৰিয়াতোক অধিক গতিশীল কৰিব লাগিব।

চৰকাৰী প্ৰচেষ্টাৰ লগতে ব্যক্তিগত বা কৰ্পোৰেট খণ্ডৰ বিনিয়োগেৰে যদি দেশৰ চুকে-কোণে ভাল ফুটবল একাডেমী গঢ়ি উঠে, তেন্তে ভাৰতীয় ফুটবলেও অতি সোনকালে বিশ্বকাপ খেলিবলৈ যোগ্যতা অৰ্জন কৰিব পাৰিব। কিংবদন্তী ফুটবলাৰ সুনীল ছেত্ৰীৰ অৱদানৰ পিছত এতিয়া নতুন প্ৰজন্মৰ খেলুৱৈসকলৰ কান্ধত দেশৰ ফুটবলক আগবঢ়াই নিয়াৰ এক ডাঙৰ দায়িত্ব পৰিছে। আমাৰ ডেকা খেলুৱৈসকলৰ মাজত থকা খেলৰ হেঁপাহ আৰু কঠোৰ পৰিশ্ৰমে বুজাই দিয়ে যে তেওঁলোক যিকোনো প্ৰত্যাহ্বানৰ বাবে সাজু। ১৪০ কোটি জনসংখ্যাৰ এই দেশখনত বিশ্বমানৰ ১১জন খেলুৱৈৰ এটা শক্তিশালী দল গঢ়ি তোলাটো কেতিয়াও অসম্ভৱ হ'ব নোৱাৰে। ইয়াৰ বাবে কেৱল প্ৰয়োজন সঠিক প্ৰশিক্ষণ আৰু গভীৰ আত্মবিশ্বাসৰ।

এই বৃহৎ লক্ষ্যক সাৰোগত কৰিয়েই ভাৰতীয় ফুটবলে এতিয়া খোজ পেলাইছে এক নতুন সংগ্ৰামৰ পথাৰত। শেহতীয়া বিশ্বকাপৰ যোগ্যতা অৰ্জন পৰ্ব তথা বিশ্ব ৰেংকিঙত আমাৰ স্থিতি আশানুৰূপ নহ'লেও, এই প্ৰত্যাহ্বানে আমাৰ সপোনক ম্লান কৰা নাই। বৰঞ্চ, বিশ্বকাপ খেলাৰ লক্ষ্যক বাস্তৱ ৰূপ দিবলৈ তৃণমূল পৰ্যায়ৰ ক্ৰীড়া বিকাশ, পেচাদাৰী লীগ আৰু উন্নত প্ৰশিক্ষণৰ জৰিয়তে ভাৰতীয় ফুটবলৰ মানদণ্ডক এক নতুন উচ্চতালৈ নিবলৈ এতিয়া এক ধাৰাবাহিক আৰু প্ৰণালীবদ্ধ প্ৰচেষ্টা চলি আছে।

যেতিয়া ফিফা বিশ্বকাপৰ মূল খেলপথাৰত আমাৰ ত্ৰিৰংগা পতাকাখন উৰিব আৰু লাখ লাখ দৰ্শকৰ সন্মুখত ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত বাজি উঠিব, সেয়া হ'ব প্ৰতিজন ভাৰতীয়ৰ বাবে আটাইতকৈ গৌৰৱৰ মুহূৰ্ত। ভাৰতৰ ফুটবল অনুৰাগীসকলে সদায় সেই ঐতিহাসিক দিনটোলৈ অপেক্ষা কৰি আছে, যিদিনা নীলা জাৰ্চি পিন্ধি আমাৰ খেলুৱৈসকলে বিশ্বৰ আগশাৰীৰ দলসমূহৰ বিৰুদ্ধে খেলপথাৰত নামিব। বৰ্তমানে গ্ৰহণ কৰা সুপৰিকল্পিত পদক্ষেপ আৰু ইতিবাচক পৰিৱেশে আমাৰ বুকুত এই বিশ্বাস গভীৰ কৰি তুলিছে যে, আগন্তুক দিনবোৰত বিশ্বকাপৰ মূল মঞ্চত ভাৰতৰ নামটো নিশ্চয় সগৌৰৱে জিলিকি উঠিব।

# গ্ৰন্থৰ নীৰৱ জ্যোতি- গ্ৰন্থোৎসৱ

নিবেদিতা হাজৰিকা

গ্ৰন্থৰো আছে এক সুকীয়া সুবাস। যি সুবাসে নিচাসক্ত কৰি তোলে গ্ৰন্থ প্ৰেমী সকলক। সেয়ে গ্ৰন্থপ্ৰেমী বহু জনে গ্ৰন্থ মেলাৰ বাবে অধীৰ ভাৱে অপেক্ষা কৰে। গ্ৰন্থ হৈছে মানৱ জীৱনৰ অমূল্য সম্পদ। কিতাপৰ সম পৰম বন্ধু নাই বুলিয়ে ক'ব পাৰি। কিতাপ নথকা ঘৰক খিৰিকী বিহীন কোঠাৰ লগত তুলনা কৰা হয়। যি ব্যক্তি এবাৰ কিতাপৰ প্ৰেমত পৰিছে, যি ব্যক্তিৰ কিতাপৰ লগত সম্পৰ্ক গঢ়ি উঠিছে তেনে ব্যক্তিৰ বাবে গ্ৰন্থমেলা এক উৎসৱৰ দৰে বুলি ক'ব পাৰি। এই আনন্দ আন আন উৎসৱৰ সমান মন আহ্লাদিত কৰা বতৰা বহুজনৰ বাবে।

শৰৎ কালৰ পৰাই অসমত গ্ৰন্থমেলাৰ বতৰ আৰম্ভ হয়। অসমৰ প্ৰান্তে-প্ৰান্তে উন্মোচিত হয় ভিন্ন স্বাদৰ কিতাপ আৰু এই বাণিজ্যিক অনুষ্ঠানৰ জৰিয়তে প্ৰকাশকে কিতাপ প্ৰদৰ্শন আৰু ব্যৱসায় কৰে। গ্ৰন্থৰ সুবাসেৰে সেই কেইদিন সুবাসিত হৈ পৰে। ন-পুৰনি লেখক-লেখিকা, সাহিত্যিকৰ চিন্তাৰ ফচল স্বৰূপ নতুন ৰসেৰে সমৃদ্ধ গ্ৰন্থৰ পৃথিৱী খনত যিয়ে এবাৰ ভৰি থৈছে তেওঁ অতি আগ্ৰহেৰে গ্ৰন্থ মেলালৈ অধীৰ ভাৱে অপেক্ষা কৰি থাকে। ভিন্ন ৰুচিবোধৰ কিতাপেৰে সমৃদ্ধ হৈ থকা গ্ৰন্থমেলাৰ বাকৰিত নিজৰ পছন্দৰ কিতাপ খনৰ সন্ধানত ঘূৰি ফুৰা গ্ৰন্থপ্ৰেমী সকলেৰে উদুলি- মুদুলি হৈ থকা, উদুলি-মুদুলি হৈ পৰা যি নান্দনিক পৰিৱেশ সেই পৰিৱেশ দেখিয়েই ভাল লাগে। সেই কেইদিন এক উৎসৱৰ মুখৰ পৰিৱেশে বিৰাজ কৰে।

গ্ৰন্থমেলাত যে কেৱল গ্ৰন্থ হে বিক্ৰী হয় তেনে নহয়। ইয়াত গ্ৰন্থৰ বেচা-কিনা বা উন্মোচন বা মুকলি হোৱাৰ উপৰিও গ্ৰন্থমেলা সমূহত বিভিন্ন আকৰ্ষণীয় তথা জ্ঞান বৰ্ধক অনুষ্ঠান আদৰো আয়োজন কৰা হয়। গ্ৰন্থৰ সমাদৰ বঢ়াৰ লগে-লগে গ্ৰন্থ মেলাৰ আয়োজন ও ব্যাপক হাৰত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। গ্ৰন্থ প্ৰেমী সকলৰ বাবে ই এক শুভ বাৰ্তা। গ্ৰন্থৰ জনপ্ৰিয়তা আৰু পঢ়ুৱৈ সৃষ্টিৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰিবলৈ সক্ষম হোৱা গ্ৰন্থমেলাৰ গুণগত মান যাতে অক্ষুণ্ন থাকে সেই কথাৰ প্ৰতিও লক্ষ্য ৰখা উচিত। গ্ৰন্থ মেলা সমূহ কেৱল বাণিজ্যিক ভিত্তিত আয়োজন নকৰি ইয়াৰ গুণগত মানৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলেহে গ্ৰন্থমেলাৰ দ্বাৰা এখন সুস্থ বৌদ্ধিক সমাজ গঢ় লৈ উঠাত সহায়ক হ'ব। বৰ্তমান বহুতো অঞ্চলতে গ্ৰন্থমেলা হৈ আছে। সেয়ে ব্যস্ততাৰ মাজতো অলপ সময় উলিয়াই গ্ৰন্থৰ জগত খনত বিচৰণ কৰক আৰু ভিন্ন গ্ৰন্থৰ সুবাসত লাভ কৰক এক অনন্য অভিজ্ঞতা। প্ৰজ্ঞাৰ সাধনেই হ'ল কিতাপ পঢ়াৰ উদ্দেশ্য। সেয়ে সৰুৰে পৰা কিতাপৰ লগত সম্পৰ্ক গঢ়ি তুলিবৰ প্ৰয়াস কৰিব লাগে যাতে আমি নিজকে প্ৰজ্ঞাৰ সাধক হিচাপে গঢ়ি তোলাৰ লগতে জ্ঞান অন্বেষক হিচাপে নিজক গঢ়ি তুলিব পাৰো। কিতাপৰ লগত গঢ়ি তোলা সম্পৰ্ক অন্য কোনো সম্পৰ্কৰ লগত তুলনা নহয়। সেয়ে আমি পাৰ্যমানে গ্ৰন্থৰ লগত সম্পৰ্ক গঢ়ি তোলাৰ প্ৰয়াস কৰিব লাগে। গ্ৰন্থ আৰু গ্ৰন্থ মেলাৰ জ্যোতিয়ে সকলো গ্ৰন্থপ্ৰেমী লোকৰ মনবোৰ উজ্জীৱিত, আলোকিত কৰি তোলে। গ্ৰন্থ তথা গ্ৰন্থমেলাৰ সৌন্দৰ্য আন সৌন্দৰ্য মেলাতকৈ পৃথক আৰু অনন্য। অনন্ত চিন্তাৰ বাহক গ্ৰন্থ আৰু গ্ৰন্থমেলাই আমাক প্ৰদান কৰে অনাবিল আনন্দ, সৃষ্টিশীলতাৰ প্ৰতি সন্মান, সৃষ্টিশীল মনোভাৱ, জ্ঞানৰ অন্বেষণ ঘটোৱা, ব্যক্তিত্বৰ বিকাশ সাধন আদিৰ দৰে মহৎ কাৰ্য সাধিত কৰে। সেয়ে হাজাৰ ব্যস্ততাৰ মাজতো গ্ৰন্থ প্ৰেমী সকলে বুৰ যাব খোজে গ্ৰন্থৰ বুকুত, আগ্ৰহেৰে ৰৈ থাকে সাঁচতীয়া টকাৰে গ্ৰন্থ ক্ৰয়ৰ বাবে।

# নতুন শিঙৰী বৰনামঘৰত বাৰ্ষিক সেৱা বৰসবাহ উদ্‌যাপন; উপস্থিত মন্ত্ৰী অশোক সিংহল



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১২ জুন ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত নতুন শিঙৰী বৰনামঘৰ প্ৰাংগণত বিগত বৰ্ষসমূহৰ দৰেই চলিত বৰ্ষতো যোৱা ৭ জুন, দেওবাৰে বাৰ্ষিক সেৱা বৰসবাহ উলহ-মালহেৰে উদযাপন কৰা হয়। ভক্তিমূলক পৰিবেশত অনুষ্ঠিত এই ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠানত অঞ্চলটোৰ শতাধিক ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰি নামঘৰীয়া পৰম্পৰা আৰু আধ্যাত্মিক মূল্যবোধৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। নতুন শিঙৰীবাসী ভক্তপ্ৰাণ ৰাইজৰ সক্ৰিয় সহযোগত আয়োজিত অনুষ্ঠানটিত বিশেষ অতিথি হিচাপে উপস্থিত থাকে অসম মন্ত্ৰীসভাৰ নৱনিযুক্ত মন্ত্ৰী তথা ৬৫ নং ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক অশোক সিংহল। মন্ত্ৰীগৰাকীৰ আগমনত নামঘৰ প্ৰাংগণত এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। উপস্থিত ৰাইজে হৰিধ্বনি, উৰুলী আৰু উষ্ম আদৰণিৰে তেখেতক সম্ভাষণ জনায়। অনুষ্ঠানৰ আৰম্ভণিতে বৰনামঘৰ উন্নয়ন সমিতিৰ সভাপতি খগেন্দ্ৰ দাসে মন্ত্ৰীগৰাকীক এখনি ফুলাম গামোচা প্ৰদান কৰি সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পিছতে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী অশোক সিংহলে অসমীয়া সমাজ জীৱনত নামঘৰ আৰু নামঘৰীয়া সংস্কৃতিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেখেতে কয় যে নামঘৰ কেৱল ধৰ্মীয় উপাসনাৰ স্থান নহয়, ই অসমীয়া সমাজৰ ঐক্য, ভ্ৰাতৃত্ববোধ, নৈতিক শিক্ষা আৰু সাংস্কৃতিক চেতনাৰ এক শক্তিশালী কেন্দ্ৰ। তেখেতে বিশেষকৈ উঠি অহা নৱ প্ৰজন্মক নিজৰ শিপা, পৰম্পৰা আৰু সংস্কৃতিৰ সৈতে জড়িত থাকিবলৈ আহ্বান জনাই কয় যে আধুনিকতাৰ দৌৰত নিজৰ সাংস্কৃতিক পৰিচয় পাহৰি যোৱাটো উচিত নহয়। নতুন প্ৰজন্মই নামঘৰীয়া সংস্কৃতি, সত্ৰীয়া পৰম্পৰা আৰু সামাজিক মূল্যবোধক আগুৱাই নিয়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব বুলিও তেখেতে মত প্ৰকাশ কৰে। অনুষ্ঠানত যজ্ঞৰাম ভৰালী, তুলাৰাম শইকীয়া (কাকতি), ভোলাৰাম দাস, ৰঘুৰাম দাস, মথুৰা দাস, নগেন দাস, পুষ্পকান্ত দাস, প্ৰবীণ শইকীয়া, বৰনামঘৰ উন্নয়ন সমিতিৰ সম্পাদক হৰেন্দ্ৰ দাস, প্ৰশান্ত হাজৰিকা, গহীন হাজৰিকা, মাধৱ দাসকে ধৰি বহু গণ্যমান্য ব্যক্তি আৰু ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। ধৰ্মীয় আচাৰ-অনুষ্ঠান, নাম-প্ৰসংগ আৰু ভক্তিমূলক কাৰ্যসূচীৰে মুখৰিত হৈ পৰা এই বাৰ্ষিক সেৱা বৰসবাহে অঞ্চলটোৰ সামাজিক সম্প্ৰীতি, সাংস্কৃতিক ঐক্য আৰু আধ্যাত্মিক চেতনাক অধিক শক্তিশালী কৰি তোলাত সহায়ক হোৱাৰ লগতে উপস্থিত ৰাইজৰ মাজত এক আনন্দময় পৰিবেশৰ সৃষ্টি কৰে।

# ছিপাঝাৰৰ সৰাবাৰী আৰু নামখলা গাঁও পঞ্চায়তত ৰাইজৰ পদূলীত ৰাইজৰ সমাধান শীৰ্ষক অনুষ্ঠানত বিধায়ক ড° পৰমানন্দ ৰাজবংশীক সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, খৈৰাবাৰী, ১২ জুন ঃ** দৰঙৰ ছিপাঝাৰ সমষ্টিৰ নামখলা আৰু সৰাবাৰী গাঁও পঞ্চায়তত যোৱা কালি ৰাইজৰ পদূলিত ৰাইজৰ সমাধান শীৰ্ষক কাৰ্যসূচীৰ লগতে সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। বিজেপি দেওমৰনৈ মণ্ডলৰ সভাপতি ভাস্কৰ দিবাকৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত সভাত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আৰু অঞ্চলবাসী ৰাইজে উষ্ম আদৰণি তথা সম্বৰ্ধনা জনায় নৱনিৰ্বাচিত বিধায়ক ড° পৰমানন্দ ৰাজবংশীক। নৱনিৰ্বাচিত বিধায়ক গৰাকীয়ে ৰাইজৰ বিপুল সম্বৰ্ধনা গ্ৰহণ কৰি গাঁও পঞ্চায়ত দুখনৰ ভিন্ন ভিন্ন অভাৱ অভিযোগ সমূহ বুজলোৱাৰ সমান্তৰাল ভাবে ১৯৫৮চনতে স্থাপন হোৱা ১২ বিঘা ভূমিৰ নামখলা সামুহিক স্বাস্থ্য কেন্দ্ৰটি পৰিদৰ্শন কৰাৰ লগতে ৫০খন বিছনা যুক্ত চিকিৎসালয়ৰ লগতে উন্নত চিকিৎসা প্ৰদানৰ আশ্বাস প্ৰদান কৰে ৰাইজক। ইয়াৰ পিচতে তেখেত নামখলা পঞ্চায়ত ৰাইজৰ পদূলীত ৰাইজৰ সমাধান শীৰ্ষক কাৰ্য্যসুচী তথা সম্বৰ্ধনা সভাত অংশগ্ৰহণ কৰে। সভাত নৱনিৰ্বাচিত বিধায়ক গৰাকীৰ লগতে সৰাবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী অনিতা ডেকা, আঞ্চলিক পঞ্চায়তৰ সদস্যা মৰমী হীৰা ডেকা, মৃদুল কলিতা, নামখলা গাওঁ পঞ্চায়তৰ সভানেত্ৰী নিকুমণি শইকীয়া, বুঢ়ীনগৰ গাও পঞ্চায়তৰ সভানেত্ৰী পম্পি ডেকা, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, দৰং জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেন ডেকা, জিলা পৰিষদৰ সদস্যা ৰূপালী দেৱী, বিজেপিৰ জ্যেষ্ঠ কাৰ্য্যকৰ্তা অমুল্য দাস, গোপাল কৃষ্ণ ডেকা, প্ৰণৱ কলিতা, কন্দৰ্প কলিতা, শক্তিকেন্দ্ৰৰ আহ্বায়ক কিশোৰ বৰুৱা, নাৰায়ণ ভট্টসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত পৰমানন্দ ৰাজবংশীক অসমীয়াৰ স্বভিমান ফুলাম গামোচা, জাপি, ফুলৰ থোপা, চেলেং, মানপত্ৰ, আৰনাই আৰু নাৰিকলৰ পুলিৰে নামখলা পঞ্চায়ত আৰু সৰাবাৰী গাওঁ পঞ্চায়তৰ অন্তগত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে-লগতে দল-সংগঠন সমূহৰ তৰফৰ পৰা প্ৰায় শতাধিক লোকে উষ্ম আদৰণি জনায়।

## প্ৰণৱজ্যোতি শইকীয়ালৈ অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ সংগঠকৰ সন্মান

**অসম বাৰ্তা, নুমলীগড়, ১২ জুন ঃ** অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ শাখাৰ সন্মান প্ৰাপ্ত নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সম্পাদক, লেখক, প্ৰাক্তন সাংবাদিক প্ৰণৱজ্যোতি শইকীয়ালৈ অসম সাহিত্য সভাই ২০২৫-২০২৭ বৰ্ষৰ শ্ৰেষ্ঠ সাংগঠনিক সংগঠকৰ সন্মান আগবঢ়াইছে। গোলাঘাটত যোৱা ৭ জুনত অনুষ্ঠিত পঞ্চম কাৰ্যনিৰ্বাহকৰ গোলাঘাট অধিবেশনত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী আৰু উপ-সভাপতি পদুম ৰাজখুৱাই এই সন্মান প্ৰদান কৰে। উল্লেখ্য যে যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক, প্ৰকাশন সচিব আৰু বৰ্তমান ৰূপালী জয়ন্তী বৰ্ষ গৰকা নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই ২০২৫-২৬ বৰ্ষত শতাধিক আজীৱন সভ্য কৰাৰ লগতে বিভিন্ন কাৰ্যসূচীৰে অসম সাহিত্য সভাক জনমুখী কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। শাখাৰ সম্পাদক গৰাকীক এই সন্মান প্ৰদান কৰাৰ বাবে শাখাৰ কৰ্মকৰ্তা সকলে অসম সাহিত্য সভাক ধন্যবাদ জ্ঞাপন কৰিছে।

# পশ্চিম নলবাৰী প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, চামতা, ১২ জুন ঃ** কাইলৈ অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ অন্তৰ্গত পশ্চিম নলবাৰী প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিবেশনখন অনুষ্ঠিত কৰা হ'ব। অধিবেশনখন এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰী জিলাৰ ২২ নং বনগাঁও গাঁও পঞ্চায়তৰ সভাগৃহত অনুষ্ঠিত কৰা হ'ব। উক্ত অধিবেশনখন সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তুলিবলৈ সন্মিলনীৰ শিক্ষকসকলৰ সক্ৰিয় অংশগ্ৰহণ আৰু সহায়-সহযোগিতা কামনা কৰিছে ভাৰপ্ৰাপ্ত সভাপতি মহানন্দ দাস আৰু সম্পাদক জয়ন্ত তালুকদাৰে। সন্মিলনীৰ অভ্যৰ্থনা সমিতিৰ সভাপতি পবিত্ৰ কুমাৰ ডেকা আৰু সম্পাদক ফুকন ডেকাই জানিবলৈ দিয়া অনুসৰি, পুৱা ৮ বজাত পতাকা উত্তোলনৰ পিচত ছহিদ তৰ্পণৰ লগতে সৰ্বপল্লী ড° ৰাধাকৃষ্ণণন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু, বিশ্বকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধা জ্ঞাপন কৰা হ'ব। তাৰপিচত শিক্ষক পঞ্জীয়ন, প্ৰতিনিধি সভা আৰু বিষয়বাছনি সভা অনুষ্ঠিত কৰা হ'ব। বিয়লি ১ বজাত মুকলি সভাৰ অন্তত প্ৰীতি ভোজনৰো আয়োজন কৰা হৈছে বুলি শিক্ষক কমল কুমাৰ তালুকদাৰে জানিবলৈ দিয়ে। উল্লেখ্য যে, উক্ত অধিবেশনত বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শক, ৰঙিয়াৰ ভৱেশ তালুকদাৰ, পশ্চিম নলবাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মঞ্জু দেৱী, বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ মুখ্য পৰিচালন সঞ্চালক মীৰাৰাণী ডেকা, পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মা আৰু কাৰ্যবাহী পৰিচালন সঞ্চালক তথা নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্য আদি নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব।

# ১,৪১,৩৪৫টি শিশুক সামৰি মৰিগাঁও জিলাত ২৮ জুনত পলিঅ' প্ৰতিষেধক প্ৰদান অভিযান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ জুন ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে মৰিগাঁও জিলাতো অহা ২৮ জুনত ৫ বছৰ বয়সৰ তলৰ শিশুসকলক পলিঅ' প্ৰতিষেধক সেৱন কৰোৱাৰ বাবে মৰিগাঁও জিলা স্বাস্থ্য বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি এই সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) নিতিশা বৰাৰ সভাপতিত্বত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিশ্ব স্বাস্থ্য সংস্থাৰ ৰাজ্যিক স্বাস্থ্য বিষয়া ডাঃ নগেন শৰ্মাই পাৱাৰপইণ্ট প্ৰেজেণ্টেশ্যনৰ সহায়ত পলিঅ' প্ৰতিষেধক প্ৰদান অভিযানৰ প্ৰস্তুতি সন্দৰ্ভত বিতংভাৱে অৱগত কৰায়। তেওঁ কয় যে নৱজাতকৰ পৰা ৫ বছৰ বয়সলৈকে মৰিগাঁও জিলাত মুঠ ১, ৪১, ৩৪৫ টি শিশুক এই অভিযানৰ অধীনত সামৰি লোৱা হ'ব। ২৮ জুনত জিলাখনৰ মুঠ ৯১৪টা বুথত প্ৰতিষেধক প্ৰদান কৰা হ'ব। ২৯ জুনত তিনি হাজাৰৰো অধিক স্বাস্থ্য কৰ্মীয়ে ঘৰে ঘৰে গৈ পলিঅ' প্ৰতিষেধক প্ৰদান কৰিব। আনহাতে ২৮ তাৰিখৰ পৰা ৩০ জুনলৈকে তিনিদিন বিভিন্ন বাছ আস্থান, ৰে'লৱে ষ্টেচন আদিত পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। সভাত অতিৰিক্ত জিলা আয়ুক্ত নিতিশা বৰাই প্ৰতিটো যোগ্য শিশোৰে প্ৰতিষেধক লাভ কৰাটো সুনিশ্চিত কৰাৰ বাবে সকলোকে দায়বদ্ধতাৰে কাম কৰিবলৈ আহ্বান জনায়। সভাত এইচ পি ভি টীকাকৰণ কাৰ্যসূচী সন্দৰ্ভতো আলোচনা কৰা হয়। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে এই টীকাকৰণক লৈ সমাজত থকা বিভিন্ন ভ্ৰান্ত ধাৰণা আৰু ভুল তথ্য, বিশেষকৈ টীকা গ্ৰহণে আন স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰে বুলি চলি থকা অপপ্ৰচাৰ দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু সমাজৰ সকলো স্তৰৰ মাজত অধিক সচেতনতা সৃষ্টিৰ জৰিয়তে অধিক সংখ্যক অংশগ্ৰহণ নিশ্চিত কৰাৰ বিষয়ে সভাত বিস্তৃত আলোচনা হয়। বৈঠকত স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰাই এই প্ৰতিষেধক প্ৰদান অভিযান সফল কৰি তোলাৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ সহায়-সহযোগিতা কামনা কৰে। তেওঁ কয় যে ২০১৪ চনত ভাৰতক পলিঅ'মুক্ত হিচাপে ঘোষণা কৰা হৈছে। অসমত মৰিগাঁও জিলাৰ লাহৰীঘাটত শেষবাৰৰ বাবে ২০০৮ চনত পলিঅ'ত আক্ৰান্ত হোৱা এজন লোক চিনাক্ত হৈছিল। তেওঁ এই ৰোগ সম্পূৰ্ণৰূপে নাইকিয়া কৰাৰ বাবে ঐক্যবদ্ধ প্ৰয়াস কৰিব লাগিব বুলি উল্লেখ কৰে। সভাত সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোহাঁই, জিলা টীকাকৰণ বিষয়া ডাঃ নিৰঞ্জন কোঁৱৰ আৰু বিভিন্ন বিভাগৰ বিষয়া তথা স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, চিকিৎসক আৰু স্বাস্থ্যকৰ্মী উপস্থিত আছিল।

# নৃত্যশিল্পী সমাজ গোলাঘাটৰ উদ্যোগত বিষ্ণুপ্ৰসাদ ৰাভা দিৱস আয়োজন

**অসম বাৰ্তা, দেৰগাঁও, ১২ জুন ঃ** নৃত্যশিল্পী সমাজ, গোলাঘাটৰ উদ্যোগত আগন্তুক বিষ্ণুপ্ৰসাদ ৰাভা দিৱস আয়োজনৰ প্ৰস্তুতি চলাইছে। অজন্তা কলা মণ্ডল গোলাঘাটত অনুষ্ঠিত হ'বলগীয়া বিষ্ণুপ্ৰসাদ ৰাভা দিৱসত গোলাঘাট জিলা ভিত্তিত বিষ্ণুৰাভা সংগীত আৰু জ্যোতি সংগীতৰ আধাৰত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখন চাৰি (৪)টা শাখাত আয়োজন কৰা হৈছে।কুঁহি শাখা ৭ বছৰলৈকে, মৌ শাখা ৭ বছৰ পৰা ১০ বছৰলৈকে, নিম্ন শাখা ১০ বছৰৰ পৰা ১৩ বছৰলৈ আৰু উচ্চ শাখা ১৩ ৰ পৰা ১৬ বছৰলৈ। প্ৰতিটো শাখাত প্ৰথমৰ পৰা পঞ্চম স্থান প্ৰাপ্তলৈকে পুৰস্কাৰ প্ৰদান কৰা হ'ব। অংশগ্ৰহণৰ মাচুল মাত্ৰ ১৫০/- টকা। অসমৰ সাংস্কৃতিক ঐতিহ্য, বিষ্ণুপ্ৰসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিক নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তোলাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আয়োজক সমিতিয়ে জিলাখনৰ সকলো যোগ্য প্ৰতিযোগীক অংশগ্ৰহণ কৰি অনুষ্ঠানখন সফল কৰি তুলিবলৈ আহ্বান জনাইছে। এই অনুষ্ঠানৰ জৰিয়তে অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ লগতে উদীয়মান নৃত্য প্ৰতিভাসমূহক এক সুন্দৰ মঞ্চ প্ৰদান কৰা হ'ব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে। যোগাযোগৰ বাবে ৯৭০৬৮১৩৯২০ অথবা ৮৮২২৩৮৫৫২৯ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# কলগাছিয়াৰ লাচাংগা গাঁৱত বিবাহিতা মহিলাৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি চাঞ্চল্য

**অসম বাৰ্তা, কুমুল্লী পৰা, ১২ জুন ঃ** বৰপেটা জিলাৰ কলগাছিয়া থানাৰ অন্তৰ্গত লাচাংগা গাঁৱত এগৰাকী বিবাহিতা মহিলাৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, গাঁওখনৰ নিজামুদ্দিনৰ বিবাহিতা কন্যাই ঘৰত কোনো লোক নথকা অৱস্থাত পিতৃগৃহৰ ৰান্ধনীঘৰত চিপ লৈ আত্মহত্যা কৰা বুলি অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ খবৰ লাভ কৰিয়েই কলগাছিয়া থানাৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে থানাৰ জৰিয়তে সংশ্লিষ্ট চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে, ঘটনাটোক সন্দেহজনক বুলি অভিহিত কৰি স্থানীয় ৰাইজে ইয়াৰ নিৰপেক্ষ আৰু গভীৰ তদন্তৰ দাবী জনাইছে। ঘটনাৰ প্ৰকৃত কাৰণ উদঘাটন কৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰাৰ লগতে ভুক্তভোগী পৰিয়ালক ন্যায় প্ৰদান কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত কাতৰ আহ্বান জনাইছে স্থানীয় লোকসকলে। উল্লেখ্য যে, মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পিছতহে ঘটনাটোৰ প্ৰকৃত তথ্য পোহৰলৈ আহিব।

# পোহৰ দ্য লাইটৰ উদ্যোগ; দুৰাৰোগ্য ৰোগত আক্ৰান্ত নিজ পকোৱাৰ তাঁতিপাৰাৰ দিপুল সাউদক আৰ্থিক সাহায্য প্ৰদান

**অসম বাৰ্তা, চামতা, ১২ জুন ঃ** আজি নলবাৰী জিলাৰ নিজ পকোৱাৰ স্বেচ্ছাসেৱী সংস্থা পোহৰ দ্য লাইট চিকিৎসা সাহায্য নিধিয়ে দুৰাৰোগ্য ৰোগত আক্ৰান্ত নিজ পকোৱা গাঁৱৰ তাঁতিপাৰা চুবুৰিৰ দিপুল সাউদক আৰ্থিক সাহায্য প্ৰদান কৰে। আজি পুৱা ১০ বজাত সাউদৰ গৃহত পোহৰ দ্য লাইটৰ হৈ কাৰ্যকৰী সভাপতি ৰণেন্দ্ৰ শৰ্মা, সম্পাদক চন্দন ডেকা, জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্য প্ৰমুখ্যে সদস্য অচ্যুত সাউদ, সঞ্জয় সাউদ, জিতুমনি সাউদ, চন্দন সাউদ আৰু দীপক কুমাৰ বৈশ্য উপস্থিত হৈ নগদ পাঁচ হাজাৰ টকা দুৰাৰোগ্য ৰোগত আক্ৰান্ত ৰোগীজনলৈ আৰ্থিক সাহায্য হিচাপে আগবঢ়ায়। বিগত সময়তো এই সংস্থাটোৱে বিভিন্ন সামাজিক কাম কৰি অহাৰ সমান্তৰালকৈ নগদ পাঁচ হাজাৰ টকা দুৰাৰোগ্য ৰোগত আক্ৰান্ত বহুকেইগৰাকী ৰোগীলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। জটিল ৰোগত আক্ৰান্ত সাউদৰ উন্নত চিকিৎসাৰ ক্ষেত্ৰত সহায়ক হ'ব পৰাকৈ উক্ত ধনৰাশি প্ৰদানেৰে সংস্থাটোৱে পুনৰ ল'লে এক আদৰণীয় পদক্ষেপ। বহুকেইগৰাকী মানৱদৰদী লোকৰ প্ৰচেষ্টাত গঢ় লৈ উঠা এই সংস্থাটোলৈ বহুজনে ইতিমধ্যে সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে অনাগত সময়তো বিভিন্নজনৰ পৰা এনে ধৰণৰ সহযোগিতা উদ্যোক্তাসকলে কামনা কৰে, যাতে ভৱিষ্যতে অভাৱগ্ৰস্ত ৰোগীসকলক আৰ্থিক সকাহ দিয়াব পৰা যায়। উল্লেখ্য যে, জিলাখনৰ নিজ পকোৱা গাঁৱৰ তাঁতিপাৰা চুবুৰিৰ অতি দুখীয়া ব্যক্তি দিপুল সাউদ নামৰ ৪৩ বছৰ বয়সীয়া যুৱকজন দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছে। সাউদ বিগত ৩ বছৰ ধৰি চিকিৎসাধীন হৈ আছে যদিও উন্নত চিকিৎসাৰ বাবে সম্প্ৰতি অভাৱ ঘটিছে ধনৰ। পানী কঢ়িওৱা কাম কৰি কোনোমতে পৰিয়ালটিৰ ভৰণ-পোষণ দি অহা সাউদৰ একমাত্ৰ ২ বছৰীয়া পুত্ৰসহিতে পত্নীয়ে বিগত তিনিবছৰ ধৰি দুখত ভাগৰি পৰিছে। অসহায় পৰিয়ালটিয়ে ধনৰ অভাৱত চিকিৎসা কৰাব নোৱাৰি জীৱনটো ৰক্ষা কৰাৰ আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে যদিও আৰ্থিক অভাৱৰ ফলত একো উৱাদিহ নাপাই দিনে-নিশাই মূৰে-কপালে হাত দি মাথোঁ চকুলো টুকিছে। অঞ্চলটোৰ সচেতন লোকসকলে সংস্থাটোৰ এনে কাৰ্যৰ ভূয়সী প্ৰশংসা কৰে।

# উদীয়মান গায়ক টংলাৰ সমৰজিৎ বড়োৰ দুৰ্ঘটনাত মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১২ জুন ঃ** প্ৰচুৰ সম্ভাৱনাপূৰ্ণ উদীয়মান গায়ক ওদালগুৰি জিলাৰ টংলা চনবাৰী নিৱাসী বেণুধৰ বড়ো আৰু ৰীতা বড়োৰ সুযোগ্য সন্তান সমৰজিৎ বড়োৰ ২১ বছৰ বয়সত আকস্মিক বিয়োগ হোৱা ঘটনাই বৃহত্তৰ ভেৰগাঁও-টংলা অঞ্চলত শোকৰ ছাঁ পেলাইছে। বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰি কণ্ঠৰে সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হোৱা সম্ভাৱনাপূৰ্ণ যুৱক সমৰজিতৰ মৃত্যুত সাংস্কৃতিক সমাজৰ বাবে অপূৰণীয় ক্ষতি হ'ল বুলি শিল্পী সমাজে জানিবলৈ দিছে। প্ৰাপ্ত তথ্য অনুসৰি সমৰজিতে কালি গুৱাহাটীৰ পৰা ঘৰলৈ ওভতাৰ পথত বাইহাটা চাৰিআলিত বাইক দুৰ্ঘটনাত পতিত হোৱাৰ পিছত স্থানীয়লোকে ৰমেশ চন্দ্ৰ ডেকা মেমোৰিয়েল চিকিৎসালয়ত ভৰ্তি কৰিছিল। চিকিৎসাধীন অৱস্থাতে আজি পুৱা সমৰজিতৰ মৃত্যু হোৱাত বৃহত্তৰ ভেৰগাঁও, টংলা অঞ্চলত শোকৰ ছাঁ পৰিছে। প্ৰতিশ্ৰুতিপূৰ্ণ, সম্ভাৱনাময় গায়ক সমৰজিতৰ অকাল মৃত্যুত টংলা আৰু ভেৰগাঁও অঞ্চলৰ বিভিন্ন দল-সংগঠনে তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালটোক এই কঠিন সময়ত ধৈৰ্য্য ধৰিবলৈ শক্তি দিয়ক বুলি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

# সত্ৰ নগৰীত চুলাই আৰু বিলাতী সুৰাৰ অবাধ প্ৰচলন চলি থকাৰ পৰিপ্ৰেক্ষিতত বৰপেটাত মদৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছে মহিলাৰ দলে

**অসম বাৰ্তা, বৰপেটা সদৰ, ১২ জুন ঃ** সত্ৰ নগৰী বৰপেটাত বৈধ কোনো সুৰাৰ বিপনী নাই যদিওঁ বৰপেটাত চুলাই আৰু বিলাতী সুৰাৰ অবাধ প্ৰচলন চলি থকাৰ পিছতো বিভাগীয় কৰ্তৃপক্ষই কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত চহৰ খনত সুৰাৰ ৰমৰমা ব্যৱসায় চলি থকাৰ সময়তে সম্প্ৰতি চহৰ খনৰ এদল মহিলাই পহৰাৰ ব্যৱস্থা কৰি সুৰা সেৱনকাৰীৰ বিৰুদ্ধে ওলাই আহিছে। বিশেষকৈ চহৰ খনৰ চুকে কোণে চলি থকা চুলাই মদৰ অবাধ প্ৰচলনৰ পিছত এচাম যুৱক বিভিন্ন ৰোগত আক্ৰান্ত হৈ বহু কেইজনে ইতিমধ্যে ইহ সংসাৰ ত্যাগ কৰাৰ লগতে বহু কেইজন ৰোগগ্ৰস্থ হৈ পৰাৰ পিছতো চুলাই মদৰ ব্যৱসায় চলি থকাত. কিছু অঞ্চলৰ মহিলাই নৈশ পহৰাৰ মাজেদি সুৰা সেৱন আৰু বিক্ৰেতাৰ বিৰুদ্ধে নামি পৰিছে। জানিব পৰা মতে নিচেই পুৱা বৰপেটা চহৰৰ পশুপালন বিভাগৰ সন্মুখৰ গছৰ তলত চুলাই মদৰ এক বজাৰ বহে। আবকাৰী বিভাগৰ জ্ঞাত সাৰেই চলি থকা এই সুৰাৰ অবাধ বিক্ৰী সত্ত্বেও চকু মুদা কুলিৰ ভাও দি আছে বিভাগটোৱে। তদুপৰি গান্ধীনগৰৰ মথাউৰিৰ পাৰতো পুৱাৰ পৰাই চুলাই আৰু বিলাতী সুৰাৰ অবাধ বিক্ৰী চলি আহিছে। কিছু মাহ পূৰ্বে চহৰখনৰ অলি-গলিয়ে স্কুটীৰে বিলাতী সুৰা ব্যৱসায়ী সকলে সুৰা বিক্ৰী কৰি আছিল যদিও সম্প্ৰতি চুকে-কোণে এই সুৰা বিক্ৰী চলাই আহিছে। চহৰ খনৰ ৰায়তপাৰা অঞ্চলত চুলাই মদ ব্যৱসায়ীয়ে বিক্ৰী কৰি আহিছিল যদিও সম্প্ৰতি এদল মহিলাই সন্ধিয়া হোৱাৰ লগে লগে হাতত লাঠি লৈ ওলাই অহাত সুৰা বিক্ৰেতা সকলে কিছু দিন সুৰা বিক্ৰী বন্ধ ৰাখিছে। এই মহিলা দলটোৰ নেতৃত্বত থকা ৰায়তপাৰা অঞ্চলৰ এগৰাকী লোকে জানিবলৈ দিয়া অনুসৰি মহিলা সকলে মদ সেৱন কৰিবলৈ অহা লোক সকলকো খেদি পঠোৱাত বৰ্তমান সেই অঞ্চল সমূহত মদ বিক্ৰী কৰিবলৈ দুই এঠাইত এৰিছে। মহিলা গোট টোৱে ভাগে ভাগে নখান্দা নদীৰ মথাউৰি দক্ষিণ অঞ্চলত পহৰাৰ ব্যৱস্থা কৰি সুৰা সেৱন কাৰী আৰু বিক্ৰেতা সকলৰ বিৰুদ্ধে তীব্ৰ অভিযান আৰম্ভ কৰিছে।

# বৰঝাৰণি গাঁও পঞ্চায়তৰ নৱনিৰ্মিত ভৱন উদ্বোধন

**অসম বাৰ্তা, জিনজিয়া, ১২ জুন ঃ** বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰজাৰণি গাঁও পঞ্চায়তৰ অসম চৰকাৰৰ পঞ্চায়ত পুজিৰ দ্বাৰা নিৰ্মিত ভৱন আজি শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উদ্বোধনী অনুষ্ঠানত বিজেপিৰ বাঘমৰা মণ্ডলৰ সভাপতি দুৰ্গা ছেত্ৰীয়ে সভাপতিত্বত কৰে। গাঁও পঞ্চায়তৰ সভাপতি বাবুল গোৱালাই আতধৰা সভাত বিহালীৰ বিধায়ক মুনীন্দ্ৰ দাসে বক্তব্য প্ৰদান কৰি বৰ্তমান বিহালীত ২১টা গাঁও পঞ্চায়ত আছে। তাৰে ছয়টা গাঁও পঞ্চায়ত গহপুৰ সমষ্টিৰ পৰা নতুনকৈ অন্তৰ্ভুক্ত হৈছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত বিহালীত সংযোজিত হোৱা এই গাঁও পঞ্চায়ত সমূহৰ গৃহৰ তুলনাত বিহালীত পূৰ্বতে থকা পঞ্চায়ত গৃহ আৰু ৰাস্তাৰ অৱস্থা যথেষ্ট উন্নত বুলি উল্লেখ কৰে। প্ৰতিটো গাঁও পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন সমস্যা সমূহ স্থানীয় লোকৰ সহযোগত আলোচনাৰ মাধ্যমেৰে সমাধান কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি কয়। আনহাতে শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই অসম চৰকাৰৰ পঞ্চায়ত পুজিৰ পৰা ২০লাখ টকা ব্যয় সাপেক্ষে এইগৃহ নিৰ্মাণ কৰা হৈছে আৰু এই পঞ্চায়ত গৃহ যথেষ্ট উন্নত হৈছে বুলি উল্লেখ কৰে। তেওঁ পঞ্চায়তৰ প্ৰতিটো কাম কাজ নিকা ভাবে সম্পাদনা কৰিবৰ বাবে সভাপতি আৰু সম্পাদকক আহ্বান জনায়। যিহেতু পঞ্চায়তত বহু উন্নয়ন মুলক আচনিৰ জৰিয়তে জনসাধাৰণক সা সুবিধা প্ৰদান কৰিব পৰা যায়। আজিৰ সভাত জিলা পৰিষদৰ সদস্যা স্নিগ্ধা জোতি হাজৰিকা, প্ৰাক্তন জিলা পৰিষদৰ সদস্য অজয় দাস, উমা তিমুংপী, প্ৰাক্তন মণ্ডল সভাপতি দধিৰাম শৰ্মা, বাঘমৰা আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী দীপা ছেত্ৰী আদিয়ে অংশগ্ৰহণ কৰে।

# মাকুম ছোটা হাপজান বাইপাছত চাউলভৰ্তি বাহন দুৰ্ঘটনাগ্ৰস্ত

**অসম বাৰ্তা, মাকুম, ১২ জুন ঃ** আজি দিনৰ ভাগত মাকুম থানাৰ অন্তৰ্গত ছোটাহাপজান বাইপাছত এক পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, কাকপথাৰৰ পৰা তিনিচুকীয়ালৈ এ এচ ২৩ চি চি ০২৯৯ নম্বৰৰ টাটা জেনন যোদ্ধা পিকআপ বাহনখনে মাকুম ছোটাহাপজানলৈ চাউল কঢ়িয়াই নিয়া অৱস্থাত মাকুম ছোটাহাপজান চাহচাহ বাগিচাৰ সমীপৰ বাইপাছত বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই হঠাৎ পথৰ কাষত বাগৰি পৰাত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত বাহনখনৰ হেণ্ডিমেনজন আঘাতপ্ৰাপ্ত হয়। উক্ত দুৰ্ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে মাকুম থানাৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্ত হোৱা চাউল ভৰ্তি বাহনখন থানালৈ বুলি লৈ যোৱা হয়।

## নিট ইউ জি পৰীক্ষাৰ

কৰি ১৯৫ মিনিট ((৩ ঘণ্টা ১৫ মিনিট) কৰা হৈছে। এতিয়াৰে পৰা পৰীক্ষা দিনৰ ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ চলিব। সংস্থাই স্পষ্ট কৰি দিছে যে এই সময়ছোৱাৰ ভিতৰতে পৰীক্ষাৰ পূৰ্বে কৰিবলগীয়া নিয়মসমূহ যেনে উপস্থিতিৰ কাকতত স্বাক্ষৰ কৰা আৰু পৰীক্ষকৰ নিৰ্দেশনামূলক পৰীক্ষণ আদি অন্তৰ্ভুক্ত থাকিব। ফলত ছাত্ৰ-ছাত্ৰীসকলে প্ৰশাসনিক কামৰ বাবে নিজৰ লিখাৰ সময় হেৰুওৱাৰ পৰা ৰক্ষা পৰিব আৰু সম্পূৰ্ণ মনোযোগ কেৱল প্ৰশ্নকাকতত দিব পাৰিব। আন এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন হৈছে প্ৰশ্নকাকতত হিচাপ আৰু অংক কৰিবলৈ দিয়া ঠাইৰ পৰিমাণ। এতিয়াৰে পৰা পৰীক্ষাৰ্থীসকলক প্ৰশ্নকাকতত আগতকৈ অধিক ঠাই প্ৰদান কৰা হ'ব। আগতে মাত্ৰ দুখন পৃষ্ঠা দিয়া হৈছিল, কিন্তু এতিয়া চাৰিখন পৃষ্ঠা দিয়া হ'ব। এই চাৰিখন পৃষ্ঠাত ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়োজনীয় হিচাপ, টোকা বা চিত্ৰ আঁকিবলৈ পৰ্যাপ্ত ঠাই পাব। পৃষ্ঠাসমূহৰ বিন্যাসটো সলনি অনা হৈছে। আগতে এই হিচাপৰ পৃষ্ঠা কেৱল প্ৰশ্নকাকতৰ শেষত দিয়া হৈছিল, যাৰ ফলত বহু পৰীক্ষাৰ্থীয়ে অসুবিধা পাইছিল। এতিয়া ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে দুখন পৃষ্ঠা নিৰ্দেশনাৰ ঠিক পিছতে থাকিব আৰু বাকী দুখন পৃষ্ঠা শেষৰ ফালে থাকিব। এই নতুন ব্যৱস্থাই বিশেষভাৱে বাঁওহতীয়া পৰীক্ষাৰ্থীসকলক উপকৃত কৰিব। আগৰ ব্যৱস্থাটো বাঁওহতীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে অলপ অসুবিধাজনক হৈ পৰিছিল, কাৰণ তেওঁলোকে হাতৰ আৰাম অনুসৰি পৃষ্ঠা ব্যৱহাৰ কৰাত বাধাৰ সন্মুখীন হৈছিল। ইংৰাজী আৰু আঞ্চলিক ভাষাৰ দুয়োখন প্ৰশ্নকাকতত এই নতুন ব্যৱস্থা কাৰ্যকৰী হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই মত পোষণ কৰে যে এই সৰু সৰু পৰিৱৰ্তনসমূহেও ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাত ইতিবাচক প্ৰভাৱ পেলাব পাৰে। পৰীক্ষাৰ নিকা আৰু নিৰাপত্তা ব্যৱস্থা অটুট ৰাখি পৰীক্ষাৰ্থীসকলক এক আৰামদায়ক পৰিৱেশ প্ৰদান কৰাটোৱেই তেওঁলোকৰ মূল লক্ষ্য। পৰীক্ষাৰ্থীসকলক প্ৰৱেশ পত্ৰ আৰু তথ্য পুস্তিকাত থকা নিৰ্দেশনাসমূহ ভালদৰে পঢ়ি চাবলৈ আৰু পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত পৰীক্ষা কেন্দ্ৰৰ কৰ্মচাৰীসকলক সহযোগিতা কৰিবলৈ অনুৰোধ জনোৱা হৈছে। অধিক জানিবলৈ বা কোনো প্ৰশ্ন থাকিলে ছাত্ৰ-ছাত্ৰীসকলে ৯১-১১-৪০৭৫৯০০০ নম্বৰত ফোন কৰি বা নিটৰ আনুষ্ঠানিক ইমেইল ঠিকনা — ntaneetug2026@nta.ac.inত যোগাযোগ কৰিব পাৰিব।

## দিহিং পাটকাইত তেল

বাসস্থান আৰু বিচৰণৰ বাবে অতি গুৰুত্বপূৰ্ণ। বনাঞ্চল সংৰক্ষণ কেৱল পৰিৱেশৰ প্ৰতি থকা দায়িত্বই নহয়, ভৱিষ্যত প্ৰজন্মৰ বাবেও ই অত্যন্ত জৰুৰী বুলি ছ'চাইটিয়ে উল্লেখ কৰে। দিহিং পাটকাইত আঠবিধ মেকুৰী প্ৰজাতিৰ লগতে বহুতো বন্যপ্ৰাণী আৰু চৰাই-চিৰিকটি পোৱা যায়। এই প্ৰসংগত পৰিৱেশ কৰ্মী মৌচম হাজৰিকায়ো তেল খননৰ অনুমতিৰ তীব্ৰ সমালোচনা কৰিছে। বৰ্তমান সময়ত বনাঞ্চল ধ্বংসৰ ফলত খাদ্যৰ অভাৱে মানুহ আৰু হাতীৰ সংঘাত বৃদ্ধি কৰাৰ সময়ত এই সিদ্ধান্ত অতি চিন্তাজনক বুলি তেওঁ কয়। খনন কাৰ্যই হাতীৰ আহ-যাহ বাধাগ্ৰস্ত কৰিব আৰু সংঘাত অধিক বৃদ্ধি কৰিব, যি বন্যপ্ৰাণী আৰু স্থানীয় ৰাইজ দুয়োৰে বাবে বিপদজনক। হাজৰিকাই আঙুলিয়াই দিয়ে যে এই প্ৰকল্পৰ বাবে অতি ঘন আৰু অক্ষত অৱস্থাত থকা বনাঞ্চলখনৰ প্ৰায় ১৩৫জোপা গছ কাটিব লাগিব। হাইড্ৰকাৰ্বন আহৰণৰ বাবে এনে চহকী প্ৰাকৃতিক আৱাসস্থল ধ্বংস কৰাটোৱে পৰিৱেশ আৰু নৈতিকতাৰ ফালৰ পৰা প্ৰশ্নৰ সৃষ্টি কৰিছে। 'পূবৰ আমাজান' হিচাপে পৰিচিত দিহিং পাটকাইত ৫০০ তকৈ অধিক হাতী, ৪৭ বিধ স্তন্যপায়ী প্ৰাণী আৰু প্ৰায় ২৯৩ বিধ চৰাইৰ বাসস্থান। এই সংলগ্ন বনাঞ্চলত হোৱা যিকোনো ক্ষতিয়ে দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশৰ ভাৰসাম্য বিনষ্ট কৰিব বুলি বিশেষজ্ঞসকলেও সতৰ্ক কৰি দিছে। প্ৰকল্পটোৰ বাবে পথ নিৰ্মাণ, খনন আৰু আৱৰ্জনা পেলোৱাৰ ফলত সৃষ্টি হ'ব পৰা দীৰ্ঘম্যাদী পৰিৱেশগত বিপদৰ বিষয়েও হাজৰিকাই উদ্বেগ প্ৰকাশ কৰে। গভীৰ গাঁত খান্দি কৰা খননৰ ফলত তেল নিৰ্গত হৈ সমগ্ৰ অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্য ধ্বংস হোৱাৰ আশংকা আছে। আন জিলাত ক্ষতিপূৰণ হিচাপে গছপুলি ৰোপণৰ প্ৰস্তাৱ দিয়া হৈছে যদিও ই কেতিয়াও এখন পূৰ্ণাংগ বৰ্ষাৰণ্যৰ বিকল্প হ'ব নোৱাৰে বুলি তেওঁ স্পষ্ট কৰি দিয়ে। পৰিৱেশ আৰু বহনক্ষম উন্নয়নৰ স্বাৰ্থত এই সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ তেওঁ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ক আহ্বান জনাইছে।

## আধুনিক চিন্তাধাৰাই ভাৰতক

কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰে সংবাদমেলত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১২ বছৰত অসমত ৰূপায়ণ কৰা বিভিন্ন জনকল্যাণমূলক আৰু উন্নয়নমূলক আঁচনিৰ বিষয়ে আলোকপাত কৰে। তেওঁ দেশৰ আৰ্থ-সামাজিক উন্নয়ন, আন্তঃগাঁথনি নিৰ্মাণ, ডিজিটেল ভাৰত, আত্মনিৰ্ভৰ ভাৰত আদি বিভিন্ন ক্ষেত্ৰত চৰকাৰে লাভ কৰা সফলতাৰ খতিয়ান দাঙি ধৰে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শক্তিশালী নেতৃত্ব আৰু আধুনিক চিন্তাধাৰাৰ বাবেই ভাৰতবৰ্ষই নতুন দিগন্ত দৰ্শন কৰিবলৈ সক্ষম হৈছে। পূৰ্বে ভাৰতৰ অৰ্থনীতি ইমানেই দৰিদ্ৰ অৱস্থাত আছিল যে উন্নত ৰাষ্ট্ৰসমূহৰ সৈতে প্ৰতিযোগিতাৰ কথা ভাবিব পৰা নাছিল। কিন্তু এতিয়া প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰতবৰ্ষ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনৈতিক দেশ হিচাপে স্বীকৃতি পাবলৈ সক্ষম হৈছে।" তেওঁ লগতে কয়, "কেতিয়াবা বগীবিল দলং, ঢলা-শদিয়া দল নিৰ্মাণ হ'ব বুলি কোনেও কল্পনা কৰা নাছিল। ভাৰত চৰকাৰে স্পষ্ট নীতি লৈছে। অবৈধভাৱে বাস কৰা কোনো বিদেশী লোকক আশ্ৰয় দিয়া নহয়। অবৈধভাৱে বাস কৰা লোকক উচ্ছেদ কৰি সেই ভূমিত খিলঞ্জীয়া লোকসকলক সংস্থাপন দিয়াৰ বাবে অসম চৰকাৰে ইতিমধ্যে কাম কৰিছে। এইবাৰো অসম চৰকাৰে এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিব।" পশ্চিম এছিয়াত হোৱা যুদ্ধৰ প্ৰভাৱ বিশ্ব অৰ্থনীতিৰ ওপৰত পৰা প্ৰসংগত মন্ত্ৰী সোণোৱালে কয়, "যুদ্ধৰ ফলত বিশ্ব অৰ্থনীতিত ব্যাপক প্ৰভাৱ পৰিছে। উন্নত ৰাষ্ট্ৰসমূহটো যুদ্ধৰ প্ৰভাৱৰ পৰা ৰক্ষা পৰা নাই। কিন্তু ভাৰতৰ অৰ্থনীতি নিয়ন্ত্ৰণত আছে। আন ৰাষ্ট্ৰৰ তুলনাত ভাৰতত মূল্যবৃদ্ধিৰ পৰিমাণ কম হৈ আছে। এই কেৱল প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বৰ বাবেই সম্ভৱ হৈছে।"

## ৭৫ গৰাকী ছাত্ৰী-শিক্ষয়িত্ৰীৰ

ছাত্ৰজনৰ বিৰুদ্ধে তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰি তেওঁক নিলম্বিত কৰে। ইয়াৰ উপৰিও POCSO আইনৰ অধীনত এখন তদন্ত কমিটি গঠন কৰি তদন্ত আৰম্ভ কৰা হৈছে। ভুক্তভোগী ছাত্ৰীসকলৰ একাংশ অভিভাৱকে ইতিমধ্যে অপৰাধ শাখাত গোচৰ দিছে। আইনী প্ৰক্ৰিয়া আগুৱাই নিয়াৰ বাবে আৰক্ষীয়া পদক্ষেপ আৰম্ভ কৰিছে। ঘটনাৰ সম্পূৰ্ণ পৰিস্থিতি পৰ্যালোচনা কৰি দোষীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা লোৱা হ'ব বুলি সূত্ৰই জানিবলৈ দিছে।

## জীৱনলৈ ভাবুকি ! বিধায়ক

মাতৃৰ শ্ৰাদ্ধাৰ পাছৰে পৰা অখিল গগৈৰ সৈতে ৰৰ গৰাকী নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে অখিল গগৈৰ সৈতে আছিল মাত্ৰ, গৰাকী নিৰাপত্তাৰক্ষী। কিন্তু হঠাতে গৃহ বিভাগে অখিল গগৈৰ নিৰাপত্তাৰক্ষীৰ সংখ্যা ৮ গৰাকী বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এতিয়াৰে পৰা বিধায়কগৰাকীৰ সৈতে এছকৰ্টৰ এখন বাহনো থাকিব।

## অসম-নাগালেণ্ড

চুক্তি স্বাক্ষৰিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশনাত স্বাক্ষৰিত এই চুক্তিয়ে অসম-নাগালেণ্ড সীমান্তৰ ৰ,০০০ বৰ্গ কিলোমিটাৰতকৈও অধিক ভূমিত অন্বেষণ আৰু উৎপাদন কাৰ্যকলাপৰ সুবিধা প্ৰদান কৰিব। এই অঞ্চলটোত যথেষ্ট পৰিমাণে শক্তি আৰু খনিজ সম্পদ মজুত থকা বুলি ধাৰণা কৰা হৈছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই চুক্তিক অঞ্চলটোৰ অনাবৃত সম্ভাৱনাক উন্মোচন কৰাৰ ক্ষেত্ৰত এক নিৰ্ণায়ক অগ্ৰগতি বুলি অভিহিত কৰে। চিনাক্ত কৰা অঞ্চলটোৱে হাইড্ৰ'কাৰ্বন অন্বেষণ আৰু খনিজ সম্পদ নিষ্কাশনৰ বাবে উল্লেখযোগ্য সুযোগ সৃষ্টি কৰিব, যাৰ ফলত দেশৰ দীৰ্ঘম্যাদী শক্তিৰ প্ৰয়োজনীয়তা পূৰণ কৰাত অৰিহণা যোগাব পাৰি। এই সন্দৰ্ভত সামাজিক মাধ্যমৰ পোষ্টত মুখ্যমন্ত্ৰী ড° শৰ্মাই লিখে, "মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সবল নেতৃত্বত আৰু মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়া তথা নাগালেণ্ডৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী নেইফিউ ৰিঅ' ডাঙৰীয়াৰ গৌৰৱময় উপস্থিতিত আজি শক্তি অনুসন্ধান আৰু আহৰণক কেন্দ্ৰ কৰি এক গুৰুত্বপূৰ্ণ ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত কৰা হয়। এই চুক্তিয়ে অসম-নাগালেণ্ড সীমান্তৱৰ্তী ১,০০০ বৰ্গ কিল'মিটাৰতকৈ অধিক এলেকাত থকা তেল, গেছ আৰু খনিজ সম্পদৰ অনুসন্ধান আৰু উৎপাদনৰ নতুন দুৱাৰ মুকলি কৰিব। উত্তৰ-পূৰ্বাঞ্চলক মূল ভিত্তি হিচাপে লৈ ভাৰতৰ শক্তি আত্মনিৰ্ভৰতাৰ যাত্ৰাত এই চুক্তিয়ে নতুন গতি প্ৰদান কৰিব। একে সময়তে বিকশিত আৰু সুৰক্ষিত ভাৰত গঢ়াৰ পথত দীৰ্ঘদিনীয়া জটিল বাধাসমূহ দূৰ কৰাৰ ক্ষেত্ৰত মোদী চৰকাৰৰ দৃঢ় সংকল্পৰো ই এক উজ্জ্বল নিদৰ্শন। এক কথা ক'বলৈ হ'লে ভাৰতৰ অষ্টলক্ষ্মীৰ বাবে উন্নয়ন, সমৃদ্ধি আৰু সম্ভাৱনাৰ এক নতুন যুগৰ ইও এক সূচনা পৰ্ব। 'আন এটা পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে, "অসম-নাগালেণ্ড সীমা সমস্যা বহু দশক ধৰি চলি অহা এক জটিল বিষয়। উক্ত সমস্যাৰ বাবে এই অঞ্চলত থকা মূল্যবান প্ৰাকৃতিক সম্পদসমূহ দেশৰ সৰ্বজনীন স্বাৰ্থত সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পৰা হোৱা নাছিল। আজি মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ গৰিমামণ্ডিত উপস্থিতিত স্বাক্ষৰ হোৱা ঐতিহাসিক চুক্তিৰ জৰিয়তে এই সম্ভাৱনাৰ বাটত থকা অন্তৰায়সমূহ দূৰ কৰাৰ এক প্ৰয়াসৰ আৰম্ভণি ঘটিল। ইয়াৰ ফলত শক্তি অনুসন্ধান, সম্পদ আহৰণ আৰু ৰাষ্ট্ৰৰ শক্তি সুৰক্ষা অধিক সুদৃঢ় কৰাৰ নতুন দিগন্ত মুকলি হ'ল। 'উল্লেখযোগ্য যে, অসম আৰু নাগালেণ্ডৰ সীমান্ত সমস্যা বহু দশক ধৰি চলি অহা এক জটিল বিষয়। এই সমস্যাৰ বাবে দীৰ্ঘদিন ধৰি অঞ্চলটোৰ প্ৰাকৃতিক সম্পদসমূহ দেশৰ সৰ্বজনীন স্বাৰ্থত ব্যৱহাৰ কৰাত বাধা আহি আছিল। নতুন স্বাক্ষৰিত চুক্তিয়ে সেই বাধা আঁতৰাই শক্তি অনুসন্ধান আৰু সম্পদ আহৰণৰ পথ সুগম কৰিছে। এই চুক্তিয়ে ভাৰতৰ শক্তি আত্মনিৰ্ভৰশীলতাৰ সন্ধানত সতেজ গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চল অঞ্চল সেই দৃষ্টিভংগীৰ এক গুৰুত্বপূৰ্ণ চালক হিচাপে আত্মপ্ৰকাশ কৰিব। শক্তি, আন্তঃগাঁথনি, সংযোগ আৰু বাণিজ্য আদি খণ্ডত ৰাষ্ট্ৰীয় উন্নয়নত উত্তৰ-পূৰ্বাঞ্চলৰ কৌশলগত গুৰুত্বৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে ধাৰাবাহিকভাৱে গুৰুত্ব আৰোপ কৰি আহিছে। শেহতীয়া পদক্ষেপটোৱে আমদানিকৃত শক্তি সম্পদৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ চৰকাৰৰ বহল লক্ষ্যৰ সৈতে মিলি গৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যক সততে ব্যৱহৃত শব্দ 'অষ্টলক্ষ্মী' অঞ্চলৰ বাবে 'নতুন যুগৰ' আৰম্ভণি বুলি অভিহিত কৰি অসমৰ মুখ্যমন্ত্ৰীয়ে এই চুক্তিয়ে অঞ্চলটোলৈ পৰিৱৰ্তনশীল বৃদ্ধি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি আস্থা প্ৰকাশ কৰে। এই উন্নয়নক ভাৰতৰ শক্তি আন্তঃগাঁথনি শক্তিশালী কৰাৰ লগতে সমান্তৰালভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত এক ডাঙৰ মাইলৰ খুঁটি হিচাপে চোৱা হৈছে।

## মীনাক্ষী নটৰাজনৰ মনোনয়ন

বিষয়ত ৰায় নিদিয়ে, তেন্তে মই বিশ্বাস কৰোঁ যে ই দেশ আৰু ইয়াৰ গণতন্ত্ৰৰ বাবে ভাবুকি কঢ়িয়াই আনিব।" উচ্চতম ন্যায়ালয়ৰ সন্মুখত পৰিস্থিতি সম্পূৰ্ণ স্পষ্ট হৈও নিৰ্বাচন আয়োগে বাৰে বাৰে ন্যায়ালয়ক বিপথে পৰিচালিত কৰিছে বুলি অভিযোগ উত্থাপন হয়। ৰাজীৱ গান্ধী পঞ্চায়তী ৰাজ সংগঠনৰ ৰাষ্ট্ৰীয় সভাপতি সুনীল পানোৱাৰে কয় যে নটৰাজনৰ মনোনয়ন পত্ৰ বাতিল কৰাটো অন্যায়। তেওঁ কয়, "আমি চৰকাৰ আৰু নিৰ্বাচন আয়োগৰ বিৰুদ্ধে প্ৰতিবাদ কৰিম। কাৰণ তেওঁলোকে নটৰাজনক ৰাজ্যসভাৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰাত বাধা দিছিল। এই সিদ্ধান্ত ভুল আৰু অসাংবিধানিক।" নিৰ্বাচনী বিষয়াসকলে মীনাক্ষী নটৰাজনৰ নিৰ্বাচনী শপতনামাত বিসংগতিৰ অভিযোগ উত্থাপন কৰি মনোনয়ন পত্ৰ বাতিল কৰে। তাৰ পিছতে কংগ্ৰেছে প্ৰতিবাদ আৰম্ভ কৰে। দলটোৱে নিৰ্বাচন আয়োগে অনুচিত কাম কৰাৰ অভিযোগ তোলে। চলিত সপ্তাহৰ আৰম্ভণিতে দহজনীয়া কংগ্ৰেছ প্ৰতিনিধি দলে মুখ্য নিৰ্বাচন আয়ুক্তক সাক্ষাৎ কৰি এই বিষয়ত উদ্বেগ প্ৰকাশ কৰে। লোকসভাত বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে বৃহস্পতিবাৰে নিৰ্বাচন আয়োগ আৰু বিজেপি দুয়োকে সমালোচনা কৰে। তেওঁ নিৰ্বাচন আয়োগ আৰু বিজেপিৰ মাজত গোপন বুজাবুজিৰ অভিযোগ উত্থাপন কৰি দাবী কৰে যে তেওঁ 'আসন চুৰি' বুলি আখ্যা দিয়া সিদ্ধান্তটো পৰিকল্পিতভাৱে ভোটগ্ৰহণ হোৱাৰ পূৰ্বেই লোৱা হৈছিল। সামাজিক মাধ্যম এক্সত ৰাহুল গান্ধীয়ে লিখে, "ভোট চুৰি আৰু চৰকাৰ চুৰিৰ পিছত বিজেপি আৰু নিৰ্বাচন আয়োগৰ মাজত হোৱা গোপন বুজাবুজিয়ে 'আসন চুৰি'ৰ জৰিয়তে আৰম্ভ হোৱাৰ আগতেই যুঁজখনৰ অন্ত পেলাইছে।" কংগ্ৰেছ প্ৰাৰ্থী নটৰাজনে প্ৰয়োজনীয় সকলো নথি দাখিল কৰাৰ লগতে তেওঁৰ বিৰুদ্ধে কোনো গোচৰ বিচাৰাধীন নাছিল। তথাপি বিজেপিয়ে উত্থাপন কৰা ভিত্তিহীন অভিযোগৰ ভিত্তিত নিৰ্বাচন আয়োগে মনোনয়ন বাতিল কৰে। ৰাহুল গান্ধীয়ে লগতে উল্লেখ কৰে যে ঝাৰখণ্ডৰ ৰাজ্যসভা নিৰ্বাচনত বিজেপি সমৰ্থিত প্ৰাৰ্থী পৰিমল নাথৱানীয়ে প্ৰ-পত্ৰত নিজৰ নাম ভুলকৈ লিখাৰ লগতে প্ৰয়োজনীয় তথ্য দিয়াত ব্যৰ্থ হৈছিল। তাৰ পিছতো নিৰ্বাচন আয়োগে তেওঁক ভুল শুধৰণি কৰিবলৈ পৰ্যাপ্ত সময় দিছিল।

## ফিফা বিশ্বকাপ ২০২৬ৰ

হৈ জুলিয়ান কুইননে (৯ মিনিট) আৰু ৰাউল জিমেনেজে (৬৭ মিনিট) গ'ল দিয়ে। খেলৰ ৯২ মিনিটত মেক্সিকোৰ চেজাৰ মণ্টেছে ৰেড কাৰ্ড দেখে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাৰ স্কেফেলো চিথোল আৰু থেম্বা ঝৱানেক ৰেড কাৰ্ড পাইছিল। ২০১০ চনত বিশ্বকাপ আয়োজন কৰাৰ পাছত এইবাৰ পুনৰ বিশ্বকাপত অংশগ্ৰহণ কৰিছে দক্ষিণ আফ্ৰিকাই। ইফালে কাটাৰ বিশ্বকাপত গ্ৰুপ পৰ্যায় অতিক্ৰম কৰিব নোৱাৰা মেক্সিকোৱে সেই পৰাজয়ৰ গ্লানি পাহৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, ২০১০ চনৰ বিশ্বকাপৰ উদ্বোধনী খেলখনত মেক্সিকোৰ বিৰুদ্ধে আয়োজক দক্ষিণ আফ্ৰিকাই জোহান্সবাৰ্গত ১-১ গ'লত ড্ৰ খেলিছিল। ফিফা বিশ্বকাপৰ এই সংস্কৰণটো ঐতিহাসিক বুলি ধাৰণা কৰা হৈছে। আমেৰিকা, কানাডা আৰু মেক্সিকোৰ সহযোগত আয়োজিত এই প্ৰতিযোগিতাখন প্ৰথমবাৰৰ বাবে ৩২টা দলৰ পৰা ৪৮ টালৈ সম্প্ৰসাৰণ কৰা হৈছে। গ্ৰুপ 'এ'ৰ প্ৰথমখন মেচত চেক গণৰাজ্যক পৰাস্ত কৰে দক্ষিণ কোৰিয়াই। মেক্সিকোৰ গুৱাডালাজাৰাত অনুষ্ঠিত এই খেলখনত আৰম্ভণিতে এটা গ'লত পিছ পৰিও দক্ষিণ কোৰিয়াই চেক গণৰাজ্যক ২-১ গ'লত পৰাস্ত কৰে। প্ৰথমাৰ্ধত কোনো গ'ল নোহোৱাকৈ ০-০ অৱস্থাত শেষ হয়। দ্বিতীয়াৰ্ধত খেলখন উজ্জ্বল হয়। ৫৯ মিনিটত চেক গণৰাজ্যৰ লাডিস্লাভ ক্ৰেজিচিয়ে হেডাৰত প্ৰথমটো গ'ল দিয়ে। ৬৭ মিনিটত ইন-বিউমে গ'ল দি সমতা স্থাপন কৰে। ৮০ মিনিটত ইন-বিউমে অহ হ্যয়ন-গ্যুকক এছিষ্ট দিয়াত দক্ষিণ কোৰিয়াই জয়ৰ দিশত আগুৱাই যায়। এই জয়ৰ লগে লগে দক্ষিণ কোৰিয়াই গ্ৰুপ এৰ দ্বিতীয় স্থান দখল কৰে।

## ৬ জুলাইৰ পৰা বিধানসভাৰ

ভাৰতীয় সংবিধানৰ ১৭৪ অনুচ্ছেদৰ (১) দফা মতে ন্যস্ত ক্ষমতা অনুসৰি মই লক্ষ্মণ প্ৰসাদ আচাৰ্য, অসমৰ ৰাজ্যপালে ইয়াৰ দ্বাৰা ষোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন ২০২৬ চনৰ ৬ জুলাই তাৰিখে সোমবাৰে পুৱা ৯:৩০ বজাত দিশপুৰত অৱস্থিত বিধানসভাৰ কক্ষত বহিবলৈ আহ্বান কৰিলো।" মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণ কৰা ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে পূৰ্ণাংগ মন্ত্ৰীসভা গঠন কৰি দপ্তৰ বিতৰণ কৰিছে। চৰকাৰ গঠনৰ পাছত এইখনেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰথম বাজেট অধিৱেশন। এই অধিৱেশনতে চৰকাৰখনে পূৰ্ণাংগ বাজেট দাখিল কৰিব। লক্ষণীয় বিষয় যে এই অধিৱেশনতে প্ৰথমবাৰৰ বাবে বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বাজেট দাখিল কৰিব। ইয়াৰ পূৰ্বে বিগত চৰকাৰৰ কাৰ্যকালত বিত্তমন্ত্ৰীৰ দায়িত্বত আছিল অজন্তা নেওগ। বিগত সময়ত মন্ত্ৰী অজন্তা নেওগে বাজেট দাখিল কৰিছিল। মন্ত্ৰী অজন্তা নেওগক এইবাৰ মহিলা আৰু শিশু উন্নয়ন আৰু পৰ্যটন বিভাগৰ দায়িত্ব দিয়া হৈছে। অহা ৬ জুলাইৰ পৰা অনুষ্ঠিত হ'বলগীয়া অধিৱেশনত নতুন চৰকাৰখনে প্ৰথমবাৰৰ বাবে দাখিল কৰিবলগীয়া বাজেটক লৈ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ হৈছে। বৃহস্পতিবাৰে বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰতিটো বিভাগক নিজা নিজা বাজেট দাখিল কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বিত্ত বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে বাজেটৰ প্ৰস্তুতি, প্ৰধান শিতানসমূহ আৰু ভৱিষ্যত ৰূপৰেখা সম্পৰ্কে মন্ত্ৰীগৰাকীক অৱগত কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে জনোৱা মতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিভংগী আৰু অসমৰ ৰাইজৰ আকাংক্ষাক প্ৰাধান্য দি এক ভৱিষ্যতমুখী বাজেট প্ৰস্তুত কৰাৰ লক্ষ্য লোৱা হৈছে। এই বাজেট অসমৰ বিকাশৰ হাৰ ত্বৰান্বিত কৰিবলৈ সক্ষম হ'ব। এইবাৰৰ বাজেটত শিক্ষা, পৰ্যটন আৰু সমাজ কল্যাণ বিভাগৰ সৈতে জড়িত নতুন আঁচনি ঘোষণা কৰাৰ বাবে প্ৰস্তুতি চলাইছে বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নৱনিযুক্ত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাক এখন জনমুখী বাজেট প্ৰস্তুত কৰাত সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনোৱাৰ লগতে প্ৰতিটো বিভাগ আৰু অৰ্থনীতি বিশেষজ্ঞৰ সৈতে আলোচনা কৰিবলৈ নিৰ্দেশ দিছে। বাজেট দাখিলৰ পাছতে আগষ্ট মাহৰ পৰা ৰাইজে চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে। আনহাতে, শনিবাৰে দিনৰ এঘাৰ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত বৰ্তমানৰ চৰকাৰখনৰ তৃতীয়খন কেবিনেট বৈঠক অনুষ্ঠিত হ'ব।

## একত্ৰীকৰণ হ'ব সহস্ৰাধিক

আন্তঃগাঁথনি, আন বিদ্যালয়ৰ পৰা সংশ্লিষ্ট বিদ্যালয়খনৰ দূৰত্ব কিমান, আৰু বিদ্যালয়ৰ মাজৰ পথত যান-বাহনৰ চলাচলে শিক্ষাৰ্থীৰ অহা-যোৱাত অসুবিধা সৃষ্টি কৰিছে নেকি-এই বিষয়সমূহ পৰীক্ষা কৰি চাবলৈ নিৰ্দেশ দিয়া হৈছে। ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা সত্ত্বেও বিদ্যালয়খন একত্ৰীকৰণৰ বাবে যোগ্য হয় নে নহয়, সেই বিষয়টোও চালি-জাৰি চাবলৈ জিলা শিক্ষা বিষয়াসকলক কোৱা হৈছে। প্ৰাথমিক শিক্ষা সঞ্চালকে কম শিক্ষাৰ্থী থকা বিদ্যালয়সমূহৰ তালিকা প্ৰস্তুত কৰিবলৈও সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। উল্লেখযোগ্য যে ৰাজ্যত বিদ্যালয় একত্ৰীকৰণৰ প্ৰক্ৰিয়াৰে এতিয়ালৈকে দুহেজাৰ নশ (২,৯০০)খন বিদ্যালয়ক আন বিদ্যালয়ৰ সৈতে সংযোগ কৰা হৈছে।

## প্ৰাক্তন অলিম্পিয়ান শ্বুটৰ

চলোৱা হৈছিল যদিও অৱশেষত শুকুৰবাৰে চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। উল্লেখযোগ্য যে, যশপাল ৰাণাই অলিম্পিকৰ শ্বুটিং শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। একেদৰে এছিয়ান গেমছত তেওঁ দেশৰ হৈ সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। বৰ্ণিল কেৰিয়াৰ সামৰণিৰ পাছত তেওঁ জাতীয় দলৰ প্ৰশিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ উপৰিও তেওঁ শেহতীয়াকৈ মনু ভাকেৰক প্ৰশিক্ষণ প্ৰদান কৰিছিল।

## কৃষকৰ সমস্যা বুজিবলৈ ডিমৰীয়াৰ পথাৰত কৃষিমন্ত্ৰী

জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে কৃষিক্ষেত্ৰলৈ পানীৰ যোগান সঠিকভাৱে হৈ আছে নে নাই-সেই বিষয়টো বিশেষভাৱে পৰীক্ষা কৰে মন্ত্ৰীগৰাকীয়ে। লগতে কৃষকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ অভাৱ-অভিযোগৰো বুজ লয়। মন্ত্ৰী হাজৰীকাই এই প্ৰসংগত কয়, "মই দায়িত্ব পালন কৰোঁতে কোনো যত্নৰ ত্ৰুটি নকৰো। অত্যন্ত কষ্ট কৰিবলৈ মই সাজু আছো। মই নিজেই ফিল্ডলৈ যাম, কৃষকৰ অভাৱ-অভিযোগ বুজিম, জানিম আৰু কাম কৰিম। এই বিভাগ দুটা পূৰ্বেও ভালদৰে চলি আছিল, কিন্তু মই ইয়াক অধিক জনমুখী কৰিবলৈ চেষ্টা কৰিম। সমস্যা বহুত আছে, সেয়ে ক্ৰমে ক্ৰমে সমাধান কৰা হ'ব।" তেওঁ লগতে কয়, "এইবাৰ চৰকাৰে কৃষিক্ষেত্ৰৰ উন্নয়ন আৰু জলসিঞ্চন ব্যৱস্থাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিব। কৃষিক্ষেত্ৰত উৎপাদন বৃদ্ধি কৰা আৰু কৃষকসকলক অধিক আধুনিক সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। কৃষকৰ শস্যৰ উচিত মূল্য আৰু মজুতকৰণৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিব পাৰি, তাৰো ব্যৱস্থা লোৱা হ'ব। আগন্তুক দিনত পথাৰসমূহত জলসিঞ্চনৰ ব্যৱস্থা প্ৰদানৰ বাবে কাম কৰা হ'ব।" ডিমৰীয়া সমষ্টিৰ বিধায়ক ড° তপন দাসে কয়, "মালয়বাৰীৰ কৃষি পথাৰত মন্ত্ৰীগৰাকীয়ে উপস্থিত হৈ কৃষকৰ সৈতে বিভিন্ন সমস্যাৰ সন্দৰ্ভত আলোচনা কৰিলে। শীঘ্ৰে ৰাজ্যত কৃষি বিপ্লৱৰ বাবে কাম কৰাৰ সংকল্প লৈছে। কৃষকৰ মৌলিক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত পদক্ষেপ লোৱা হ'ব বুলি মন্ত্ৰীয়ে ঘোষণা কৰিছে।

## সত্ৰৰ ভূমি বেদখল থাকিলে

স্থাপন কৰা সত্ৰসমূহৰ সংবৰ্ধন আৰু সংৰক্ষণৰ বাবে চৰকাৰে শংকৰদেৱ চাৰ্কিট গ্ৰহণ কৰিছে। সেই একে আৰ্হিতে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ দেৱগুৰুজনাৰ সত্ৰসমূহৰ উন্নয়নৰ বাবে মাধৱদেৱ চাৰ্কিট আৰম্ভ কৰিবলৈ অধ্যক্ষগৰাকীয়ে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। শুকুৰবাৰে বৰপেটাৰ মহাপুৰুষ মাধৱদেৱ স্থাপিত সুন্দৰীদিয়া সত্ৰত অনুষ্ঠিত পালনাম উপলক্ষে তাত উপস্থিত হয় ৰণজিৎ কুমাৰ দাস। তেওঁ পালনামত অংশ লৈ গুৰু দুজনাৰ ওচৰত সেৱা জ্ঞাপন কৰে। উল্লেখযোগ্য যে মাধৱদেৱ গুৰুজনাই সুন্দৰীদিয়াত সত্ৰ স্থাপন কৰি তিনিদিনজোৱা পালনামৰ আৰম্ভণি কৰিছিল। সেই পৰম্পৰা ৰক্ষা কৰি প্ৰতিবছৰে পূৰ্বাপৰ ৰীতিৰে সত্ৰখনত পালনাম অনুষ্ঠিত হৈ আহিছে। সত্ৰপীঠ মাজুলীৰ দৰেই সুন্দৰীদিয়া সত্ৰৰ পালনামৰ মিল থকা কথা উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে পালনামত অংশ লৈ পাই অতিশয় আনন্দ অনুভৱ কৰা বুলি প্ৰকাশ কৰে। বিজেপি নেতৃত্বাধীন চৰকাৰখনে সত্ৰসমূহৰ উন্নয়ন আৰু সংৰক্ষণৰ বাবে নিৰন্তৰ কাম কৰি যোৱাৰ কথাও তেওঁ উল্লেখ কৰে। সত্ৰসমূহৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা তৎপৰতাৰ অংশ হিচাপে বৰপেটাত গুৰুজনাই বৈ উলিওৱা বৃন্দাৱনী বস্ত্ৰভাগ লণ্ডনৰ পৰা ২০২৭ চনত অসমলৈ আনিব পৰা যাব বুলি ৰণজিৎ কুমাৰ দাসে জানিবলৈ দিয়ে। অধ্যক্ষগৰাকীয়ে সত্ৰসমূহৰ ভূমি বেদখলমুক্ত কৰাৰ প্ৰসংগতো মন্তব্য কৰে। যিসময়ত বনাঞ্চলসমূহ বেদখলমুক্ত কৰাৰ প্ৰক্ৰিয়া চলি আছে, তেনেক্ষেত্ৰত সত্ৰৰ ভূমিত বেদখল হৈ থাকিব দিয়াটো অসম্ভৱ বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, "মাটি বেদখলমুক্ত কৰাৰ বাবে চৰকাৰে যি পদক্ষেপ লৈছে ইতিমধ্যে তাত সফল হৈছে। বনাঞ্চলত যিহেতু উচ্ছেদ কাৰ্য চলি আছে, সত্ৰত যদি বেদখল থাকে তেন্তে নিশ্চিতভাৱে উচ্ছেদ চলিব।" পালনামৰ ঐতিহ্যৰ কথা উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়, "সেই সময়তে মহাপুৰুষজনাই ইয়াত পালনাম আৰম্ভ কৰিছিল। সেই পালনামভাগি আমাৰ সুন্দৰীদিয়াৰ ৰাইজে, সত্ৰৰ বাপ-ভকতসকলে পৰম্পৰাগতভাৱে তিনিদিনীয়াকৈ পালন কৰি আহিছে। ইয়াৰ পালনাম সুকীয়া আৰু মাজুলীৰ পালনামৰ লগত মিল আছে।"

## সৰুপথাৰত অবৈধ সুৰা বিৰোধী সামাজিক আন্দোলন

**অসম বাৰ্তা, সৰুপথাৰ, ১২ জুন ঃ** সৰুপথাৰ সমষ্টিত শেহতীয়াভাৱে অবৈধ সুৰা আৰু মাৰাত্মক ড্ৰাগছৰ অবাধ প্ৰচলনে সমগ্ৰ সমাজ ব্যৱস্থাত এক ভয়াৱহ বিশৃংখলতাৰ সৃষ্টি কৰাৰ লগতে বিশেষকৈ নৱপ্ৰজন্ম আৰু উদীয়মান যুৱক-যুৱতীসকলৰ ভৱিষ্যত অন্ধকাৰৰ দিশলৈ ঠেলি দি জীৱন ধ্বংসৰ গৰাহলৈ নিয়াৰ পৰিপ্ৰেক্ষিতত এক বৃহৎ সামাজিক জাগৰণৰ সূচনা হৈছে। সমাজক এই ভয়ংকৰ ব্যাধিৰ পৰা পৰিত্ৰাণ দি সৰুপথাৰক সম্পূৰ্ণৰূপে অবৈধ মদ আৰু ড্ৰাগছমুক্ত এক সুস্থ-সবল অঞ্চল হিচাপে গঢ়ি তোলাৰ দৃঢ় মানসেৰে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ প্ৰত্যক্ষ উদ্যোগ আৰু নেতৃত্বত এক ব্যাপক সামাজিক আন্দোলন গঢ়ি তোলা হৈছে। এই আন্দোলনক এক সুনিৰ্দিষ্ট ৰূপৰেখা প্ৰদান কৰি অধিক পৰিকল্পিত আৰু ফলপ্ৰসূ কৰাৰ উদ্দেশ্যে যোৱা ১৯ মে' তাৰিখে বিধায়কগৰাকীৰ নেতৃত্বত আৰু সৰুপথাৰ মহকুমা প্ৰশাসনৰ সক্ৰিয় সহযোগত সৰুপথাৰৰ ৰংঘৰ ৰাজহুৱা ভৱনত স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনৰ উপস্থিতিত এখনি গুৰুত্বপূৰ্ণ সজাগতামূলক সভা অনুষ্ঠিত হৈ যায়। এই ঐতিহাসিক সভাৰ পিছৰে পৰাই সমগ্ৰ সমষ্টিজুৰি প্ৰশাসনে আৰু সজাগ ৰাইজে অবৈধ সুৰা আৰু ড্ৰাগছৰ বিৰুদ্ধে এক ধাৰাবাহিক আৰু কঠোৰ অভিযান আৰম্ভ কৰে। এই তীব্ৰতৰ অভিযানৰ ফলস্বৰূপে সমষ্টিটোৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰতিটো প্ৰান্ততে বৰ্তমান দৈনিক বৃহৎ পৰিমাণৰ অবৈধভাৱে প্ৰস্তুত আৰু বিক্ৰী কৰা চুলাই মদকে ধৰি অন্যান্য ক্ষতিকাৰক নিচাজাতীয় দ্ৰব্যসমূহ জব্দ কৰি নষ্ট কৰা হৈছে আৰু লগতে এই সমাজবিৰোধী কাৰ্য্যৰ সৈতে জড়িত ব্যৱসায়ী তথা সৰবৰাহকাৰীসকলৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰি তেওঁলোকক কৰায়ত্ত কৰা হৈছে। সমাজ সংস্কাৰৰ এই আপোচবিহীন প্ৰচেষ্টাৰে আৰম্ভ হোৱা অবৈধ সুৰা আৰু ড্ৰাগছ বিৰোধী এই প্ৰবল সামাজিক আন্দোলন বৰ্তমানো সৰুপথাৰ সমষ্টিত পূৰ্ণোদ্যমে আৰু নীৰৱচ্ছিন্নভাৱে অব্যাহত আছে, যিয়ে সাধাৰণ ৰাইজৰ মনলৈ এক নতুন আশাৰ আৰু সুস্থিৰ সমাজ গঢ়াৰ বিশ্বাসৰ সঞ্চাৰ কৰিছে।

### নিৰ্ধাৰিত সময়ত ফলপ্ৰসূ ৰূপায়ণ সুনিশ্চিত কৰাৰ নিৰ্দেশ

## মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা নগাঁও জিলা আয়ুক্তৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ জুন ঃ** নগাঁও জিলাত 'মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনি'ৰ প্ৰকল্প ৰূপায়ণ আৰু ধনৰ ব্যৱহাৰ সম্পৰ্কীয় বিভিন্ন বিষয়ৰ সন্দৰ্ভত পৰ্যালোচনাৰ উদ্দেশ্যৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ অধ্যক্ষতাত জিলা পৰ্যায়ৰ সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক কালি অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত 'মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ' আঁচনিৰ বাবে পুঁজিৰ প্ৰাপ্তি আৰু ব্যৱহাৰ, নতুনকৈ দাখিল কৰা প্ৰকল্পৰ আনুমানিক ব্যয়ৰ অনুমোদন, প্ৰকল্পৰ স্থান পৰিৱৰ্তনৰ অনুমোদন আৰু প্ৰকল্পসমূহৰ ৰূপায়ণ ফলপ্ৰসূভাৱে তদাৰক কৰাৰ বাবে এখন নিৰীক্ষণ সমিতি গঠন কৰাৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয়। সংশ্লিষ্ট সমিতিসমূহৰ দ্বাৰা সময়মতে কামৰ অগ্ৰগতিৰ প্ৰতিবেদন আৰু ব্যৱহাৰিক প্ৰমাণপত্ৰ দাখিল কৰাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হয় যাতে সম্পূৰ্ণ হোৱা প্ৰকল্পসমূহ পৰৱৰ্তী জিলা পৰ্যায়ৰ সমিতিৰ বৈঠকত উপস্থাপন কৰিব পৰা যায়। সমিতিয়ে লগতে লক্ষ্য কৰে যে চলিত বিত্তীয় বৰ্ষত 'মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনি"ৰ অধীনত কোনো নতুন প্ৰস্তাৱ লাভ কৰা হোৱা নাই। এই সন্দৰ্ভত জিলা আয়ুক্তই সকলো সহযোগী বিভাগক যোগ্য হিতাধিকাৰী চিনাক্ত কৰাত আৰু চৰকাৰলৈ প্ৰেৰণ কৰাৰ উদ্দেশ্যে উপযুক্ত প্ৰকল্পৰ প্ৰস্তাৱ প্ৰস্তুত কৰাত সক্ৰিয় সহায় আগবঢ়াবলৈ অনুৰোধ জনায়। জিলাখনৰ উন্নয়নমূলক পদক্ষেপসমূহৰ নিৰ্ধাৰিত সময়ত আৰু ফলপ্ৰসূ ৰূপায়ণ সুনিশ্চিত কৰাৰ লগতে আন্তঃবিভাগীয় সমন্বয় অধিক শক্তিশালী কৰাৰ বাবে সকলো অংশীদাৰক তেওঁ আহ্বান জনায়। এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত (উদ্যোগ) গোপাল শৰ্মা, পঞ্জাব নেচনেল বেংকৰ অগ্ৰণী জিলা প্ৰবন্ধক, নগাঁও সদৰ, ৰহা আৰু ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল, এপে' বেংকৰ নগাঁও শাখাৰ প্ৰবন্ধক, নগাঁৰৰ চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়াৰ জ্যেষ্ঠ প্ৰবন্ধক, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ বিষয়াসকলৰ লগতে আন আন সংশ্লিষ্ট বিভাগৰ প্ৰতিনিধিসকল উপস্থিত থাকে। উল্লেখ্য যে, এই আঁচনিৰ অধীনত ৰাজ্যৰ সৰু উদ্যোগীসকলক সঁজুলি, কেঁচামাল আৰু নতুন মেচিন ক্ৰয় কৰিবলৈ পোনপটীয়াকৈ আৰ্থিক অনুদান প্ৰদান কৰা হয়। থলুৱা উদ্যোগসমূহৰ বিকাশৰ বাবে চৰকাৰে ১৫ লাখ টকা পৰ্যন্ত সাহায্য প্ৰদান কৰে।

## বিজেপিৰ বৰপেটা সংখ্যালঘু মৰ্চাৰ উদ্যোগত কুমুল্লীপাৰা চেণ্টাৰত স্বচ্ছতা অভিযান কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, কুমুল্লী পৰা, ১২ জুন ঃ** ভাৰতীয় জনতা পাৰ্টীৰ বৰপেটা জিলা সংখ্যালঘু মৰ্চাৰ সহযোগত আৰু মৈৰামাৰা—কুমুল্লীপাৰা মণ্ডলৰ উদ্যোগত আজি ৰাতিপুৱা ৯ বজাত কুমুল্লীপাৰা চেণ্টাৰত এক স্বচ্ছতা অভিযান কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰা হয়। বিজেপি চৰকাৰৰ ১২ বছৰৰ বিশ্বাস, বিকাশ আৰু জনকল্যাণমূলক কাৰ্যসূচীৰ অংশ হিচাপে এই চাফাই অভিযান অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীৰ জৰিয়তে অঞ্চলটোৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ লগতে সাধাৰণ জনসাধাৰণৰ মাজত স্বচ্ছতা সম্পৰ্কীয় সজাগতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। উপস্থিত নেতাসকলে স্বচ্ছ পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰতিজন নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে। উক্ত স্বচ্ছতা অভিযান কাৰ্যসূচীত বিজেপিৰ বৰপেটা জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি জাকিৰ হুছেইন চৌধুৰী, মৈৰামাৰা মণ্ডল কমিটিৰ সভাপতি যদুমনি দাস, সাধাৰণ সম্পাদক জহুৰুল হককে ধৰি দলৰ বহু সংখ্যক কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে। দলীয় কৰ্মীসকলে কুমুল্লীপাৰা চেণ্টাৰ এলেকাত চাফাই অভিযান চলাই পৰিৱেশ পৰিষ্কাৰ আৰু সুস্থ সমাজ গঠনৰ বাবে সজাগতাৰ বাৰ্তা প্ৰেৰণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে স্বচ্ছতা ৰক্ষাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টিৰ লগতে সামাজিক দায়বদ্ধতাৰ মনোভাৱ গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনোৱা হয়।

# ডবকা মধ্য ইংৰাজী বিদ্যালয়ত কিশোৰ-কিশোৰীৰ স্বাস্থ্য সজাগতা অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ডবকা, ১২ জুন ঃ** কিশোৰ-কিশোৰীসকলৰ মাজত স্বাস্থ্য সম্পৰ্কীয় সজাগতা বৃদ্ধি কৰাৰ লক্ষ্যৰে শুকুৰবাৰে হোজাই জিলাৰ ডবকা মধ্য ইংৰাজী বিদ্যালয়ত Adolescent Health Awareness Programme সফলতাৰে অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় কিশোৰ স্বাস্থ্য কাৰ্যসূচী (RKSK)-ৰ অধীনত হোজাই জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত বিদ্যালয়খনৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকি হোজাই জিলাৰ কাউন্সেলৰ (পৰামৰ্শদাতা) বৰ্ণালী তালুকদাৰ আৰু মৌচুমী শইকীয়াই ছাত্ৰ-ছাত্ৰী সকলক কিশোৰ বয়সত স্বাস্থ্য সুৰক্ষাৰ গুৰুত্ব সম্পৰ্কে বিশদভাৱে অৱগত কৰে। তেওঁলোকে বিশেষকৈ ৰক্তহীনতা (Anaemia), কৃমি সংক্ৰমণ, ধঁপাত আৰু নিচাজাতীয় দ্ৰব্যৰ অপকাৰিতা, মানসিক স্বাস্থ্য, ব্যক্তিগত স্বাস্থ্যবিধি, ঋতুস্ৰাৱকালীন স্বাস্থ্যবিধি, বাল্যবিবাহ আৰু কিশোৰী গৰ্ভধাৰণৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোকপাত কৰে। বক্তাসকলে কয় যে কিশোৰ অৱস্থাই জীৱনৰ এক অতি স্পৰ্শকাতৰ সময়। এই সময়ছোৱাত সঠিক স্বাস্থ্য জ্ঞান আৰু সচেতনতা লাভ কৰাটো অতি প্ৰয়োজনীয়। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলক স্বাস্থ্যসম্মত জীৱনশৈলী গঢ়ি তোলাৰ লগতে যিকোনো সমস্যাৰ ক্ষেত্ৰত পৰামৰ্শ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰা হয়। অনুষ্ঠানত মানসিক স্বাস্থ্যৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। পৰীক্ষাৰ চাপ, সামাজিক মাধ্যমৰ প্ৰভাৱ আৰু ব্যক্তিগত বিভিন্ন সমস্যাৰ বাবে সৃষ্টি হোৱা মানসিক চাপ কেনেদৰে মোকাবিলা কৰিব পাৰি, সেই বিষয়েও ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ প্ৰদান কৰা হয়। লগতে বাল্যবিবাহ আৰু কম বয়সত গৰ্ভধাৰণৰ কুফল সম্পৰ্কেও বিস্তৃত আলোচনা কৰা হয়। অনুষ্ঠানৰ শেষত ছাত্ৰ-ছাত্ৰীৰ সৈতে এক মত-বিনিময় পৰ্ব অনুষ্ঠিত হয়, য'ত তেওঁলোকে বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় প্ৰশ্ন উত্থাপন কৰে আৰু কাউন্সেলৰ সকলে সেইসমূহৰ উত্তৰ আগবঢ়ায়। বিদ্যালয় কৰ্তৃপক্ষই এনে সজাগতামূলক অনুষ্ঠান কিশোৰ-কিশোৰী সকলৰ সৰ্বাংগীণ বিকাশৰ বাবে অতি উপযোগী বুলি মন্তব্য কৰে। এই স্বাস্থ্য সজাগতা কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত স্বাস্থ্য সম্পৰ্কীয় জ্ঞান বৃদ্ধি কৰাৰ লগতে সুস্থ আৰু সচেতন সমাজ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল (SSB), ৰঙিয়াৰ উদ্যোগত বিনামূলীয়া পশু চিকিৎসা শিবিৰৰ আয়োজন

**অসম বাৰ্তা, মঙলদৈ, ১২ জুন ঃ** শ্ৰী এইচ. কে. গুপ্তা, কমাণ্ডেণ্ট, ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল (SSB), ৰঙিয়াৰ দক্ষ নিৰ্দেশনাত বুধবাৰ আৰু বৃহস্পতিবাৰে নাগৰিক কল্যাণ কাৰ্যসূচীৰ অন্তৰ্গত বাহিনীৰ সীমা চকী নালাপাৰাৰ অধীনস্থ ৩নং শুক্লাই গাঁও আৰু ৩নং বৰঙাজুলি গাঁৱত Veterinary Civic Action (VCA) কাৰ্যসূচীৰ অধীনত এক বিনামূলীয়া পশু চিকিৎসা শিবিৰ সফলতাৰে আয়োজন কৰা হয়। এই পশু চিকিৎসা শিবিৰত ডাঃ এল. ডি. সিংহ, কমাণ্ডেণ্ট (পশু চিকিৎসা), ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়, ৰঙিয়াৰ নেতৃত্বত আৰু ২৪ নং বাহিনী, SSB, ৰঙিয়াৰ ভেটেৰিনাৰী দলৰ সক্ৰিয় অংশগ্ৰহণত আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ মুল উদ্দেশ্য আছিল সীমান্তৱৰ্তী অঞ্চলৰ পশুপালকসকলক পশু চিকিৎসা সেৱা আগবঢ়োৱা আৰু পশুৰ স্বাস্থ্য আৰু কল্যাণ সম্পৰ্কে সজাগতা বৃদ্ধি কৰা। কাৰ্যসূচীৰ সময়ছোৱাত পশু চিকিৎসক আৰু ভেটেৰিনাৰী কৰ্মচাৰীসকলে বিভিন্ন ধৰণৰ পোহনীয়া পশুৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা সম্পন্ন কৰে। এই শিবিৰৰ জৰিয়তে মুঠ ৫৮জন পশুপালক লাভান্বিত হয় আৰু তেওঁলোকৰ ৩৭৩টা পোহনীয়া পশুৰ চিকিৎসা কৰা হয়। ইয়াৰ উপৰিও পশুপালকসকলক পশুপালনৰ সঠিক পদ্ধতি, ৰোগ প্ৰতিৰোধ, টীকাকৰণ, জাত উন্নয়ন আৰু পৰিচ্ছন্নতাৰ বিষয়ে প্ৰয়োজনীয় তথ্য প্ৰদান কৰা হয় তথা হিতাধিকাৰীসকলৰ মাজত



বিনামূলীয়াকৈ ঔষধো বিতৰণ কৰা হয়। গাঁওবাসী আৰু পশুপালকসকলে এই পদক্ষেপক উচ্চ প্ৰশংসা কৰে আৰু ভৱিষ্যতেও এনে জনকল্যাণমূলক কাৰ্যসূচী আয়োজন কৰাৰ আশা প্ৰকাশ কৰে। ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াই নিজৰ কাৰ্য্যক্ষেত্ৰৰ অঞ্চলত কেৱল পশু চিকিৎসা শিবিৰেই আয়োজন কৰা নহয়, সীমান্তৱৰ্তী অঞ্চলসমূহত OPD সেৱা আৰু বিনামূলীয়া এম্বুলেন্স সেৱাও আগবঢ়াই আহিছে। সীমান্তৱৰ্তী যিকোনো নাগৰিকে স্বাস্থ্যজনিত সমস্যাৰ বাবে এম্বুলেন্স সহায়তা আৰু চিকিৎসা পৰামৰ্শ লাভ কৰিব পাৰে। ভাৰত-ভুটান সীমান্তৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়া সমাজ আৰু নাগৰিকসকলৰ সেৱাৰ বাবে সদায় প্ৰতিশ্ৰুতিবদ্ধ আৰু সদা তৎপৰ হৈ আছে ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল।

**হাউলীত বৰপেটা জিলা আমছুৰ মানৱ শৃংখল প্ৰতিবাদ**

# বিশ্ব নবী হজৰত মহম্মদ (ছা.)ৰ বিৰুদ্ধে অপমানজনক মন্তব্যৰ অভিযোগ

**অসম বাৰ্তা, কুমুল্লীপৰা, ১২ জুন ঃ** বিশ্ব নবী হজৰত মহম্মদ (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম)ৰ বিৰুদ্ধে সামাজিক মাধ্যমত অপমানজনক মন্তব্য প্ৰচাৰ কৰা বুলি অভিযোগ উত্থাপন কৰি বৰপেটা জিলা আমছুৰ উদ্যোগত হাউলীত এক মানৱ শৃংখল কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। সমগ্ৰ ৰাজ্যজুৰি চলি থকা প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে অনুষ্ঠিত এই প্ৰতিবাদত বহু সংখ্যক সংগঠনৰ কৰ্মী, সমৰ্থক আৰু সাধাৰণ লোক উপস্থিত থাকে। প্ৰতিবাদকাৰীসকলে অভিযুক্ত হিচাপে উল্লেখ কৰা হিৰেন হিন্দু অসম আৰু ৰূপা কলিতাৰ বিৰুদ্ধে শীঘ্ৰে আইনগত ব্যৱস্থা গ্ৰহণ কৰি গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰে। হাতে হাতে প্লে'কাৰ্ড আৰু বিভিন্ন শ্লোগানেৰে প্ৰতিবাদকাৰীসকলে ধৰ্মীয় অনুভূতিত আঘাত হনা মন্তব্যৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। এই উপলক্ষে বক্তব্য প্ৰদান কৰি বৰপেটা জিলা আমছুৰ সভাপতি ইমতিয়াজ হুছেইনে কয়, "আমাৰ নবী হজৰত মহম্মদ (ছা.)ক অপমান কৰিলে আমি হাত সাৱটি বহি নাথাকোঁ। ধৰ্মীয় অনুভূতিত আঘাত হনা এনে কাৰ্য কোনোপধ্যে গ্ৰহণযোগ্য নহয়। আইনৰ আওতাত দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।" তেওঁ লগতে ৰাজ্য চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক ঘটনাটোৰ গুৰুত্ব অনুধাৱন কৰি শীঘ্ৰে উপযুক্ত তদন্ত সম্পন্ন কৰাৰ আহ্বান জনায়। প্ৰতিবাদকাৰীসকলে অসমৰ সাম্প্ৰদায়িক সম্প্ৰীতি অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত সকলো পক্ষক দায়িত্বশীল আচৰণ প্ৰদৰ্শন কৰিবলৈও অনুৰোধ জনায়। উল্লেখ্য যে, এই ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। ইফালে, সমগ্ৰ বিষয়টো আইনগত প্ৰক্ৰিয়াৰ জৰিয়তে সমাধান কৰাৰ আহ্বান জনাইছে সচেতন মহলে।

# মাকুম পৌৰসভাৰ বিশ্ব পৰিৱেশ দিৱসৰ সপ্তাহব্দজোৰা গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, মাকুম, ১২ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি মাকুম পৌৰ সভাৰ উদ্যোগত "এক পেড় মা কে নাম" শীৰ্ষক যোৱা ৫ জুন পৰা ১২ জুন তাৰিখলৈকে অৰ্থাৎ সপ্তাহ জোৰা গছপুলি ৰোপণ কাৰ্যসূচীৰ আজি সম্পন্ন হয়। অন্তিম দিনা এই গছপুলি ৰোপণ কাৰ্যসূচী মাকুম গান্ধীনগৰস্থিত শিশু সাহিত্যিক প্ৰয়াত হৰেন্দ্ৰ নাথ বৰঠাকুৰ শিশু উদ্যানত শুভাৰম্ভ কৰে মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে। তাৰ পাছতে মাকুম চহৰৰ কেইবাঠাইত বিধায়ক গৰাকীৰ সৈতে মাকুম পৌৰ সভাৰ কাৰ্যবাহী বিষয়া ৰক্তিম গগৈ, পৌৰপতি অৰ্চনা শইকীয়া, উপ-পৌৰপতি তীৰ্থৰাজ প্ৰসাদ, ৱাৰ্ড আয়ুক্ত সকল প্ৰমুখ্যে কৰি উপস্থিত থকা ৰাইজে স্বচ্ছতা অভিযান চলাই। স্বচ্ছতা অভিযান চলাই থকাৰ মাজতে বিধায়ক সঞ্জয় কিষাণে যি সকল ব্যক্তি বা ব্যৱসায়ী সকলে স্বচ্ছতাৰ প্ৰতি দায়বদ্ধতা নহয় সেই সকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সংবাদ মাধ্যমৰ জৰিয়তে জানিবলৈ দিয়ে।

# নকছাৰিত বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নকছাৰি, ১২ জুন ঃ** যোৰহাট জিলা আইন সেৱা প্ৰাধিকৰণ আৰু শ্ৰম আয়ুক্ত কাৰ্য্যালয়ৰ উদ্যোগত, জিলা শিশু সুৰক্ষা বিষয়া কাৰ্য্যালয়ৰ সহযোগত নকছাৰিৰ কাকজান চাহ বাগিচাত আজি দিনযোৱা কাৰ্যসূচীৰে বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস পালন কৰা হয়। জিলা আইন সেৱা প্ৰাধিকৰণৰ স্বেচ্ছা সেৱিকা মুন্নী বেগমে সঞ্চালন কৰা সভাত যোৰহাট জিলা শ্ৰম আয়ুক্ত ৰূপালী পেগু, জিলা শিশু সুৰক্ষা বিষয়া ৰিজুৱানা তাচমিন হাজৰিকা, শ্ৰম পৰিদৰ্শক দীক্ষিতা মজুমদাৰ, আইন সেৱা অধিবক্তা ৰাজশ্ৰী দুলাকাশৰীয়া, কাকজন চাহ বাগিচাৰ মুখ্য পৰিচালক ইমদাদুল হ'ক, জনকল্যাণ বিষয়া ফ্ৰেংকি ৰৰং, মায়াশ্ৰী হাজৰিকা, স্বাস্থ্য বিভাগৰ তৰফৰ পৰা শান্তা শইকীয়া, ডেইজী বৰা, জিলা শিশু সুৰক্ষা গোটৰ প্ৰাঞ্জল বৰা উপস্থিত হৈ শিশু সকলক সুৰক্ষিত কৰি ৰাখি তেওঁলোকৰ শৈক্ষিক, শাৰীৰিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত কেনেকৈ সহায় কৰিব পাৰি লগতে শিশু সকলক কোনোবাই শ্ৰমিক হিচাবে ব্যৱহাৰ কৰিলে কেনেধৰণৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি সকলোৱে বিতংভাৱে মন্তব্য আগবঢ়ায়। উক্ত সভাত চাহ বাগিছাখনৰ দাঁতি কাশৰীয়া গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সভাপতি সম্পাদক, আটছাৰ কাকজন আঞ্চলিক সভাপতি উত্তম কালন্দী, ২৫নং গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য শংকৰ ৰাজুৱাৰ, মণ্ডল সভাপতি মণ্টু কুৰ্মী, অসম চাহ মজদুৰ সংঘ যোৰহাট শাখাৰ সাংগঠনিক সম্পাদক ডেভিদ কালন্দী, স্থানীয় আশা কৰ্মী, স্বাস্থ্য বিভাগৰ বিষয় ববীয়া, স্থানীয় ৰাইজ উপস্থিত থাকে। বাগিচাৰ সমূহত চলি থকা বাল্য বিবাহ, কম বয়সীয়া ছোৱালী মাতৃত্ব ধৰণ কেনেকৈ ৰোধ কৰিব পৰা যাব লগতে শিশু সকলে গোটখা পেকেট নাখাবলৈ স্থানীয় ৰাইজে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব তাৰ ওপৰতও বহু আলোচনা কৰে। চাহ বাগিচা খনত বৰ্তমান সময়ত সুৰাৰ ব্যৱসায় বেছিকৈ চলি আছে তাৰ প্ৰভাৱ শিশু সকলৰ ওপৰত পৰিব সেইবাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিব বুলি উপস্থিত ৰাইজে চৰকাৰী বিষয়া সকলক অনুৰোধ জনায়।

# ডিব্ৰুগড়ত অধিবক্তাক আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত আৰক্ষীয়ে পক্ষপাতিত্ব লোৱা অভিযোগ ডিব্ৰুগড় উকীল সন্থাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ জুন ঃ** ডিব্ৰুগড় ন্যায়ালয়ৰ ভিতৰত চৰম নিৰাপত্তাহীনতাত ভুগিছে ডিব্ৰুগড়ৰ অধিবক্তা সমাজ। ডিব্ৰুগড় উকীল সন্থাৰ সভাপতি হেম বৰা আৰু সম্পাদক সত্যব্ৰত শৰ্মাৰ (মিলন) লগতে সন্থাৰ বিষয়ববীয়া সকলে "ডিব্ৰুগড় উকীল সন্থা ভৱন"ত আয়োজিত এক সংবাদমেল সম্বোধন কৰি এই অভিযোগ উত্থাপন কৰি আৰক্ষীৰ ভূমিকাত তীব্ৰ ক্ষোভ উজাৰে লগতে গোচৰীয়াৰ ভাষ্য নোলোৱাকৈ জামিন আবেদন মঞ্জুৰ কৰিলে ডিব্ৰুগড় আৰক্ষীয়ে। উল্লেখযোগ্য যে অধিবক্তা ৰাজেশ কেচৰীক আক্ৰমণ কৰিছিল ন্যায়ালয়ৰ চৌহদতে এজন ব্যক্তিয়ে। এই ঘটনাক কেন্দ্ৰ কৰি অধিবক্তা সন্থাই ডিব্ৰুগড় সদৰ থানাত এখনি এহেজাৰ দাখিল কৰিছিল। কিন্তু আৰক্ষীযে এই ক্ষেত্ৰত কোনো গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন কৰিছে। ঘটনাক কেন্দ্ৰ কৰি শনিবাৰে ডিব্ৰুগড় উকীল সন্থাই এখনি এফ আই আৰ দাখিল কৰিছিল ডিব্ৰুগড় সদৰ থানাত। অধিবক্তা সন্থাই দিয়া এফ আই আৰৰ জৰিয়তে আৰক্ষীয়ে এই ঘটনাৰ লগত জড়িত ব্যক্তি গৰাকীক কৰায়ত্ব কৰিছিল। কিন্তু ৰহস্যজনক ভাৱে আৰক্ষীয়ে আটক কৰা অভিযোগকাৰীক কিছুসময় থানাত ৰখাৰ পাছতে অধিবক্তাক আক্ৰমণ কৰা অপৰাধী গামা পাচোৱানক মুকলি কৰি দিয়ে। এই ঘটনাৰ পাছতে ঘটনাটোৰ ৰহস্যই বিৰাজ কৰিছে ডিব্ৰুগড়ৰ ন্যায়ালয়ৰ চৌহদত। ঘটনাৰ উচিত তদন্ত নকৰি আৰক্ষীয়ে পক্ষপাত লোৱা বুলি মত প্ৰকাশ কৰি আৰক্ষীয়ে নিজৰ দায়িত্ব পালন নকৰাৰ অভিযোগ উত্থাপন কৰিছে ডিব্ৰুগড় উকীল সন্থাই।

# কোকৰাঝাৰৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণৰ বাবে আধাৰশিলা স্থাপন



**অসম বাৰ্তা, কোকৰাঝাৰ, ১২ জুন ঃ** কোকৰাঝাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণৰ লক্ষ্যৰে আজি আধাৰশিলা স্থাপন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানখনত বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী পাৰিষদ ৰিহন দৈমাৰীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি আধাৰশিলা স্থাপন কৰে। লগতে বিধায়ক ৰূপম ৰায়, ই এম দেৰহাসাং বসুমতাৰী, এমচিএলএ খাম্পা বৰগয়াৰী আৰু যুৱিৰাজ বসুমতাৰীও উপস্থিত থাকে। এই উন্নীতকৰণৰ জৰিয়তে জিলা শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান কোকৰাঝাৰৰ মানদণ্ড অধিক শক্তিশালী হোৱাৰ আশা কৰিব পৰা যায়। এই পদক্ষেপে অঞ্চলটোৰ শিক্ষা ব্যৱস্থাক অধিক উন্নত কৰাৰ লগতে ভৱিষ্যতৰ শিক্ষকসকলৰ দক্ষতা বৃদ্ধিত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰিব পৰা যায়। উল্লেখ্য যে, প্ৰতিষ্ঠানখন ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ (NCTE)দ্বাৰা অনুমোদিত আৰু অসমৰ ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT) ৰ সৈতে সংলগ্ন। ইয়াত মুখ্যত ২ বছৰীয়া প্ৰাথমিক শিক্ষাৰ ডিপ্লমা (D.El.Ed) পাঠ্যক্ৰমৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। চাকৰিত সোমাবলগীয়া আৰু ইতিমধ্যে কৰ্মৰত উভয় প্ৰকাৰৰ শিক্ষকক আধুনিক শিক্ষণ শৈলী, তথ্য প্ৰযুক্তি আৰু কলা-ক্ৰীড়া সম্বলিত পাঠদানৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰতিষ্ঠানখন কোকৰাঝাৰ চহৰৰ গৌৰাংনগৰ (কোকৰাঝাৰ চাহ বাগিচাৰ ওচৰত) এটা সুন্দৰ চৌহদত অৱস্থিত। অনুষ্ঠানস্থলীত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, শিক্ষাবিদ আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# পূৰ্বাঞ্চল তামাং বৌদ্ধ সংঘ, অসমৰ ৩৬ তম্ প্ৰতিষ্ঠা দিবস উদ্‌যাপন আৰু কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**অসম বাৰ্তা, জিনজিয়া, ১২ জুন ঃ** পূৰ্বাঞ্চল তামাং বৌদ্ধ সংঘ, অসমৰ ৩৬তম প্ৰতিষ্ঠা দিৱস আজি বৰজাৰণি বৌদ্ধ মন্দিৰত বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত আৰু বিশ্বনাথ জিলাৰ প্ৰতিটো পংক সংঘৰ সহযোগত অনুষ্ঠিত হয়। জিলা সমিতিৰ সভাপতি জিৎ বাহাদুৰ গমদেনৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সুৰজ তামাং মুক্তানে। ১৯৯০ চনতে গঠিত পূৰ্বাঞ্চল তামাং সংঘৰ প্ৰতিষ্ঠা দিবস উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি গোপাল লামাই তামাং বৌদ্ধ সকলৰ ভাষা সংস্কৃতি, সাহিত্যৰ লগতে পৰম্পৰাগত নৃত্য, সাজ-পোছাক আদিৰ বিষয়ে উল্লেখ কৰে। তেওঁ তামাং বৌদ্ধ সকলৰ ৰীতি-নীতি আৰু বড়ো জনগোষ্ঠীৰ ৰীতি-নীতি, খাদ্য আদিৰ মিল আছে বুলিও উল্লেখ কৰে। আনহাতে তামাং সকলক অনুসূচিত জনজাতিৰ অন্তৰ্ভুক্ত কৰিব লাগে আৰু এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰাৰ কথাও উল্লেখ কৰে। আনহাতে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰবক্তা লোকনাথ লামাই তামাং জনগোষ্ঠীক লৈ লিখা গীত পৰিৱেশন কৰাৰ লগতে ভাষা, সাহিত্য, সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিবৰ বাবে আহ্বান জনায়। এই সভাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ১৯গৰাকী ছাত্ৰ ছাত্ৰীক আদৰণি জনায়। তদুপৰি অগ্নিবীৰ চাকৰী পোৱা তামাং জনগোষ্ঠীৰ যুৱকক অভিনন্দন জ্ঞাপন কৰে। এই সভাত গমিৰিৰ লীলা তামাং আৰু কল্পনা তামাং তামাং নৃত্য, হেলেমৰ শিশু সৃষ্টি লামাই তামাং নৃত্য প্ৰদৰ্শন কৰে। সভাত গাওঁ প্ৰধান ৰামনাথ তেৰাঙ, গাওৰক্ষী বাহিনীৰ সম্পাদক, জিলা সাংস্কৃতিক সম্পাদক জগ বাহাদুৰ তামাং, সমাজকৰ্মী বল বাহাদুৰ মুক্তান সহ কেইবাজনো গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**বিশ্বনাথ জিলাক পূৰ্ণাংগ ৰূপ দিয়াত গুৰুত্ব ডাঃ ৰণোজ পেগুৰ**

# বিশ্বনাথত নৱনিযুক্ত অভিভাৱক মন্ত্ৰীৰ পৰ্যালোচনা বৈঠক

## সম্ভাব্য বান পৰিস্থিতি মোকাবিলা কৰিবলৈ পূৰ্ব প্ৰস্তুতি সম্পৰ্কে পৰ্যালোচনা

**অসম বাৰ্তা, বিহালী, ১২ জুন ঃ** বিশ্বনাথ জিলাৰ নৱনিযুক্ত অভিভাৱক মন্ত্ৰী তথা অসমৰ বিদ্যালয় শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম), তথ্য প্ৰযুক্তি বিভাগৰ মাননিয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জিলাখনৰ চৰকাৰী বিভাগ সমূহৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। মন্ত্ৰী গৰাকীয়ে জিলাখনৰ বিভিন্ন বিভাগৰ জৰিয়তে ৰূপায়ণ হৈ থকা উন্নয়নমূলক আঁচনি সমূহৰ বুজ লোৱাৰ লগতে এই কামসমূহৰ অগ্ৰগতি অধিক ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ বিভাগীয় বিষয়া সকলক নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকত বিশেষকৈ জিলাখনৰ বাবে বাৰিষাৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি ক্ষিপ্ৰতাৰে সম্ভাব্য বান পৰিস্থিতি মোকাবিলা কৰি তাৎক্ষণিকভাৱে জনসাধাৰণক সকাহ দিব পৰাকৈ ল'বলগীয়া দূৰ্যোগ ব্যৱস্থাপনাৰ পূৰ্ব প্ৰস্তুতি সম্পৰ্কে পৰ্যালোচনা কৰি জিলা প্ৰশাসনক মন্ত্ৰী গৰাকীয়ে যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। মন্ত্ৰী গৰাকীয়ে জিলাখনৰ জলসম্পদ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ, পশুপালন আৰু পশু চিকিৎসা বিভাগ, কৃষি, স্বাস্থ্য, শিক্ষা, লোকনিৰ্মাণ আদি বিভাগৰ বিষয়া সকলৰ লগত বিস্তৃত পৰ্যালোচনা কৰি সাম্ভাব্য বান পৰিস্থিতি মোকাবিলা কৰিব পৰাকৈ সকলো সামগ্ৰী মজুত ৰাখিবলৈও যাৱতীয় নিৰ্দেশ দিয়ে। অভিভাৱক মন্ত্ৰীগৰাকীয়ে নৱ গঠিত জিলাখনক পূৰ্ণাংগ ৰূপ দি আন্তঃগাঁথনি উন্নীতকৰণৰ ক্ষেত্ৰতো গুৰত্ব আৰোপ কৰে আৰু জিলাখনৰ নিৰ্মীয়মান বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়, সংহত জিলা আয়ুক্ত কাৰ্যালয় ভৱন, অভিযান্ত্ৰিক মহাবিদ্যালয় আদি অভিলাষী প্ৰকল্প সমূহৰ নিৰ্মাণ সম্পূৰ্ণ কৰা আৰু মুকলি কৰা আদি বিষয়তো বিস্তৃত পৰ্যালোচনা কৰে। বিশ্বনাথ জিলা আয়ুক্তৰ সন্মিলন কক্ষত অনুষ্ঠিত আজিৰ পৰ্যালোচনা বৈঠকত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক পল্লৱলোচন দাস, গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক উৎপল বৰা, বিহালী বিধানসভা সমষ্টিৰ বিধায়ক মুনীন্দ্ৰ দাস, বিশ্বনাথৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়া, জ্যেষ্ঠ আৰক্ষী অধীক্ষক অজাগৌৰাণ বসুমতাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰঞ্জিত কোঁৱৰ, বিশ্বনাথ চাৰিআলি পৌৰসভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, বিহালী সম-জিলা আয়ুক্ত কবিতা কাকতি কোঁৱৰ, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে অমৃতপ্ৰভা দাস, অসীম বৰগোহাঁই, গহপুৰ সম-জিলা আয়ুক্ত আদিত্য প্ৰতাপ সিং, চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্ত সকল, পৌৰসভাৰ কাৰ্যবাহী বিষয়া, বিভিন্ন বিভাগৰ মূৰব্বী বিষয়াসকল উপস্থিত আছিল।

# বকোৰ ৩টাকৈ স্থানত উন্নয়নমূলক কামৰ শুভ উদ্বোধন বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ; উৎফুল্ল জনতা

**অসম বাৰ্তা, বকো, ১২ জুন ঃ** কামৰূপ জিলাৰ বকো ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত বড়ো কছাৰী কল্যাণ স্বায়ত্ত্বশাসিত পৰিষদত উন্নয়নৰ ধাৰা অব্যাহত। একেটা দিনতে পৰিষদীয় এলেকাৰ অধীনৰ তিনিটাকৈ স্থানত কল্যাণমূলক কামৰ শুভ উদ্বোধন কৰে কাৰ্যবাহী সদস্য দশৰথ বড়োৱে। আজি এক মাংগলিক পৰিৱেশত কাৰ্যবাহী সদস্য গৰাকীৰ জৰিয়তে তিনিওটাকৈ কামৰ শুভ উদ্বোধন কৰে। মূলতঃ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ আবণ্টিত পুঁজিৰে নিৰ্মিত কাম সম্পন্ন কৰি শুভ উদ্বোধন কৰা হয়। প্ৰথমে কুকুৰমাৰা ১নং ছেখাদাৰীস্থিত যুৱক সংঘৰ চাৰিসীমাৰ পকীবেৰ ৫ লাখ টকা ব্যয় সাপেক্ষে উদ্বোধন কৰা হয়। সমান্তৰালকৈ, বকোৰ বণিয়াভিঠা গাঁৱতো আন এক কামৰ উদ্বোধন কৰে কাৰ্যবাহী সদস্য দশৰথ বড়োৱে। ৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মিত নিত্যানন্দ ব্ৰহ্ম মন্দিৰৰ চৌপাশৰ মূল প্ৰৱেশদ্বাৰসহ চাৰিসীমাৰ পকীবেৰ ৰঙাফিতা কাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আনহাতে, বকোৰ খটখটি গাঁৱত অৱস্থিত বড়ো মহিলা সমিতিৰ কাৰ্যালয়তো মূল প্ৰৱেশদ্বাৰৰ লগতে চাৰিসীমাৰ পকী দেৱাল নিৰ্মাণৰ শুভ উদ্বোধন কৰে বড়ো কছাৰী কল্যাণ স্বায়ত্ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য দশৰথ বড়োৱে। পৰিষদৰ তৰফৰ আবণ্টন লাভ কৰা ৫ লাখ টকা ব্যয়ৰে নিৰ্মিত কামৰ উদ্বোধন কৰে। উল্লেখ্য যে, দীৰ্ঘদিনীয়া অভাৱ অভিযোগৰ বিষয়ে বিষয়ে কাৰ্যবাহী সদস্য গৰাকীক আৱেদন নিৱেদন কৰি আহিছিল সংশ্লিষ্ট ৰাইজে। পিছত বহুদিনীয়া অভাৱ পূৰণ হোৱাত এতিয়া ৰাইজৰ বিৰিঙিছে সন্তুষ্টিৰ হাঁহি। প্ৰকাশ্য যে, কাৰ্যবাহী সদস্য গৰাকীয়ে জনোৱা মতে, বড়ো কছাৰী কল্যাণ স্বায়ত্ত্বশাসিত পৰিষদে সীমিত সংখ্যক পুঁজিৰ জৰিয়তে বিভিন্ন কাম কৰিবলগীয়া হৈছে। ৰাজ্য চৰকাৰক অনুৰোধ জনাই যে বৃহত্তৰ ৰাইজৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাম কৰিবলৈ বুজন পৰিমাণৰ ধনৰাশিৰ আৱশ্যক বুলি নিজৰ ভাষণ প্ৰসংগত কয়। উক্ত কাৰ্যসূচীত বড়ো কছাৰী কল্যাণ স্বায়ত্ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মথুৰা বড়োকে প্ৰমুখ্য কৰি গণ্য মান্য লোক, ৰাইজ উপস্থিত থাকি সহযোগ আগবঢ়ায়।

# মৰিগাঁৱত অসম ৰাজ্যিক অ'বিচি সংঘৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

## ১৭ দফীয়া উমৈহতীয়া দাবী চনদ প্ৰস্তুত, চৰকাৰলৈ প্ৰেৰণৰ সিদ্ধান্ত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১২ জুন ঃ** অসম ৰাজ্যিক অন্যান্য পিচপৰা শ্ৰেণী চমুকৈ অ' বি চি সংঘৰ প্ৰতিষ্ঠা দিৱসটো আজি মৰিগাঁও চহৰত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা হয়। মৰিগাঁও চহৰৰ গান্ধী ভৱনত এই গৌৰৱময় প্ৰতিষ্ঠা দিৱসৰ পুৱাৰ ভাগত সংঘৰ পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ পাতনি মেলে অ'বিচি সংঘৰ ৰাজ্যিক সভাপতি হেমেন শইকীয়াই। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে প্ৰধান সম্পাদক ৰেৱ সন্দিকৈয়ে। পুৱাৰ ভাগতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, গণশিল্পী খগেন মহন্ত আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায় ক্ৰমে মৰিগাঁও জিলা অ' বি চি সংঘৰ মুখ্য উপদেষ্টা ধৰণীধৰ বুঢ়াগোঁহাই, সভাপতি মনমোহন ৰাজবংশী আৰু প্ৰতিষ্ঠা দিৱসৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি অজিত ডেকা, অ' বি চি সংঘৰ ৰাজ্যিক কাৰ্যকৰী সভাপতি ক্ৰমে পুলিন ফুকন, নৃপেন ভূঞা আৰু উপ প্ৰধান সম্পাদক চন্দ্ৰ কুমাৰ বৰুৱাই। এই অনুষ্ঠানতে শিল্পী ভদ্ৰেশ্বৰ ডেকাৰ পৰিচালনাত শিল্পী কেইগৰাকীৰ একোটিকৈ কালজয়ী গীত পৰিৱেশন কৰা হয়। ইয়াৰ পিছতে সমূহীয়া গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে প্ৰতিষ্ঠা দিৱসৰ অভ্যৰ্থনা সমিতিৰ সভাপতি সভাপতি ডালিম ফুকনে। দুপৰীয়াৰ ভাগত সভাপতি হেমেন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয় এখন মুকলি সভা। এই সভাত তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, কাৰ্যবাহী সদস্য খগেন বৰদলৈ, প্ৰাক্তন বিধায়িকা শিৰামণি বৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন সম্পাদক প্ৰধান বাবুল বৰাৰ লগতে অ'বিচি সংঘত অন্তৰ্ভুক্ত নাথ-যোগী, কোচ ৰাজবংশী, টাই-আহোম, চুতিয়া প্ৰমুখ্যে বহুকেইটা জাতি জনগোষ্ঠীৰ কেবাগৰাকীও নেতৃস্থানীয় ব্যক্তি উপস্থিত থাকে। সভাত অভ্যৰ্থনা সমিতিৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক ডালিম ফুকনে এটি আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে সমগ্ৰ অনুষ্ঠানটোৰ আঁতধৰে সংঘৰ জিলা সম্পাদক সুশীল কুমাৰ নাথ, বিষয়ববীয়া প্ৰসন্ন কুমাৰ সূত, পুলক নাথ, কৃষ্ণ কুমাৰ নাথ, অভ্যৰ্থনা সমিতিৰ সম্পাদক বল্লদেৱ নাথ আৰু সমুদ্ৰ নাৰায়ণ মেধিয়ে। এই সভাতে মৰিগাঁৱৰ অ' বি চি সংঘ জিলা সমিতিৰ পৰা সুশীল নাথ আৰু পুলক নাথ আৰু কৃষ্ণ কুমাৰ নাথক ৰাজ্যিক নেতৃত্বই যুৱ নেতৃত্বৰ দায়িত্ব প্ৰদান কৰা হয়। এই সভাতে অ' বি চি সংঘৰ ১৭ দফীয়া এখন উমৈহতীয়া দাবী চনদ প্ৰস্তুত কৰি ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন